www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

PRGI REGD. NO. : ASASS/25/A2361

অসম বার্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্রচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

পৰিস্থিতি যিমানেই ভয়ালগা নহওক কিয়, দৃঢ়তা আৰু আত্মবিশ্বাস থাকিলে জয়লাভ সুনিশ্চিত। — পিয়েৰ টেলহার্ড

□ ষষ্ঠ বছৰ □ সংখ্যা - ১৮২ □ শনিবাৰ □ ৩০ আগষ্ট, ২০২৫ চন □ ১৩ ভাদ, ১৯৪৭ শক □ VOL - 6 □ NO.- 182 □ Saturday □ 30th August, 2025 □ মূল্য ঃ ১০.০০ টকা □ মুঠ পৃষ্ঠা ঃ ৮

যিমানেই ধমকি দিয়া হ'ব, অসমীয়াই লাচিত বৰফুকনৰ হেংদাং তুলি লৈ যুঁজিব

পঞ্চায়ত প্রতিনিধি আৰু পৰিয়ালৰ বাবে বিনামূলীয়া চিকিৎসা সুবিধা

চিনাকি লোকসকলক মাটি দিয়া হ'ব, কিন্তু অচিনাকিৰ পৰা শেষ ইঞ্চি মাটিও কাঢ়ি লোৱা হ'ব ঃ মুখ্যমন্ত্রী

ষ্টাফ ৰিপ'টাৰ, অসম বার্তা, ২৯ আগষ্ট ঃ অসমৰ পঞ্চায়ত প্রতিনিধি আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ বাবে এক গুৰুত্বপূর্ণ ঘোষণা কৰিছে ৰাজ্য চৰকাৰে। আগন্তুক ১ জানুৱাৰীৰ পৰা পঞ্চায়ত প্রতিনিধিসকলে সম্পূর্ণ বিনামূলীয়া চিকিৎসা সুবিধা লাভ কৰিব, আৰু ▸▸৬ পৃষ্ঠাত

মোদীয়ে উত্তৰ-পূর্বাঞ্চলক অষ্টলক্ষ্মী হিচাপে আখ্যা দি শক্তিশালী ৰূপত আগুৱাই নিছে ঃ সর্বানন্দ সোণোৱাল

▪ দিল্লীৰ পিছত দ্বিতীয়টো NCFL অসমত ▪

নতুন ৰাজভৱন আৰু চাইবাৰ ফৰেনচিক লেবৰেটৰীৰ উদ্বোধন

□ আই টি বি পি, এছএছবি আৰু অসম ৰাইফলছৰ বিভিন্ন প্রকল্পৰ ভাৰ্চুৱেল উদ্বোধন আৰু আধাৰশিলা স্থাপন

ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ২৯ আগষ্ট ঃ কেন্দ্রীয় গৃহমন্ত্রী অমিত শাহে দুদিনীয়া অসম ভ্রমণৰ দ্বিতীয় দিনত গুৱাহাটীৰ খাৰঘুলিৰ ব্রহ্মপুত্র নদীৰ পাৰৰ মনোৰম ▸▸৬ পৃষ্ঠাত

চাংহাই সহযোগিতা সংস্থাৰ সম্মিলনত অংশগ্রহণ কৰিব মোদীয়ে

দুদিনীয়া ভ্রমণসূচীৰে জাপানত নৰেন্দ্র মোদী

অনলাইন ডেস্ক, অসম বার্তা, ২৯ আগষ্ট ঃ দুদিনীয়া ভ্রমণসূচীৰে জাপানত উপস্থিত ▸▸৬ পৃষ্ঠাত

NDAৰ পঞ্চায়ত প্রতিনিধিৰ উপস্থিতিত গৃহমন্ত্রী অমিত শ্বাহৰ হুংকাৰ

হাতত হেংদাং লৈ '২৬ৰ ৰণডংকা অমিত শ্বাহৰ

▪ অসমক ১০ বছৰ আগত বিদেশীমুক্ত কৰাৰ প্রতিশ্রুতি দিছিল বিজেপিয়ে, কিন্তু ১০ বছৰ পিছতো বিদেশীমুক্ত নহ'ল অসম; প্রতিশ্রুতি পূৰণ কৰিব নোৱাৰাত আক্ষেপ অমিত শ্বাহৰ ▪

পাকিস্তানলৈ বাৰে বাৰে যোৱা নেতা বা ভ্রষ্টাচাৰীয়ে অসমক নেতৃত্ব দিব নোৱাৰে ঃ অমিত শ্বাহ

২০১৮ চনত এন আৰ চিৰ খচৰাত ৪০ লাখ মানুহ বঞ্চিত হোৱাত বিজেপিয়ে সন্তোষ প্রকাশ কৰিছিল ঃ গৌৰৱ গগৈ

নিউজ ডেস্ক, গুৱাহাটী, ২৯ আগষ্ট ঃ বিজেপিৰ নেতৃত্বত এন ডি এৰ তৃতীয়বাৰৰ বাবে অসমত চৰকাৰ গঠনৰ লক্ষ্যৰে ২০২৬ৰ বিধানসভা নির্বাচনৰ প্রস্তুতি আৰম্ভ কৰিছে। শুকুৱাবাৰে গুৱাহাটীৰ খানাপাৰাৰ খেলপথাৰত আয়োজিত এন ডি এৰ বিশাল পঞ্চায়ত প্রতিনিধি সম্মিলনত কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহৰ উপস্থিতিত এই সংকল্প গ্রহণ কৰা হয়। এই সম্মিলনত "বাৰে বাৰে বিজেপিৰ চৰকাৰ" গঠনৰ প্রতিশ্রুতিৰ কথা পুনৰবাৰ ঘোষণা কৰা হয়। অমিত শ্বাহে এই সম্মিলনত ভাষণ প্রদান কৰি কয় যে অসমত পঞ্চায়ত নির্বাচনত বিজেপিৰ অভূতপূর্ব সাফল্যৰ ▸▸৬ পৃষ্ঠাত

দূৰবীণ লৈ বিচাৰিবলগীয়া হৈছে কংগ্রেছক !

এনেধৰণৰ মন্তব্য কেৰল মানসিক ভাৰসাম্যহীন ব্যক্তিয়েহে কৰিব পাৰে ঃ বিধায়ক দেৱব্রত শইকীয়া

কংগ্রেছক ৰাজহুৰাভাৰে 'জন্তু' অভিহিত মন্ত্রী অশোক সিংহলৰ

ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ২৯ আগষ্ট ঃ বিজেপিৰ মন্ত্রী অশোক সিংহলে কংগ্রেছ দলক ৰাজদ্রোহাভাৰে 'জন্তু' বুলি অভিহিত কৰা মন্তব্যই অসমৰ ৰাজনৈতিক মহলত তীব্র বিতর্কৰ সৃষ্টি কৰিছে। এই মন্তব্যৰ বিৰুদ্ধে জাড়ুৰ খাই উঠিছে বিৰোধী দলপতি দেৱব্রত শইকীয়া। ▸▸২ পৃষ্ঠাত

□ কংগ্রেছ দলে বৃটিছৰ বিৰুদ্ধে যুঁজ নিদিয়া হ'লে, অশোক সিংহলৰ দৰে মানুহবোৰে জন্তুতকৈয়ো অধম জীৱন-যাপন কৰিবলগীয়া হ'লহেঁতেন □

অসম চুক্তিক নস্যাৎ কৰাৰ প্রধান পৃষ্ঠপোষক অমিত শ্বাহ ঃ গৌৰৱ গগৈ

আজিৰ কলম

শিক্ষানুষ্ঠানৰ ব্যৱহাৰিকতাত নৈতিক, আধ্যাত্মিক শিক্ষাৰ গুৰুত্ব

শৰৎ চন্দ্র চিৰিংফুকন

জনসমাজত মানৱ সম্পদ গঢ়ি তোলাৰ এক অতি প্রয়োজনীয় ব্যৱহাৰিক মঞ্চ হৈছে শিক্ষানুষ্ঠান। এটি মানৱ শিশু ভূমিষ্ঠ হোৱাৰ পাছত ▸▸৬ পৃষ্ঠাত

ষ্টাফ ৰিপ'টাৰ, মহানগৰ, ২৯ আগষ্ট ঃ অসম প্রদেশ কংগ্রেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে কেন্দ্রীয় গৃহমন্ত্রী অমিত ▸▸৬ পৃষ্ঠাত

নগাঁৱৰ কাৰাগাৰত নিষিদ্ধ ড্রাগছৰ বেহা

নগাঁও জিলা আয়ুক্ত, আৰক্ষী অধীক্ষকৰ কেন্দ্রীয় কাৰাগাৰত আকস্মিক পৰিদর্শন

অসম বার্তা, নগাঁও, ২৯ আগষ্ট ঃ নিষিদ্ধ ড্রাগছ সৰবৰাহৰ অন্যতম কৰিডৰ হিচাপে চিহ্নিত নগাঁৱত কাৰাগাৰাতো চলে নিষিদ্ধ ড্রাগছৰ মুকলি বেহা। নগাঁও কেন্দ্রীয় কাৰাগাৰত ড্রাগছৰ মুকলি বেহাৰ কথা আজি উন্মোচিত হোৱাত সমগ্র নগাঁৱত ব্যাপক ▸▸৬ পৃষ্ঠাত

মোৰ ওচৰত উৰাজাহাজৰ ভাড়া দিবলৈকো ধন নাই ঃ হাগ্রামা মহিলাৰী

প্রমোদ বড়োৱে নিজৰ সমষ্টিটোৱেই ঠিক কৰিব পৰা নাই ঃ হাগ্রামা মহিলাৰী

ষ্টাফ ৰিপ'টাৰ, কোকৰাঝাৰ, ২৯ আগষ্ট ঃ দিহিৰা পৰিষদীয় সমষ্টিৰ ড্ মুনীত অনুষ্ঠিত এক বিশাল নির্বাচনী সভাত বড়োলেণ্ড পিপলছ ফ্রন্ট (বিপিএফ)ৰ সভাপতি হাগ্রামা মহিলাৰীয়ে অশগ্রহণ কৰি সাংবাদিকৰ প্রশ্নৰ উত্তৰত তেওঁ এক চাঞ্চল্যকৰ মন্তব্য কৰে, "মোৰ ওচৰত উৰাজাহাজৰ ▸▸৬ পৃষ্ঠাত

বিল পুতি বৃহৎ বৃহৎ দালান নির্মাণ; অখ্যাত এন জি অ'ৰ নামতো মাটি দখল

বেদখলকাৰীৰ কৱলত ঐতিহাসিক মৰিকলং বিল

নিঃশেষৰ পথত বিলখন

অসম বার্তা, নগাঁও, ২৯ আগষ্ট ঃ নগাঁও জিলাৰ এখন ঐতিহাসিক বিল "মৰিকলং বিল।" নগাঁও চহৰৰ একেবাৰে গাতে লাগি আছে এই "মৰিকলং বিল" খনি। আজি কিছুবছৰৰ আগলৈকে বিভিন্ন পৰিভ্রমী পক্ষীৰ কল-কাকলিৰে ▸▸৬ পৃষ্ঠাত

তিনি ঠাইত উচ্ছেদ চলাবলৈ সাজু বন বিভাগ

ষ্টাফ ৰিপ'টাৰ, ৰঙাইগাঁও, ২৯ আগষ্ট ঃ ৰঙাইগাঁও আই উ পত্যকা বন সংমণ্ডলৰ অভয়াপুৰী আঞ্চলিক বন বিষয়াৰ কার্যালয়ৰ অন্তর্গত বনাঞ্চল ধ্বংস ▸▸৬ পৃষ্ঠাত

অভয়াপুৰীত বনাঞ্চল ধ্বংস কৰি বেদখলকাৰীয়ে সাজিছে ঘৰ-দুৱাৰ

'ছাত্রনেতা প্রয়াত নন্দেশ কুমাৰ পৰজা শৈক্ষিক-সাংস্কৃতিক ন্যাস' গঠনৰ সিদ্ধান্ত

লখিমপুৰৰ ডিজু পৰজাবস্তিত 'অসম পৰজা সমাজ'ৰ প্রতিষ্ঠাপক সভাপতি প্রয়াত নন্দেশ পৰজাৰ ৪০ সংখ্যক মৃত্যু বার্ষিকী

অসম বার্তা, লীলাবাৰী, ২৯ আগষ্ট ঃ "অসমত আদিবাসী-চাহ জনগোষ্ঠী লোকসকলৰ শুভ চিন্তক, অসম পৰজা সমাজৰ প্রতিষ্ঠাপক সভাপতি তথা অসম চাহ জনজাতি ছাত্র সন্থাৰ এসময়ৰ শীর্ষ নেতা প্রয়াত নন্দেশ কুমাৰ পৰজাৰ ৪০ সংখ্যক মৃত্যু বার্ষিকী লখিমপুৰ জিলা পৰজা সমাজ আৰু পৰজা জনজাতীয় গবেষণা কেন্দ্রৰ উদ্যোগত আজি প্রয়াত নেতা গৰাকীৰ ডিজু পৰজাবস্তিৰ বাসগৃহত অনুষ্ঠিত হৈ যায়। লখিমপুৰ জিলা পৰজা সমাজৰ সাধাৰণ সম্পাদক দেৱেন মিঞুৱে আঁত ধৰা স্মৃতিচাৰণ অনুষ্ঠানত সমাজৰ কেন্দ্রীয় কোষাধক্ষ যাকোব আইন্দ, জিলা সভাপতি চামেল কাঠ, জিলাৰ সহকাৰী সম্পাদক গাব্রিয়েল ধান, গবেষণা কেন্দ্রৰ সঞ্চালক মিল্টু মিঞুৱৰ লগতে নেতা গৰাকীৰ ভাতৃষ্ণয় বিনোদ পৰজা, দাসু পৰজাৰ উপৰিও পৰিয়ালবর্গই প্রতিচ্ছবিত পুষ্প অর্পণ কৰে। জিলা সভাপতি চামেল কাঠ অধ্যক্ষতাত অনুষ্ঠিত স্মৃতিচাৰণ সভাত প্রয়াত নেতা গৰাকীৰ স্মৃতি বক্ষাৰ বাবে কেই বাটাও প্রস্তাৱ তথা সিদ্ধান্ত লোৱা সম্পর্কত জিলা সম্পাদকে সংবাদ মাধ্যমক জানিবলৈ দিয়ে। সভাখনত প্রয়াত নেতা গৰাকীৰ স্মৃতি বক্ষাৰ হেতু অতিথি বক্তাসকলে 'ছাত্রনেতা প্রয়াত নন্দেশ কুমাৰ পৰজা শৈক্ষিক-সাংস্কৃতিক ন্যাস' গঠনৰ প্রস্তাৱ কৰে। আৰু উল্লেখ্য যে, ২০২৬ বর্ষৰ ২ এপ্রিলত অসম পৰজা সমাজৰ '৪৩ সংখ্যক প্রতিষ্ঠা দিবস' আৰু অসম পৰজা সমাজৰ অন্তর্গত লখিমপুৰ জিলা সমিতিৰ ষষ্ঠ পঞ্চবার্ষিক অধিবেশনখনি ডিজু আঞ্চলিক সমিতিৰ আতিথ্যত ডিজু বিলগুড়ত অনুষ্ঠিত হ'ব। অনুষ্ঠানটিৰ বাবে অনাগত ছেপ্তেম্বৰ মাহত অভ্যর্থনা সমিতি গঠনৰ সিদ্ধান্ত লয়।

আমগুৰিত নগৰত প্রয়াত সৰুটি শইকীয়া সোঁৱৰণী পথৰ শুভ উদ্বোধন

অসম বার্তা, আমগুৰি, ২৯ আগষ্ট ঃ শিবসাগৰ জিলাৰ আমগুৰি পৌৰসভাৰ অন্তর্গত ৪ নং বার্ডত প্রয়াত সৰুটি শইকীয়া সোঁৱৰণী পথটি শুভ উদ্বোধন কৰা হয়। অতিথয় প্রয়োজনীয় এই পথটিৰ বাবে আমগুৰি হিঁদোৱাৰী গাঁৱৰ বাসিন্দা তথা অভিযন্তা বুদ্ধিন বৰুৱা আৰু তেওঁৰ পত্নী তথা বিশিষ্ট লেখিকা জুৰি শইকীয়াৰ পৰিয়ালবর্গই ভূমি দান কৰিছিল। উক্ত মাটিত পৌৰসভাৰ পেভাৰ ব্লকেৰে পথটি নির্মাণ কৰে। আজি পৌৰপতি অনামিকা নেওগ বৈশ্যই ফিতা কাটি পথটি শুভ উদ্বোধন কৰে। আৰম্ভণিতে বক্তি প্রজুলন কৰে প্রয়াত সৰুটি শইকীয়াৰ ন্যাস' গঠনৰ প্রস্তাৱ কৰে। উল্লেখ্য যে, ২০২৬ বর্ষৰ ২ এপ্রিলত অসম পৰজা সমাজৰ '৪৩ সংখ্যক প্রতিষ্ঠা দিবস' আৰু অসম পৰজা সমাজৰ অন্তর্গত লখিমপুৰ জিলা সমিতিৰ ষষ্ঠ পঞ্চবার্ষিক অধিবেশনখনি ডিজু আঞ্চলিক সমিতিৰ আতিথ্যত ডিজু বিলগুড়ত অনুষ্ঠিত হ'ব। অনুষ্ঠানটিৰ বাবে অনাগত ছেপ্তেম্বৰ মাহত অভ্যর্থনা সমিতি গঠনৰ সিদ্ধান্ত লয়।

জিলা আয়ুক্ত স্বপ্নীল পালৰ আন এক অভিনৱ পদক্ষেপ

প্রধানমন্ত্রীৰ উৎকর্ষৰ বঁটাৰ ধনেৰে জিলা আয়ুক্তেই তিনিচুকীয়াত সজালে অত্যাধুনিক অধ্যয়ন কক্ষ

ষ্টাফ বিপর্টাৰ, তিনিচুকীয়া, ২৯ আগষ্ট ঃ তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালৰ নেতৃত্ব তত্ত জিলা প্রশাসনে যোৱা সময়চোৱাত গ্রহণ কৰা ইতিবাচক ভূমিকাৰ বাবে ২০২৪ বর্ষৰ বাবে প্রধানমন্ত্রীৰ পৰা বাজহরা প্রশাসনৰ উৎকর্ষৰ বঁটা লাভ কৰিছিল। এই বঁটা হিচাপে লাভ কৰা ২০ লাখ টকাৰে তেওঁ জিলা পুথিওঁৰাভত স্থাপন কৰিছে এটি বহু আহঁয়ি শিকন কক্ষ। অসম চৰকাৰে এই বর্ষটো গ্রন্থ বর্ষ হিচাপে উদযাপন কৰিবলৈ লোৱা সিদ্ধান্তৰ সৈতে সঙ্গতি বাখি জিলা আয়ুক্তগৰাকীয়ে লোৱা এই নিজস্ব পদক্ষেপ ভিতৰত আছে এটা শীত-তাপ নিয়ন্ত্রিত অত্যাধুনিক শিকন কক্ষ খ'ত, ভিডিঅ' কনফাৰেন্সিং, গ্রন্থ অধ্যয়ন, মতবিনিময় বা দলগত আলোচনা, শিক্ষণ স্থান, বাৰ্ষি-ফাই ইত্যাদি সুবিধা। মন্ত্রলবাৰে পুৰা সপ্তাহীক গৈ ভাৰতীয় প্রশাসনিয় সেবাৰ বিয়য়াগৰাকীয়ে নিজেই এই অধ্যয়ন কক্ষটি উদ্ঘোধন কৰে। এই প্রসঙ্গত তেওঁ কয় যে, "গ্রন্থ অধ্যয়নহে এটা জাতিক সমৃদ্ধ কৰে। যুগৰ পৰিবর্তন আৰু প্রযুক্তিৰ বিকাশৰ সৈতে সঙ্গতি বাখি গ্রন্থ অধ্যয়নৰ ক্ষেত্রতো নতুনত্ব আনিব লাগিব, যাতে নতুন প্রজন্মৰ যুবক-যুবতী আকর্ষিত হয়।" সেয়ে এই নতুন বহু আহঁয়ি শিকন কক্ষটি অতি কম সময়ৰ ভিতৰতে নির্মাণ কৰি উলিওৱা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত মিৰ্জানা ৰহেইন, অসম অসামৰিক সেৱাৰ বিয়য়া তথা জিলা আয়ুক্তৰ পত্নী অন্যান্য চৌধুৰীৰ উপৰি তিনিচুকীয়াৰ কেবাগৰাকীও বিশিষ্ট নাগৰিক উপস্থিত থাকে। সকলোৱে জিলা আয়ুক্ত স্বপ্নীল পালৰ এই অভিনৱ পদক্ষেপৰ ভূয়সী প্রশংসা কৰিছে। উল্লেখযোগ্য যে, জিলা আয়ুক্তগৰাকীয়ে ইয়াৰ পূর্বে জিলা আয়ুক্তৰ কার্যালয়ৰ সম্মুখত ডি চি ভিত্তী শিবেনামাবে এখন শিক্ষামূলক উদ্যান নির্মাণ, নিচাসক্তসকলক সমাজৰ মূল সুতিলৈ ওভতাই অনাৰ বাবে আবোহণ গ্রুকল্পৰ অধীনত এটা বিনামূলীয়া নিগাযুক্ত কেন্দ্র স্থাপন, দিব্যাঙ্গসকলৰ বাবে একে ঠাইতে স্বাস্থ্য পৰীক্ষা, প্রমাণপত্র লাভ আৰু একক পৰিচয় পত্র প্রদানৰ লগতে তেওঁলোকক সহায়ক সজুলি বিনামূলীয়াকৈ প্রদান কৰাৰ বাবে গ্রহণ কৰা 'মিছন থটফুল' আঁচনি আদিৰেও তেওঁ ইতিমধ্যে বাইজৰ ব্যাপক সঁহাৰি লাভ কৰিবলে সক্ষম হৈছে।

বাঞ্চলৰ অধ্যক্ষতাত জিলা সমবায় উন্নয়ন সমিতিৰ বৈঠক

ডিব্রুগড়ত ভাৰত চৰকাৰৰ সমবায় মন্ত্রালয়ৰ অতিৰিক্ত সচিব পংকজ কুমাৰ

ষ্টাফ বিপর্টাৰ, ডিব্রুগড়, ২৯ আগষ্ট ঃ ভাৰত চৰকাৰৰ সমবায় মন্ত্রালয়ৰ অতিৰিক্ত সচিব পংকজ কুমাৰ বাঞ্চলৰ অধ্যক্ষতাত জিলা সমবায় উন্নয়ন সমিতিৰ বৈঠক ডিব্রুগড় জিলা আয়ুক্ত কার্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। সভাত ভাৰত চৰকাৰৰ সমবায় বিভাগৰ বিভিন্ন আঁচনিৰ বর্তমানৰ কার্যকলাপৰ বিয়য়ে বিতংভাবে আলোচনা কৰা হয়। জিলা আয়ুক্ত বিক্রম বৈৰী উপস্থিত থকা উক্ত সভাত বিভিন্ন বিভাগ যেনে কৃষি, পশু পালন ও পশু চিকিৎসা, জনস্বাস্থ্য- কাৰিকৰী, দুগ্ধ উন্নয়ন, খাদ্য-অসামৰিক যোগান ও বাজৰা বিতৰণ আদি বিভাগৰ উপস্থিত বিয়য়বাবীয়ই নিজ নিজ মতামত আগবঢ়ায়। সভাত সমবায় সমিতি, ডিব্রুগড়ৰ সহকাৰী পঞ্জীয়ক সুবঞ্জন ভট্টাচার্যই সমবায় সমিতিৰ বিভিন্ন আঁচনি সম্পর্কত পাৱাৰ পইণ্ট প্রেজেন্টেচন আগবঢ়ায়। ডিব্রুগড় জিলাত এটি আর্চনিসমূহ কিদৰে ৰূপায়ন হৈ আছে সেই বিয়য়েও আলোচনা কৰা হয়। সভাত জিলা পৰিষদৰ মুখ্য কার্যবাহী বিয়য়া বিপুল কুমাৰ দাস, অতিৰিক্ত জিলা আয়ুক্তসকল ক্রমে পংকজ বৰুৱা, বিৱাজ বৰুৱা, ড ডাঃ মণিকা বৰা, ডিব্রুগড় পৌৰ সভাৰ আয়ুক্ত জয় বিকাশ পুমুখ্যে সংশ্লিষ্ট বিয়য়াবর্গ উপস্থিত থাকে।

তামাৰহাটৰ পাগলাহাট গাঁও পঞ্চায়তৰ কার্যালয়, পাগলাহাট পৰিদর্শন বঙলাত ক'লা পতাকা উত্তোলন

অসম বার্তা, তামাৰহাট, ২৯ আগষ্ট ঃ ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তর্গত পাগলাট গাঁও পঞ্চায়তৰ কার্যালয় আৰু পাগলাহাট পৰিদর্শন বঙলাত আজি কোচ ৰাজবংশী ছাত্র সন্থাই কলা পতাকা উত্তলন কৰি প্রতাৰণা দিবস পালন কৰে। পিছত খাৰ পাছ পাগৰাহাট আৰক্ষী নিৰীক্ষণ চকীৰ আৰক্ষী ঘটনাস্থলীত উপস্থিতত কলা পতাকা দুখন নমাই আৰক্ষী চকীলৈ লৈ যায়। উল্লেখযোগ্য যে কমতাপুৰ বা কোচ বিহাৰ ৰাজ্যৰ শেষ ৰজা জগদীপেন্দ্র নাৰায়ণ দুখ বাহাদুৰৰ সৈতে ভাৰত চৰকাৰৰ তদানীন্তন গৃহমন্ত্রী চৰণ বন্ধাভাই পেটেলৰ মাজত ১৯৪৯ চনৰ ২৮ আগষ্টৰ দিনা মার্জাৰি এগ্রিমেনট্ নামে এক চুক্তি স্বাক্ষৰিত হৈছিল। সেই চুক্তি অনুসৰি কোচ বিহাৰ ৰাজ্যক 'গ' শ্রেণীৰ ৰাজ্য হিচাপে মর্যাদা দিব লাগিছিল। কিন্তু ভাৰত চৰকাৰে কোচ বিহাৰ ৰাজ্যক "গ" শ্রেণীৰ ৰাজ্যৰ মর্যাদা প্রদান কৰাৰ বিপৰীতে কোচ বিহাৰ বাসীৰ প্রবঞ্চনা কৰাৰ প্রতিবাদত কোচ ৰাজবংশী ছাত্র সন্থাই প্রতি বছৰে ২৮ আগষ্ট দিনটো প্রতাৰণা দিবস হিচাপে পালন কৰি আহিছে।

পাগলাহাটত আক্রাছুৰ প্রতাৰণা দিৱস পালন

আউনীআটী বিশ্ববিদ্যালয়ত তিনিদিনীয়া কার্য্যসূচীৰে ৰাষ্ট্রীয় ক্রীড়া দিৱস

অসম বার্তা, উজনী মাজুলী, ২৯ আগষ্ট ঃ অসমৰ দেশৰ লগতে আজি টায়কণ্ডিত আউনীআটী বিশ্ববিদ্যালয়ৰ মূল টোহদতো ৰাষ্ট্রীয় ক্রীড়া দিবসৰ তিনিদিনীয়া কার্যসূচীৰ শুভাৰম্ভ কৰা হয়। ক্ষনাঞ্চল ক্রীড়াবিদ তথা ৰাষ্ট্রীয় হকী খেলুৰে ধ্যানচন্দৰ জন্মদিবস উপলক্ষে প্রতিবছৰে উদযাপন কৰি আহা উক্ত দিবসৰ তিনিদিনীয়া কার্যসূচীৰ আজিৰ প্রথমটো দিনত 'হকীৰ যাদুকৰ' খ্যাত ধ্যানচন্দৰ ব্যক্তি আৰু কৃতিত্বৰ স্বীকৃতিক গৌৰবেৰে সৌৱৰণ কৰা হয়। নিটৌপুৰা ৯.১৫ বজাত অনুষ্ঠিত হোৱা বিশ্ববিদ্যালয়ৰ প্রাক্ত সভাবর্ত্তপ্রজুলন তথা সমুহীয়া প্রার্থনাৰ পাছতেই বিশিষ্ট চিন্তবিদ, গবেষক তথা আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডঃ মাধুর্যমণ্ডিত বকৰাই আনুষ্ঠানিকভাৱে ক্রীড়া দিৱসৰ কার্যসূচী মুকলি কৰে। ডঃ বৰুৱাই তেখেতৰ তথাপুর্ণ আৰু সাৰলীল ভাষণ প্রসংগত হিটলাৰৰ দৰে এজন নিষ্ঠুৰ শাসকেও যে ধ্যানচন্দৰ প্রতিভা দেখি তেওঁক জার্মানীৰ হৈ খেলিবলৈ প্রস্তাৱ দিছিল এই কথা উল্লেখ কৰে। ধ্যানচন্দ নিজৰ প্রতি আৰু দেশৰ প্রতি কিমান সং আছিল তাক সহজ অর্থত বুজাই সমাৰেত সমুহ শিক্ষার্থীক ধ্যানচন্দৰ আদর্শৰে উদ্বুদ্ধ হ'বলৈ আহ্বান জনায়। বিশ্ববিদ্যালয়ৰ নৈতিকতা আৰু মূল্যবোধ শিক্ষাৰ বিয়য় শিক্ষক কপমা শাস্ত্রীয়ে আঁত ধৰা আজিৰ এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ একাংশ অধ্যাপক-অধ্যাপিকা আৰু ছাত্রকোছৰ আৰু ছাত্রক মহলাৰ সমুহ শিক্ষার্থী উপস্থিত থাকে। অনুষ্ঠানটিৰ শেষত বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ ওপগত মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক তথা সহকাৰী অধ্যাপিকা বীথিকা শইকীয়াই সকলোকে শলাগ জ্ঞাপন কৰাৰ লগতে আটাইকে কেইটা দিনতে সকলোৱে সহযোগিতা কামনা কৰে।

ডুমডুমাত ধঁপাত বিৰোধী সজাগতা ৰেলী

ষ্টাফ বিপর্টাৰ, তিনিচুকীয়া, ২৯ আগষ্ট ঃ চলপ্পতি আমাৰ দেশৰ যুব-প্রজন্মৰ মাজত ধঁপাত সেৱনৰ অভ্যাস ক্রমাং বৃদ্ধি পাবলৈ ধৰিছে। এই ধঁপাত সেৱনৰ অপকাৰিতাৰ বিয়য়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ শিক্ষা বিভাগৰ বাজ্যসমুহৰ শিক্ষা বিভাগক 'ধঁপাত মুক্ত প্রজন্ম' শীর্ষক এলানি কার্যসূচী বিভিন্ন শিক্ষানুষ্ঠানত জৰিয়তে ৰূপায়ণ কৰিবলৈ নির্দেশ দিছিল। সেই অনুসৰি তিনিচুকীয়া জিলাৰ শিক্ষা বিভাগে জিলাখনৰ বিদ্যালয়সমুহক ধঁপাত সেৱনৰ অপকাৰিতাৰ বিয়য়ে সজাগতা সৃষ্টিৰ বাবে বিভিন্ন কার্যসূচী হাতত লৈ নির্দেশনা জাৰি কৰিছিল। তাৰ পৰিপ্রেক্ষিতেতে আজি ডুমডুমাৰ ৰূপাই চাইডিঙত অনুষ্ঠিত ছেইণ্ট মেৰীজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্র-ছাত্রী আৰু শিক্ষক-শিক্ষয়িত্রীসকলে ৰূপাই চাইডিঙতে এটা ধঁপাত বিৰোধী সজাগতা ৰেলী উলিয়াই জনসাধাৰণৰ মাজত ধঁপাত সেৱনৰ অপকাৰিতাৰ বিয়য়ে সজাগতা সৃষ্টিৰ প্রয়াস কৰে। এই ৰেলীত ছাত্র-ছাত্রীসকলে ধঁপাত সেৱনৰ অপকাৰিতাৰ বিয়য়ে বিভিন্ন শ্লোগান প্রদর্শন কৰাৰ লগতে বিভিন্ন শ্লোগানো দিয়ে। উক্ত ৰেলীটো উদ্বোধন কৰে বিদ্যালয়খনৰ অধ্যক্ষা ছিষ্টাৰ মার্থা টেলেনে। বিদ্যালয়খনৰ নবম আৰু দশম শ্রেণীৰ ছাত্র-ছাত্রীসকলৰ লগতে উপাধ্যক্ষা ছিষ্টাৰ কাইনি কেৰ্ৱলিন আৰু একাংশ শিক্ষক-শিক্ষয়িত্রীয়েও এই ৰেলীত অংশগ্রহণ কৰে।

বিশিষ্ট সমাজকর্মী ফজলুল হক চৌধুৰীৰ মৃত্যুত টুকটুকীত শোকৰ ছাঁ

অসম বার্তা, বটদ্রবা, ২৯ আগষ্ট ঃ নগাঁও জিলাৰ বিং ৰাজহ চক্রৰ অন্তর্গত টুকটুকী নিবাসী তথা পশু চিকিৎসা বিভাগৰ অৱসৰপ্রাপ্ত ক্ষেত্র কর্মী পৰিদর্শক ফজলুল হক চৌধুৰীৰ আজি পুৰা ১০-২৭ বজাত বার্ধক্যজনিত কাৰণত নিজ বাসগৃহত মৃত্যু হয়। তেওঁৰ মৃত্যুৰ খবৰ পোৱাৰ লগে - লগে অগণন আত্মীয় স্বজনে তেওঁৰ বাসগৃহত ভিৰ কৰা দেখা যায়। ফজলুল হক চৌধুৰী এসময়ৰ বটদ্রবা সমষ্টিৰ এ, আই, ইউ, ডি, এফৰ সম্পাদক আৰু বটদ্রবা ব্লক কংগ্রেছৰ কমিটিৰে সম্পাদক আছিল। চৌধুৰী কটহগুৰি মহাবিদ্যালয়, কটহগুৰি কনিষ্ঠ মহাবিদ্যালয়, কটহগুৰি বাণিজ্য চিনিয়ৰ চেকণ্ডেৰী স্কুল, কটহ গুৰি আঞ্চলিক ঈদগাহ, টুকটুকী ছেণ্ডিগেট জামে মছজিদ আৰু টি, এছ, কে ইলেভেন ষ্টাৰ ক্লাবকে আদি কৰি বহুতো টুকটুকীত অঞ্চলৰ বিভিন্ন অনুষ্ঠান -প্রতিষ্ঠানৰ লগতে অঞ্চলটোৰ ধর্মীয় অনুষ্ঠানৰ লগতো ওতপ্রোত ভাবে জড়িত আছিল। চৌধুৰীৰ মৃত্যুত ৰাইজৰ দলৰ মুখপাত্র মেহবুব মুক্তাৰ, এ, আই, ইউ, ডি, এফৰ নগাঁও জিলা সমিতিৰ সভাপতি মতিউৰ ৰহমান, নগাঁও জিলা কংগ্রেছৰ সম্পাদক বাইহান চৌধুৰী,টুকটুকী প্রেছক্লাবৰ সভাপতি জালাল উদ্দিন আহমেদকে আদি কৰি অঞ্চলটোৰ বিভিন্ন দল-সংগঠনে গভীৰ শোক প্রকাশ কৰে। আজি কটহগুৰি আঞ্চলিক জামে মছজিদৰ প্রাংগনত মুকতি চোহাইল আহমদ কাচমীৰ ই মামতিহত তেওঁৰ জানাজাৰ নামাজ সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত চৌধুৰীৰ বয়স আছিল ৬৯ বছৰ। মৃত্যুৰ সময়ত চৌধুৰীয়ে এগৰাকী পুত্র আৰু এগৰাকী কন্যা সন্তানৰ লগতে বহুতো আত্মীয় - স্বজনক এই ইহঃ সংসাৰত এৰি গৈ যায়। চৌধুৰীৰ মৃত্যুত বৃহত্তৰ টুকটুকীত শোকৰ ছাঁ পৰে।

সমাজ কল্যাণ বিভাগৰ অন্তর্গত নাজিৰা সংহত শিশু উন্নয়ন প্রকল্পৰ উদ্যোগত নিচামুক্ত আৰু বেটি বাচাও বেটি পড়াওৰ সন্দর্ভত সজাগতা সভা

অসম বার্তা, গেলেকী, ২৯ আগষ্ট ঃ সমাজৰ বিষমাস্য স্বৰূপ নিচামুক্ত দ্রব্যৰ প্রভাৰ ৰোধ কৰা, নিচা মুক্ত সমাজ গঢ়াৰ উদ্দেশ্যৰে সমগ্র দেশতে আৰম্ভ হোৱা নিচা মুক্ত ভাৰত অভিযানৰ অংশ স্বৰূপে আজি নাজিৰা মহাবিদ্যালয় প্রেক্ষাগৃহত সমাজকল্যাণ বিভাগৰ অন্তর্গত নাজিৰা সংহত শিশুন উন্নয়ন প্রকল্পৰ উদ্যোগত নিচা মুক্ত আৰু বেটি বাঁচাওঁ বেটি পড়ওঁ বিষয়ত সজাগতা সভাৰ আয়োজন কৰে। নাজিৰা সংহত শিশু উন্নয়ন বিভাগৰ চু পাৰভাইজাৰ, সুবক্তা নীলাক্ষী বৰুৱাই আতথৰা উক্ত সভাত নাজিৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰাজু ফুকন, নাজিৰা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষ তুলসী কৌৰৱ, নাজিৰা সংহত শিশু উন্নয়ন প্রকল্প বিষয়া বর্ণিতা মিথিয়াৰী, সহ শিক্ষয়িত্রী মঞ্জু ঘৰফলীয়া বড়ো, শিক্ষক জিংকু তাসালী, সংবাদকর্মী ভাস্কৰ জ্যোতি মহন্ত অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়াই। সভাত আধ্যাপক ৰাজীব বৰা, অৱসৰপ্রাপ্ত জিলা সমাজ কল্যাণ বিয়য়া দিপালী স্বর্গীয়ৰী বৰুৱাই সমল ব্যক্তি হিচাপে উপস্থিত থাকি বিয়য়সমুহৰ ওপৰত বিশদভাবে বক্তৃতা দিয়ে আৰু সকলোকে এখন নিচা মুক্ত সমাজ গঢ়িবলৈ আহ্বান জনায়। সভাগতা সভাৰ লগত সংগতি বাখি নিচা মুক্ত ভাৰত আৰু বেটি বচাও, বেটি পড়াও বিয়য়ত ছাত্র-ছাত্রীসকলৰ মাজত আয়োজন কৰা চুটি ভিডিও প্রতিযোগিতাত বিজয়ীসকলক বটা প্রদান কৰে। সভাত নাজিৰা মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীসকল, নাজিৰা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ ছাত্রীসকলৰ লগতে নাজিৰা সংহত শিশু উন্নয়ন প্রকল্পৰ সমুহ চুপাৰ ভাইজাৰ, পোষণৰ বিয়য়বর্গীয়া উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে।

শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ মহিলাৰ ঋতুচক্র সম্পর্কীয় সজাগতা সভা

অসম বার্তা, জাঁজী, ২৯ আগষ্ট ঃ শিবসাগৰ জিলাৰ শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ শিক্ষক গোটৰ মহিলাকোষৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ স্বাস্থ্য সম্পর্কীয় এক সজাগতা সভা অনুষ্ঠিত হয়। শিক্ষক গোটৰ সভাপতি চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয়ত ঋতুচক্র আৰু মহিলাৰ স্বাস্থ্য সম্পর্কীয় এক সজাগতা সভা অনুষ্ঠিত হয়। শিক্ষক গোটৰ সভাপতি চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্রী শিক্ষার্থী বাহিনীৰ সহযোগত নামতি চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয়ত ঋতুচক্র আৰু মহিলাৰ স্বাস্থ্য সম্পর্কীয় এক সজাগতা সভা অনুষ্ঠিত হয়। শিক্ষক গোটৰ সভাপতি চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্রী শিক্ষার্থী বাহিনীৰ সহযোগত নামতি চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয়ত ঋতুচক্র আৰু মহিলাৰ স্বাস্থ্য সম্পর্কীয় এক সজাগতা সভা অনুষ্ঠিত হয়। শিক্ষক গোটৰ সভাপতি চেহিদা খাতুনে সভাপতিত্ব কৰা এই সভাত আদৰণী ভাষণ প্রদান কৰে শিক্ষক গোটৰ সম্পাদক ড° মৌচুমী বেখা খাউণ্ডে। নামতি চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক মুদুল বৰাই শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ শিক্ষক গোটৰ প্রতি সম্ভাষণ জ্ঞাপন কৰে। সভাত সমল ব্যক্তি হিচাপে অংশগ্রহণ কৰি মহাবিদ্যালয়ৰ উপাধ্যক্ষ বিনীতা তামুলীয়ে ঋতুচক্রই মহিলাৰ মানসিক স্বাস্থ্যত কেনেদৰে প্রভাৰ পেলায়, সেই সম্পর্কে বক্তৃতা প্রদান কৰে। ভূগোল বিভাগৰ বিভাগীয় প্রধান তথা ৰাষ্ট্রীয় শিক্ষার্থী বাহিনীৰ কার্যাবাহী বিয়য়া লেফটেনেন্ট ড° বিজাতা দাসে ঋতুচক্রই মহিলাৰ শাৰীৰিক দিশত কেনেদৰে প্রভাৰ পেলায় আৰু মহিলাসকল নিজৰ স্বাস্থৰ প্রতি কেনেদৰে যত্ন ল'ব লগে সম্পর্কে বক্তব্য প্রদান কৰে। সমাজতত্ত্ব বিভাগৰ প্রবক্তা পাহাৰী কলিতাই ছেনিচৰী পেডৰ ব্যবহাৰ আৰু আমাৰ সমাজত প্রচলিত অন্ধবিশ্বাসমুহ দূৰীকৰণৰ দ্বাৰা সুস্থ সমাজ গঢ় দিয়াৰ ক্ষেত্রত আমাৰ দায়িত্ব আৰু কর্তব্য সম্পর্কত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। সভাত শিক্ষাত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক সুস্মিতা হাজৰিকা, নামতি চাৰিআলি হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্রী আৰু ছাত্র-ছাত্রীসকলে অংশগ্রহণ কৰে। শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ ৰাষ্ট্রীয় শিক্ষার্থী বাহিনীৰ শিক্ষার্থীসকলে ঋতুচক্র সজাগতা সম্পর্কত এখন বাটৰ নাট প্রদর্শন কৰে। অনুষ্ঠানটো আঁত ধৰি সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় মহিলা কোষৰ আহ্বায়ক তথা অর্থনীতি বিভাগৰ সহকাৰী অধ্যাপক নেহা কৰে। এই সভাতে শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ শিক্ষক গোটৰ মহিলাকোষৰ তৰফৰ পৰা নামতি চাৰিআলি হাইস্কুলৰ ছাত্রীসকলৰ প্রতি ছেনিটেৰী পেডৰ এটি টোপোলা প্রদান কৰা হয়।

শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ মহিলা কোষৰ ঋতুচক্র সম্পর্কীয় সজাগতা সভা সম্পন্ন

অসম বার্তা, আমগুৰি, ২৯ আগষ্ট ঃ শিবসাগৰ জিলাৰ অন্তর্গত নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ শিক্ষক গোটৰ মহিলাকোষৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ স্বাস্থ্য সম্পর্কীয় এক সজাগতা সভা সম্পন্ন হয়। শিক্ষক গোটৰ সভাপতি চেহিদা খাতুনে সভাপতিত্ব কৰা এই সভাত আদৰণী ভাষণ প্রদান কৰে শিক্ষক গোটৰ সম্পাদক ড° মৌচুমী বেখা খাউণ্ডে। নামতি চাৰিআলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক মুদুল বৰাই শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ শিক্ষক গোটৰ প্রতি সম্ভাষণ জ্ঞাপন কৰে। সভাত সমল ব্যক্তি হিচাপে অংশগ্রহণ কৰি মহাবিদ্যালয়ৰ উপাধ্যক্ষা বিনীতা তামুলীয়ে ঋতুচক্রই মহিলাৰ মানসিক স্বাস্থ্যত কেনেদৰে প্রভাৰ পেলায়, সেই সম্পর্কে বক্তৃতা প্রদান কৰে। ভূগোল বিভাগৰ বিভাগীয় প্রধান তথা ৰাষ্ট্রীয় শিক্ষার্থী বাহিনীৰ কার্যাবাহী বিয়য়া লেফটেনেন্ট ড° বিজাতা দাসে ঋতুচক্রই মহিলাৰ শাৰীৰিক দিশত কেনেদৰে প্রভাৰ পেলায় আৰু মহিলাসকল নিজৰ স্বাস্থৰ প্রতি কেনেদৰে যত্ন ল'ব লগে সম্পর্কে বক্তব্য প্রদান কৰে। সমাজতত্ত্ব বিভাগৰ প্রবক্তা পাহাৰী কলিতাই ছেনিচৰী পেডৰ ব্যবহাৰ আৰু আমাৰ সমাজত প্রচলিত অন্ধবিশ্বাসমুহ দূৰীকৰণৰ দ্বাৰা সুস্থ সমাজ গঢ় দিয়াৰ ক্ষেত্রত আমাৰ দায়িত্ব আৰু কর্তব্য সম্পর্কত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। সভাত শিক্ষাত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক সুস্মিতা হাজৰিকা, নামতি চাৰিআলি হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্রী আৰু ছাত্র-ছাত্রীসকলে অংশগ্রহণ কৰে। শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ ৰাষ্ট্রীয় শিক্ষার্থী বাহিনীৰ শিক্ষার্থীসকলে ঋতুচক্র সজাগতা সম্পর্কত এখন বাটৰ নাট প্রদর্শন কৰে। অনুষ্ঠানটো আঁত ধৰি সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় মহিলা কোষৰ আহ্বায়ক তথা অর্থনীতি বিভাগৰ সহকাৰী অধ্যাপক নেহা কৰে। এই সভাতে শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ শিক্ষক গোটৰ মহিলাকোষৰ তৰফৰ পৰা নামতি চাৰিআলি হাইস্কুলৰ ছাত্রীসকলৰ প্রতি ছেনিটেৰী পেডৰ এটি টোপোলা প্রদান কৰা হয়।

নিষিদ্ধ ড্ৰাগছৰ লগত জড়িত পতি-পত্নী আটক

সোণাৰি আৰক্ষী বৃহৎ সফলতা

অসম বার্তা বিশেষ, সোণাৰি, ২৮ আগষ্ট ঃ সমাজৰ এক মাৰাত্মক ব্যাধি হ'ল ড্ৰাগছ। চৰাইদেউ জিলাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত নিষিদ্ধ ড্ৰাগছৰ বেহা কাৰকলাপত জড়িত থকা ব্যক্তিক আৰক্ষীয়ে আটক কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰা বাতৰিত সবিস্তাৰে প্ৰকাশ হৈ আহিছে। ড্ৰাগছৰ গ্ৰাসত পৰি উঠি অহা এচাম নব- প্ৰজন্মই আসন্ন হৈ ধৰংসৰ পথেৰে নিঃশেষ হোৱাৰ লগতে পৰিয়ালৰ মাজত উদ্বিগ্ন হোৱা দেখা গৈছে। কেইমাহৰ আগত ঘৰ জোঁৱাই হিচাপে বসবাস কৰি সোণাৰিত ড্ৰাগছৰ ৰমৰমীয়া বেহা আৰম্ভ কৰা এজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল। সমান্তৰালভাবে মাজভাগি 'অতিৰিক্ত অধীক্ষক আৰক্ষী' আধিয়াল নাথৰ নেতৃত্বত সোণাৰি আৰক্ষী দলে পুনৰ সোণাৰিত জোঁৱাই হিচাপে বসবাস কৰা বদ্দি ৰহমানৰ ওচৰত বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ ভৰি কমটেহাৰ উদ্ধাৰ কৰা লগতে বৃহৎ পৰিমাণৰ টকা জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে ধৃত আলমৰ পত্নী গৰাকী নিষিদ্ধ ড্ৰাগছৰ বেহা লগত জড়িত বুলি অৱগত হোৱাত দুয়োকে আটক কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰে।

দিকচু মজলীয়া বিদ্যালয়ত মহাৰাজত জয়ন্তীৰ আয়োজন

অসম বার্তা, আমওৰি, ২৮ আগষ্ট ঃ শিৱসাগৰ জিলাৰ ঐতিহ্যমণ্ডিত নামতি অঞ্চলৰ অন্যতম পু�ৰণি শিক্ষানুষ্ঠান দিকচু মজলীয়া বিদ্যালয়। বিদ্যালয়খনে গৌৰৱোজ্জ্বল ৭৩ বৰ্ষত খোজ দিয়াৰ উপলক্ষ্যে বিদ্যালয়ৰ প্ৰাক্তন শিক্ষার্থী, অভিভাৰক-অভিভাৱিকা, মাতৃগোট, পৰিচালনা সমিতি আৰু স্থানীয় শিক্ষানুৰাগী হিতাকাংক্ষী বাইজে আয়োজন কৰিছে মহাৰাজত জয়ন্তী আৰম্ভণি অনুষ্ঠান। চলিত বৰ্ষৰ অহা ২৮ অক্টোবৰ দিনাজোৱা বাৰ্ষিক কাৰ্যসূচীৰে অন্তৰ্ভুক্ত হব লগা অনুষ্ঠানটিৰ আয়োজন কৰিছে। ই তিমধ্যে অনুষ্ঠানটো সফল কৰাপাণৰ উদ্দেশ্যে বাজহাযা সভাৰ সৰ্বসম্মতিক্ৰমে, নামতি খৰ্ৱীদ পিয়লি ফুকন মহাবিদ্যালয়ক ইংৰাজী বিভাগৰ অধ্যাপক ড° ৰমেণ বৰুৱাক সভাপতি আৰু প্ৰাক্তন ছাত্ৰ তথা সমাজসেৱক পংকজ হাতীবৰুৱাক কাৰ্যকৰী সভাপতি, বিদ্যালয়খনৰ প্ৰধান শিক্ষক শান্তনু দত্তক মুখ্য সম্পাদক, শশাংক বৰগোঁহাই আৰু সহ শিক্ষক দ্বীপজ্যোতি ফুকনক যুগ্মসম্পাদক, হিচাপে লৈ এখনি শক্তিশালী উদযাপন সমিতি গঠন কৰিছে। আজি উক্ত অনুষ্ঠানটোৰ মুখ্য সম্পাদক শান্তনু দত্তই এক প্ৰেছ বিজপ্তি যোগে জানিবলৈ দিয়া মতে, দিকচু মজলীয়া বিদ্যালয়ত মহাৰাজত জয়ন্তীৰ আৰম্ভণি অনুষ্ঠানৰ কাৰ্যসূচী হিচাপে ৭৫ গৰাকী শিক্ষার্থীয়ে ৭৫খন পতাকা উত্তোলন কৰাৰ লগতে সাংস্কৃতিক শোভাযাত্ৰা, মাতৃগোট সমাবেহ, নপুৰণিসশিক্ষার্থী সমাবেহ আৰু সঙ্গিয়ালৈ প্ৰাক্তন শিক্ষার্থী সকলৰ ভাওনা প্ৰদৰ্শন কৰা হ'ব। তদুপৰি সমগ্ৰ বছৰযোৰাকৈ আয়োজন কৰা অনুষ্ঠানটিত শিৱসাগৰ জিলা ভিত্তিত কুইজ, ৰচনা, কবিতা আবৃত্তি, সাধুকোৱা, প্ৰাৰ্থনা, নৃত্য আদিৰ প্ৰতিযোগিতা আদি ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত হ'ব। অনলাইন আৰু অফলাইন দুয়োটা পদ্ধতিবে অনুষ্ঠিত কৰিবলৈ দিহা কৰা এই প্ৰতিযোগিতাসমূহ আৰম্ভণি অনুষ্ঠানটিৰ পাছত প্ৰতি তিনিমাহৰ মূৰে-মূৰে আয়োজন কৰা হ'ব আৰু মহাৰাজত জয়ন্তীৰ সামৰণি অনুষ্ঠানত বিজয়ী প্ৰতিযোগী সকলক বঁটা প্ৰদান কৰা হ'ব। মহাৰাজত জয়ন্তী উদযাপন সমিতিয়ে এই ক্ষেত্ৰত প্ৰতিথযশা প্ৰাক্তন শিক্ষার্থীৰ লগতে বিদ্যালয়ৰ অভিভাৰক-অভিভাৰিকা, মাতৃগোট আৰু স্থানীয় ৰাইজৰ সহযোগিতা কামনা কৰিছে।

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ জৰিয়তে কুৰিগৰাকী খেলুৰৈলৈ আৰ্থিক সাহায্য বিধায়িকা হৰিপ্ৰিয়াৰ

বিধায়িকা সুমন হৰিপ্ৰিয়াৰ প্ৰশংসাত পঞ্চমুখ হাজোৰ কাৰাটে খেলুৰৈ

অসম বার্তা, হাজো, ২৮ আগষ্ট ঃ হাজোৰ বিধায়িকা সুমন হৰিপ্ৰিয়াৰ প্ৰচেষ্টাত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ জৰিয়তে হাজোৰ কুৰিগৰাকী খেলুৰৈয়ে দহ হাজাৰ টকাকৈ একেকালীন আৰ্থিক সাহায্য লাভ কৰিছে। শিক্ষাৰ লগতে ক্ৰীড়া ক্ষেত্ৰতো হাজোৰ ছাত্ৰ-ছাত্ৰী তথা খেলুৰৈসকলৰ আৰ্থিক সহায় হোৱাকৈ বিধায়িকা সুমন হৰিপ্ৰিয়াই লোৱা এই প্ৰচেষ্টাক সকলোৱে আদৰণি জনাইছে। আজি বিজলি হাজো বহিমান কাৰাটে একাডেমীত বিধায়িকা সুমন হৰিপ্ৰিয়াৰ ব্যক্তিগত সহায়ক মুকুট দাস আৰু টুইংকল বাভাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ চেক সমূহ খেলুৰৈ সকলৰ মাজত বিতৰণ কৰে। বহিমান কাৰাটে একাডেমীৰ হিয়াকী কলিতা, হৃষিতা দাস, পৰিস্মিতা দাস, ডেনিমাময় দাস, শ্যামল কলিতা, ধ্ৰুবজিৎ দাস, কৃষ্ণাঙ্ক নন্দন মজুমদাৰ, যুগল কুমাৰ, বিকাশ দাস, আয়ুস্কা মালকাৰ, হিৰোশুল কুমাৰ, নিহাৰ দাস, দিয়ানাজ্যোতি দাস, পৃথুৰাজ দাস, কুশাল কুমাৰ, হৃষিকেয পাঠক, ময়ূদুল ইছলাম, হিমাংশু বাজ পাটোৱাৰী, নিষাদ মজুমদাৰ, ৰাজু আহমেদ লগতে অভিভাৰকসকলে স্থানীয় বিধায়িকা সুমন হৰিপ্ৰিয়াৰ প্ৰশংসাত পঞ্চমুখ হৈ পৰে। আনহাতে আন্তঃৰাষ্ট্ৰীয় কাৰাটে খেলুৰে তথা বহিমান কাৰাটে একাডেমীৰ মুখ্য প্ৰশিক্ষক দি পাংকৰ মজু মদাৰে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ ধন খেলুৰৈসকলে লাভ কৰাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু স্থানীয় বিধায়িকা সুমন হৰিপ্ৰিয়াক ধন্যবাদ জ্ঞাপন কৰি কয় - খেলব জৰিয়তেও জগত জিনিব পাৰি। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমৰ খেলুৰৈসকলক আগুৱাই নিয়াৰ স্বাৰ্থত গ্ৰহণ কৰা এই পদক্ষেপ সঁচাকৈয়ে প্ৰশংসনীয়।

নগাঁৰৰ ইউটিউবাৰ, সাংবাদিকৰ অবৈধ কাৰখানা ছীল কৰিলে জিলা প্ৰশাসনে

অসম বার্তা, নগাঁও, ২৮ আগষ্ট ঃ নগাঁৰৰ গ্ৰাৰিতা হাজৰিকা নামৰ এগৰাকী মহিলাৰ অবৈধ কাৰখানা ছীল কৰিলে প্ৰশাসনে। খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অন্তৰ্গত বৈধ পৰিমাণ বিজ্ঞান (লিগেল মেট্ৰলজী)ৰ নিয়ন্ত্ৰক, নগাঁও জিলাৰ শাখাই আৰম্ভ কৰা পৰিদৰ্শন কাৰ্যসূচীৰ অংশস্বৰূপে বুধবাৰে ৰাজহুৱা অভিযোগৰ ভিত্তিত জিলাখনৰ ওপৰ ডিমৰুগুৰিৰ নিবাসী গ্ৰাৰিতা হাজৰিকাৰ বাসগৃহতে থকা কাৰখানাটো ছীল কৰি দিয়া হয়। দীৰ্ঘদিন ধৰি চলাই থকা পূজা সামগ্ৰী আৰু খাদ্য সামগ্ৰী নিৰ্মাণৰ কাৰখানাটোত আকস্মিক পৰিদৰ্শন কৰে প্ৰশাসনৰ এই দলটোৱে। জিলা অতিৰিক্ত আয়ুক্ত তেজস অগ্নিহোত্ৰী, ভাঃপ্ৰঃসে., জিলা খাদ্য বিষয়া, জিলা ঔষধ পৰিদৰ্শক আৰু জিলা বৈধ পৰিমাণ বিজ্ঞান বিভাগৰ বিষয়া সকলৰ উপস্থিতিত এই আকস্মিক পৰিদৰ্শনৰ সময়ছোৱাত কাৰখানাটোৰ পৰা বহু সংখ্যক ভুল তথ্যৰে বিক্ৰীৰ বাবে মজুত কৰি থকা সামগ্ৰীৰ লগতে নিম্নমানৰ সামগ্ৰী উদ্ধাৰ কৰা হয়। উল্লেখযোগ্য যে, উক্ত কাৰখানাটোৰ পৰা ভুৰা মৌ, ঘিউ আদি বিভিন্ন ধৰণৰ স্বাস্থ্য-ক্ষতিকাৰক আৰু জনসাধাৰণৰ বাবে অত্যন্ত বিপজ্জনক প্ৰস্তুত সামগ্ৰী উদ্ধাৰ হোৱাৰ পৰিপ্ৰেক্ষিতত, উপভোক্তাসকলৰ স্বাস্থ্য সুৰক্ষা আৰু আইনী প্ৰক্ৰিয়া সুনিশ্চিত কৰাৰ উদ্দেশ্যে বৈধ পৰিমাণ বিজ্ঞান (লিগেল মেট্ৰোলজী) বিভাগে পৰবৰ্তী তদন্ত বাবে সম্পূৰ্ণ কাৰখানাটো জব্দ (ছীল) কৰে। উল্লেখ্য যে, গ্ৰাৰিতা হাজৰিকা হৈছে নিউজ টাইম এন ই নামৰ এটা পৰ্টলৰ এগৰাকী সাংবাদিক আৰু ইউ টিউবাৰো।

গোলাঘাট কুশল কোঁৰৰ অসামৰিক চিকিৎসালয়ত চিকিৎসকৰ হেমাহিৰ বাবে গৰ্ভৱতী মাতৃয়ে মৃত সন্তান জন্ম দিয়াৰ অভিযোগ

মৃত্যুৰ সৈতে যুঁজছে মাতৃয়ে; বিধায়ক বিশ্বজিৎ ফুকন সৰৱ, দণ্ডাধীশ পৰ্যায়ৰ তদন্ত আৰম্ভ

ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৮ আগষ্ট ঃ গোলাঘাট কুশল কোঁৰৰ অসামৰিক চিকিৎসালয়ত গৰ্ভৱতী মাতৃৰ চিকিৎসাত চৰম হেমাহিৰে সংকটজনক অবস্থাত্বলৈ ঠেলি পঠিওৱাৰ দৰে গুৰুতৰ অভিযোগত চিকিৎসালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে আজি দণ্ডাধীশ পৰ্যায়ৰ তদন্ত আৰম্ভ। চিকিৎসালয়ৰ প্ৰসূতি বিভাগৰ কৰ্তব্যৰত চিকিৎসক ডাঃ ছইফুল হক আৰু ডাঃনেহা ভেৰীয়াৰ বিৰুদ্ধে এনে গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। চিকিৎসালয়ত সংঘটিত চৰম হেমাহিৰ ফলত গৰ্ভৱতী মাতৃয়ে মৃত সন্তান প্ৰসৱ কৰিবলগীয়া হোৱাৰ লগতে সংকটজনক অবস্থাত্বলৈ ঠেলি পঠিওৱাৰ দৰে ঘণ্ডাজানইনী ঘটনাৰ বিৰুদ্ধে জাগুৰ খাই উঠিছে সকলপথাৰ বিধান সভা সমন্তিৰ বিধায়ক বিশ্বজিৎ ফুকন। গোলাঘাট জিলা আয়ুক্তলৈ এক লিখিত পত্ৰযোগে সমগ্ৰ ঘটনাটোৰ উচিত তদন্তৰ বাবে অগণ্ড কৰাৰ পাছত আজি গোলাঘাট জিলা আয়ুক্ত পুলক কুমাৰ মহন্তই আদেশযোগে দণ্ডাধীশ পৰ্যায়ৰ তদন্ত আৰম্ভ কৰিছে। চিকিৎসালয়ত দায়িত্বত থকা ডেভিড কুমাৰ বৰাক তদন্তত নিয়োজিত কৰি কাৰ্যবাহী দণ্ডাধীশ মৌচুমী বৰা আৰু যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ৰাজীব ৰঞ্জন গগৈক তদন্তত সহযোগ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। অতি শীঘ্ৰে তদন্তৰ প্ৰতিবেদন দাখিল কৰিবলৈ আয়ুক্তৰ নিৰ্দেশ মতোহে কোৱা হৈছে। উল্লেখ্য যে, ধনশিৰি মহকুমাৰ বচাপথাৰ বিলগাঁৱৰ ৰীপেন দাসৰ পত্নী বৰষা দাস সন্তান সম্ভাৱা হৈ যোৱা ২০ আগষ্টৰ পূৱা ৮ বজাত চিকিৎসালয়ত ভৰ্তি হোৱাৰ পাছত অতিপাত বিষ অনুভৱ কৰাৰ পাছতো ২৪ আগষ্টলৈকে চিকিৎসকে চৰম গাফিলতি কৰাৰ অভিযোগ উঠিছে। যাৰ ফলত যোৱা ২৪ আগষ্টৰ পূৱা ৮-৪৩ বজাত মৃত সন্তান জন্ম দিবলগীয়া হয় আৰু প্ৰসূতি মাতৃগৰাকীৰ শাৰীৰিক অৱস্থা জটিল হৈ পৰে। ইবটলৰ পাছত সিবটল তেজ দি বৰষা দাসৰ ইউটোছৰ অপাচেনো কৰিব লগীয়া হয়। অৱশেষত সংকটজনক অৱস্থাত বৰষা দাসক ২৫ আগষ্টত যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ উচ্চ চিকিৎসাৰ বাবে প্ৰেৰণ কৰে। ঘটনাটোৱে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

ৰঙ্গতীৰ্থ কলা কেন্দ্ৰৰ দুগাৰাকী নৰ্তন শিল্পীলৈ প্ৰচাৰ ভাৰতীৰ বি গ্ৰেডৰ সন্মান প্ৰদান

অসম বার্তা, দেওমনৈ, ২৯ আগষ্ট ঃ ডাৰু চকাবৰ দ্বাৰা পৰিচালিত প্ৰচাৰ ভাৰতী, গুৱাহাটি দুৱৰণীয় কেন্দ্ৰৰ সদ্যঘোষিত ৰঙ্গতীৰ্থ কলা কেন্দ্ৰৰ দুই গৰাকী নৃত্যশিল্পী জীমণি ডেকা আৰু মৃদুস্মিতা চহৰীয়ালৈ সত্ৰীয়া নৃত্যৰ "পি গ্ৰেড"ৰ শিল্পী হিচাপে স্বীকৃতি প্ৰদান কৰিছে। দুই গৰাকী শিল্পীয়ে ৰঙ্গতীৰ্থ কলা কেন্দ্ৰৰ লগতে দৰং জিলাৰে গৌৰৱ কঢ়িয়াই আনিছে। ছিপাঝাৰ বিধানসভা সমন্তিৰ বিধায়ক তথা ৰঙ্গতীৰ্থ কলা কেন্দ্ৰৰ মুখ্য উপদেষ্টা ড° পৰমানন্দ ৰাজবংশী, সংগীত নাটক একাডেমী বঁটা প্ৰাপক প্ৰাজ্ঞল শইকীয়া, শ্ৰী শ্ৰী বাঘৰুণা সত্ৰৰ সত্ৰাধিকাৰ হিৰু প্ৰসাদ মহন্ত, বিশিষ্ট অভিনেত্ৰী পূৰ্ণিমা পাঠক, শ্ৰীমন্ত শঙ্কৰদেব সংঘৰ প্ৰশিক্ষক ব্ৰেলোক্য কুমাৰ নাথ, ৰঙ্গতীৰ্থ কলা কেন্দ্ৰৰ উপদেষ্টা ৰঞ্জু চহৰীয়া, ৰঙ্গতীৰ্থ কলা কেন্দ্ৰৰ সভাপতি মৃত্যুঞ্জয় ডেকা আৰু সম্পাদক জ্যোতি প্ৰসাদ ডেকাই অভিনন্দন জ্ঞাপন কৰে। দুই গৰাকী নৃত্য শিল্পীয়ে সঁৱৰণে পৰা মহাপুৰুষ শুঙ্ক দুজনাৰ গীত, বাদ্য, নৃত্য আৰু নাটৰ শিক্ষা গ্ৰহণ কৰি অসমৰ বিভিন্ন প্ৰান্তত শুঙ্ক দুজনাৰ কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন কৰি আহিছে। ইয়াৰ উপৰিও জীমণি ডেকাই সত্ৰীয়া নৃত্যৰ বিশাৰদ ডিগ্ৰী লাভ কৰাৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেব বিশ্ববিদ্যালয়ৰ যোৰহাট শাখাৰ পৰিবেশ্য কলা বিভাগৰ স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক উত্তীৰ্ণ তথা দৰং জিলাৰ মহলীয়াপাৰাত অবস্থিত শ্ৰীমন্ত শঙ্কৰদেব সঙ্গীত বিদ্যালয়ৰ নৰ্তন বিভাগৰ শিক্ষয়িত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। আনহাতে মৃদুস্মিতা চহৰীয়াই নৃত্যাঙ্গণ কলাকেন্দ্ৰ, দিপীলাৰ ছাত্ৰী।

গেলেকী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক বিদায় সম্বৰ্দ্ধনা

আৰক্ষী বিষয়াৰ স্থানান্তৰ- কৰণত আৰেগিক ৰাইজ!

অসম বার্তা, গেলেকী, ২৮ আগষ্ট ঃ শিৱসাগৰ জিলাৰ গেলেকী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অভিজিত কোঁৰৰ আৰু উপ পৰিদৰ্শক পৰিস্মিতা মৰাণৰ বিভাগীয় নীতি নিৰ্দেশনা অনুসৰি স্থানান্তৰিত নিৰ্দেশনা অহাৰ পিছতে বিভিন্ন দল সংগঠন তথা সাধাৰণ ৰাইজে বিষয়া দুগৰাকীক গেলেকী থানাৰ পৰা বিদায় সম্বৰ্দ্ধনা জনোৱাৰ লগতে তেওঁৰ অনাগত কৰ্ম জীৱনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে ২০২২ চনৰ আগষ্ট মাহত গেলেকী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে দায়িত্বভাৰ লৈছিল অভিজিত কোঁৰবে। দায়িত্বভাৰ গ্ৰহণ কৰা দিনৰে পৰা ২০২৫ চনৰ আগষ্ট মাহলৈকে বিভিন্ন ক্ষেত্ৰত তাৎ বাবে বিষয়াগৰাকী সকলোৰে যথেষ্ট প্ৰিয় হৈ পৰিল। জেষ্ঠৰ পৰা কনিষ্ঠ জনৰেপৰে সকলোৱে বিষয়াগৰাকীৰ এই বদলিকৰণৰ বাবে দুখ প্ৰকাশ কৰিছে। অভিজিত কোঁৰবে যিদবে অপবাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছিল ঠিক সেইদবে সাধাৰণ জনতাৰ বাবেও যথেষ্ট সম্মান প্ৰদৰ্শন কৰিছিল। যাৰ বাবে আজি এনেদবে দল সংগঠনৰ লগতে সাধাৰণ ৰাইজে গেলেকী থানাৰ পৰা বিদায় লোৱাৰ ক্ষণত মৰমেৰে উপচাই দিছে। আজি বৃহস্পতি সন্ধ্যাৰে সমগ্ৰ দেশতে অনুষ্ঠিত হ'বলগীয়া বাষ্ট্ৰীয় লোক আদালতৰ অংশস্বৰূপে তিনিচুকীয়া জিলা আৰক্ষ সত্ৰ ন্যায়াধীশৰ আদালত চৌহদ আৰু আগবঢ়োৱা সেৰাৰ বাবে সন্মান জনাই। লগতে আৰক্ষী বিষয়াদুগৰাকী ভবিষ্যতে অসমৰ ভিতৰতে এগৰাকী শ্ৰেষ্ঠ আৰক্ষী বিষয়া হোৱাৰ বাবে কামনা কৰে। বৃহস্পতি গেলেকী সুবহা মঞ্চৰ এই অনুষ্ঠানত উপস্থিত আছিল উপদেষ্টা গেলেকী ৰত্ন সুৰেশ চেতিয়া, বেকিবুল ছছেইন, ৰবীন বৰঠাকুৰ, ৰাহিদ আলী সভাপতি জিতু গগৈ সম্পাদক হেমন্ত গগৈ।

১৩ ছেপ্টেম্বৰত তিনিচুকীয়া জিলাত ৰাষ্ট্ৰীয় লোক আদালত

ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৮ আগষ্ট ঃ ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত অহা ১৩ ছেপ্টেম্বৰ, দ্বিতীয় শনিবাৰে সমগ্ৰ দেশতে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতৰ অংশস্বৰূপে তিনিচুকীয়া জিলা আৰক্ষ সত্ৰ ন্যায়াধীশৰ আদালত চৌহদ আৰু লগতে শদিয়াৰ চপাখোৱা মহকুমা ন্যায়িক দণ্ডাধীশৰ আদালত আৰু মাৰ্ঘেৰিটা ন্যায়িক আদালত ভৱনৰ প্ৰাঙ্গণতো ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হব। পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া উক্ত লোক আদালততে দেৱানী, আপোচযোগ্য ফৌজদাৰী, মটৰ দুৰ্ঘটনা সংক্ৰান্তিয় বাভহ, বৈবাহিক সম্বন্ধীয় গোচৰ, এন আই এক্টৰ অধীনৰ গোচৰ, বিদ্যুৎ বিভাগৰ বিল সম্পৰ্কীয় আপত্তি, বি.এছ.এন.এল ৰ বিল সম্পৰ্কীয় আপত্তিআৰু বেংকৰ লোন সম্পৰ্কীয় ওজৰ-আপত্তি নিষ্পত্তি কৰা হ'ব। উল্লেখ্য যে, লোক আদালতত আইনৰ দীঘলীয়া প্ৰক্ৰিয়া বাদ দি এবা-ধৰাৰ ভবিয়তে খৰচবিহীনভাবে তাৎক্ষণিক গোচৰ নিষ্পত্তি কৰিব পাৰি। লোক আদালতৰ বাহ আপীল অযোগ্য আৰু দেশৰ প্ৰতিজন নাগৰিকৰে খৰতকীয়া, বিনামূলীয়া আৰু প্ৰকৃত ন্যায় পোৱাৰ অধিকাৰ আছে। অধিক তথ্যৰ বাবে জিলা আইন সেৱা প্ৰাধিকৰণ, তিনিচুকীয়া, আদালত টৌহদ,ৰবগুৰি-৭৮৬১২৬ তই-মেইল (dlsatinsukia@gmail.com) যোগে অথবা ফোন (৬৯০১২-৮৩৬৮৭) যোগে যোগাযোগ কৰিব পাৰি বুলি তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণ সচিবে জনাইছে।

মহিলা আৰু শিশু উন্নয়ন প্ৰকল্প মাজুলী বিভাগৰ উদ্যোগত ২১ গৰাকী কৰ্মী সহায়িকাৰ অৱসৰকালীন বিদায় সম্বৰ্ধনা

অসম বার্তা, উজনী মাজুলী, ২৮ আগষ্ট ঃ মহিলা আৰু শিশু উন্নয়ন প্ৰকল্প মাজুলী বিভাগৰ উদ্যোগত জিলা খনৰ অৱসৰ গ্ৰহণ কৰা অংগনৱাৰী কেন্দ্ৰৰ ১৭ গৰাকী কৰ্মী আৰু ৪ গৰাকী সহায়িকাৰ অৱসৰকালীন বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সেই উপলক্ষে আজি এই ১১ বজাত কাৰ্যালয়ত অনুষ্ঠিত হোৱা বিদায় সম্বৰ্ধনা সভাৰ আত ধৰে বিভাগৰ জ্যেষ্ঠ চুপাৰভাইজাৰ আবতি ডেকাই। সভাত মাজুলী জিলা সাংবাদিক সম্ভাৰ প্ৰাক্তন সম্পাদক দীপু বৰাই অৱসৰ গ্ৰহণ কৰা অংগণৱাৰী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকা সকলৰ অৱদান সুঁৱৰি বিভাগৰ তৰফৰ পৰা বিদায় সম্বৰ্ধনা জনোৱা কাৰই ভবিষ্যতৰ দিনত সমাজৰ কাম কৰিবলৈ অধিক উৎসাহিত কৰে বুলি উল্লেখ কৰে। সভাত চুপাৰভাইজাৰ জ্যোতি বাৰ্ষিক, বিভাগৰ কৰ্মচাৰী বিলীন ভূঞা, যদুমণি বাজগুৰুয়ে কৰ্মী আৰু সহায়িকা সকলৰ মাজত গড়ি উঠা আত্মিক সম্পৰ্ক আজীবন মনত বাখিব বুলি জানিবলৈ দিয়ে। বিভাগৰ কৰ্মচাৰী সকল উপস্থিত থাকে।

কণকলতা ভূঞা, দক্ষিণ পাট কৈবৰ্ত কেন্দ্ৰৰ কণকলতা দাস, মলাপিদ্ধা কেন্দ্ৰৰ হেমপ্ৰভা দাস, মিজামৰা কেন্দ্ৰৰ বিচিত্ৰা চুন্দাও, কুলামুৱা কেন্দ্ৰৰ বিমলতা পায়েঙ, এৰি চাপৰি কেন্দ্ৰৰ বুলি দাস, পতিয়া কেন্দ্ৰৰ নিভা শইকীয়া, কমলপুৰ কেন্দ্ৰৰ ৰঞ্জুলা বৰুৱা, মোহনপুৰ মটীয়াৰাৰী কেন্দ্ৰৰ দীপ্তি শইকীয়া, ৰবগাঁওৰ কেন্দ্ৰৰ টোল পাহাৰী, সহায়িকা পদৰ পৰা অৱসৰ গ্ৰহণ কৰা বুঢ়া চাপৰি হাজৰিকা, নাম সোণোৱাল কেন্দ্ৰৰ বীতা ৰবা, পোহৰদিয়া কেন্দ্ৰৰ ৰশ্মি ৰেখা শইকীয়াই, মুলৰাল কেন্দ্ৰৰ বীনা দলে, উজীৰ আটী সাদৰি শইকীয়াই, উজনি চিলাকন্দা কেন্দ্ৰৰ যশোদা হাজৰিকা, কাকৰিকাতা কেন্দ্ৰৰ কেনিয়া দাস, পঙমৰা কেন্দ্ৰৰ কেন্দ্ৰৰ টিলা পাহাৰী, সহায়িকা পদৰ পৰা অৱসৰ গ্ৰহণ কৰা বুঢ়া চাপৰি হাজৰিকা, নাম সোণোৱাল কেন্দ্ৰৰ বীতা ৰবা, পোহৰদিয়া কেন্দ্ৰৰ ৰশ্মি ৰেখা শইকীয়াই, মুলৰাল কেন্দ্ৰৰ বীনা দলে, উজীৰ আটী সাদৰি শইকীয়াই, উজনি চিলাকন্দা কেন্দ্ৰৰ যশোদা হাজৰিকা, কাকৰিকাতা কেন্দ্ৰৰ কেনিয়া দাস, পঙমৰা কেন্দ্ৰৰ কৰ্মচাৰী সকল উপস্থিত থাকে।

ষষ্ঠ স্থান দখলেৰে কঢ়িয়াই আনিলে সুনাম

মৈৰাবাৰী মহাবিদ্যালয়ৰ আৰবী বিভাগৰ ছাত্ৰ হাফিজুল ইছলামৰ কৃতিত্ব

অসম বার্তা, মৈৰাবাৰী, ২৮ আগষ্ট ঃ মৰিগাঁও জিলাৰ মৈৰাবাৰী মহাবিদ্যালয়ৰ আৰবী বিভাগৰ ছাত্ৰ হাফিজুল ইছলামে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰবী বিষয়ত অনুষ্ঠিত স্নাতক পৰীক্ষাত ষষ্ঠ স্থান লাভ কৰি মহাবিদ্যালয় তথা অঞ্চলৰ নাম উজ্জ্বল কৰিছে। হাফিজুলে মুঠ ৮.৭৬ CGPA নম্বৰ লাভ কৰে। এই কৃতিত্ব বাবে মৈৰাবাৰী মহাবিদ্যালয়ৰ আৰবী বিভাগৰ তৰফৰ ছাত্ৰ গৰাকীক এক সম্বৰ্ধনা অনুষ্ঠানৰ দ্বাৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটোৰ সভাপতিত্ব কৰে আৰবী বিভাগৰ মুৰব্বী অধ্যাপক ড° আনিছুৰ ৰহমান মুন্সাই। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিয়াজুল হক। লগতে উপস্থিত থাকে অধ্যাপক ড° মইনুল হক খান, ড° ছাদিকুল ইছলাম, ড° হুফিকুল ইছলাম, মলিল উদ্দীন আহমেদ, ড° আব্দুল লতিফ আনচাৰীৰ লগতে অন্যান্য অধ্যাপক/অধ্যাপিকা আৰু বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰী। অনুষ্ঠানত বক্তাসকলে হাফিজুল ইছলামৰ এই কৃতিত্বক ভূয়সী প্ৰশংসা কৰি আগন্তুক দিনত অধ্যয়নৰ লগতে জীৱনতো সমানে সফল হোৱাৰ শুভকামনা জনায়।

কানৈ মহাবিদ্যালয়ত মানসিক স্বাস্থ্য সম্পৰ্কীয় সজাগতা আৰু বক্তৃতানুষ্ঠান

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৮ আগষ্ট ঃ 'মানসিক সুস্থতাৰ সূচক হৈছে ব্যক্তি নিজে আৰু চৰ্তুদিশৰ বাতাবৰণ'-ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় হনুমানৰ' সুবজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত)- নৈতিক শিক্ষা অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত, দৰ্শন আৰু সংস্কৃত বিভাগৰ সহযোগত আয়োজন কৰা মানসিক স্বাস্থ্য সম্পৰ্কীয় সজাগতা আৰু বক্তৃতানুষ্ঠানত সমলবাদ্যি হিচাপে উপস্থিত থাকি অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক তথা অৰ্থীক্ষক ডাঃ ধ্ৰুবজ্যোতি ভূঞাই এইদৰে কয়। ডাঃ ভূঞাই কয় ছাত্ৰ-ছাত্ৰীৰ মানসিক স্বাস্থ্য উৎকৰ্ষ সাধনৰ বাবে দৈনিক দিনপঞ্জীৰ সঠিক ক্ৰপায়ণ, পৰ্যাপ্ত টোপনি, উপযুক্ত খাদ্যাভ্যাস লগতে সঠিক বিনোদনৰ অতি প্ৰয়োজন। ডাঃ ভূঞাই লগতে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন মানসিক চাপৰ কাৰকসমূহ নিবাবণ আৰু প্ৰ

সম্পাদকীয়

নেতৃত্বৰ বিপথগামিতা আৰু দলীয় সংকট

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শাহৰ দুদিনীয়া অসম যাত্ৰাই ৰাজ্যখনৰ ৰাজনৈতিক পৰিবেশত নতুন উত্তেজনা সৃষ্টি কৰিছে। ২৯ আগষ্টত গুৱাহাটীত উপস্থিত হৈ তেওঁ বিজেপিৰ '২৬ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ আৰম্ভণি কৰে। এনডিএৰ পঞ্চায়ত প্ৰতিনিধি সন্মিলনত ভাষণ দি তেওঁ কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি কয় যে অসমক পাকিস্তান অমপৰাকী নেতাসকলৰ দ্বাৰা পৰিচালিত কৰিব নোৱাৰে। তেওঁৰ ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১৫ আগষ্টত ঘোষিত 'ডেমোগ্ৰাফি চেঞ্জ মিছন'ৰ উল্লেখ কৰি কয় যে এই মিছনে অসমত অনুপ্ৰবেশকাৰীসকলক চিনাক্ত কৰি ৰাজ্যখনক সম্পূৰ্ণকপে অনুপ্ৰবেশকাৰী-মুক্ত কৰিব। তেওঁ দাবী কৰে যে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ই তিমধ্যে ১ লাখ ১৯ হাজাৰ ৫৪৮ একৰ ভূমি অনুপ্ৰবেশকাৰীৰ পৰা মুক্ত কৰিছে, য'ত সম্পন্নকলৰ পবিত্ৰ ভূমিও অন্তৰ্ভুক্ত। ইয়াৰ উপৰিও তেওঁ প্ৰতিশ্ৰুতি দিয়ে যে বিজেপিৰ দশক পুৰণি প্ৰতিশ্ৰুতি অনুসৰি অসম আৰু সমগ্ৰ ভাৰতক অনুপ্ৰবেশকাৰী-মুক্ত কৰা হ'ব। শাহে পূৰ্বে মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্মশতবাৰ্ষিকী উদযাপনত অংশ লৈ তেওঁক অসম আন্দোলনৰ নায়ক হিচাপে স্মৰণ কৰে আৰু কয় যে বৰবৰাই আজি অনুপ্ৰবেশৰ বিৰুদ্ধে যুঁজ দিলেহেঁতেন। তেওঁ ৰাজভৱনৰ নতুন ব্ৰহ্মপুত্ৰ উইং উদ্বোধন কৰি অসমৰ উন্নয়নক লৈ গৌৰব কৰে, যেনে ভাবতৰ সৰ্বদুই অতিচৰিয়াম, দীৰ্ঘতম বেল-ৰোড সেতু আৰু চেমিকণ্ডাক্টৰ প্ৰান্তী এই ঘোষণাসমূহে বিজেপিৰ ৰাজনৈতিক এজেণ্ডাক শক্তিশালী কৰিছে, বিশেষকৈ অনুপ্ৰবেশ আৰু অসমীয়া পৰিচয়ৰ সুৰক্ষাৰ ওপৰত। তেওঁ কংগ্ৰেছক 'অনুপ্ৰবেশকাৰী সুৰক্ষা যাত্ৰা'ৰ অভিযোগ দি কয় যে কংগ্ৰেছে অসমৰ জাতি, মাটি আৰু ভেটিক বিপন্ন কৰিছে। কিন্তু এই যাত্ৰাত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত শাহৰ মৌনতাই প্ৰশ্ন উথাপন কৰিছে। অসমৰ ছয়টা সম্প্ৰদায়—মৰাণ, মটক, টাই আহোম, চুতিয়া, কোচ ৰাজবংশী আৰু চাহ জাতিৰ জনজাতিকৰণৰ দাবী দীৰ্ঘদিনৰ পৰা উত্থাপিত

বিষয়ত শাহৰ তেওঁৰ মৌন। ইয়াৰ ফলত এই সম্প্ৰদায়সমূহৰ মাজত অসন্তোষ বাঢ়িছে, যিহেতু ST স্থিতিৰ অভাবত তেওঁলোকে সংৰক্ষণ আৰু সুৰক্ষাৰ সুবিধাৰ পৰা বঞ্চিত হৈ আছে। একেদৰে ষষ্ঠ অনুসূচিৰ অধীনত অসমৰ স্বায়ত্তশাসিত অঞ্চলসমূহৰ উন্নয়ন আৰু সংশোধনৰ বিষয়তো কোনো ঘোষণা কৰা নাই, যিটো অসমৰ পাহাৰীয়া অঞ্চলৰ জনগোষ্ঠীসমূহৰ বাবে জৰুৰী। এনআৰচি (NRC) বিষয়তো শাহ মৌন। ২০১৯ চনত প্ৰকাশিত এনআৰচিৰ তালিকাত লক্ষাধিক লোক বাদ পৰিছে, আৰু ইয়াৰ সঠিকতা লৈ বিতৰ্ক চলি আছে। বাংলাদেশী অনুপ্ৰবেশকাৰীৰ বিষয়ত সাধাৰণভাৱে কোৱা হৈছে যদিও সুনিৰ্দিষ্ট পদক্ষেপ যেনে সীমান্ত সুৰক্ষা বা প্ৰত্যৰ্পণৰ নীতিৰ উল্লেখ নাই। এই মৌনতাই অসমবাসীৰ মাজত সন্দেহ সৃষ্টি কৰিছে— যে অনুপ্ৰবেশৰ বিৰুদ্ধে কঠোৰ কথা কেবল নিৰ্বাচনী বগকৌশল নেকি? শাহৰ যাত্ৰাই অসমত বিজেপিৰ ভেটি শক্তিশালী কৰিছে, কিন্তু মৌনতাই দেখুৱাইছে যে কিছুমান পুৰণি দাবী এতিয়াও অমীমাংসিত। অসমৰ জনতাই প্ৰতিশ্ৰুতিৰ সলনি কাৰ্যকৰী পদক্ষেপ বিচাৰে। ২০২৬ নিৰ্বাচনত এই বিষয়সমূহে নিৰ্ণায়ক ভূমিকা ল'ব পাৰে। অসমৰ ভবিষ্যত সুৰক্ষিত কৰিবলৈ ৰাজনৈতিক দলসমূহে মাত্ৰ কথা নহয়, কৰ্মৰ প্ৰয়োজন।

অগপৰ ছন্দপতন

আঞ্চলিকতাৰ পৰা সুবিধাবাদলৈ

ৰমেশ চন্দ্ৰ বৰদলৈ

অসমৰ ৰাজনৈতিক পৰিদৃশ্যত এটা নতুন বিতৰ্কই শেহতীয়াকৈ মূৰ লৈছিল। গুৱাহাটী মহানগৰীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শাহৰ আগমন উপলক্ষে লগোৱা হৰ্ডিং সমূহে সকলোকে দৃষ্টি আকৰ্ষণ কৰিছিল। বিশেষকৈ জি এছ ৰোডত লগোৱা কেইখনমান হৰ্ডিঙত অসম গণ পৰিষদ (অগপ)ৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৰ মহন্তৰ ফটো বিজেপিৰ পদুম ফুল চিহ্নৰ তলত জিলিকিছিল। অগপৰ হাতী চিহ্নৰ কোনো উল্লেখ নাছিল। এই ঘটনাই প্ৰশ্ন উত্থাপন কৰিছিল যে হাতী এটি পদুমলৈ মন মেলিলে নেকি দুই নেতাই? দলৰ ভিতৰচাঁ আৰু সামাজিক মাধ্যমত এই বিষয়ে তীব্ৰ চৰ্চা চলে। অগপৰ মুখপাত্ৰ কস্তুৰী চুতীয়াই কয় যে এইটো এনডিএৰ অংশ হিচাপে স্বাভাৱিক, কোনো ডাঙৰ কথা নহয়। কিন্তু এই ঘটনাই অগপৰ আঞ্চলিক আদৰ্শৰ পৰা বিচ্যুতিৰ ইংগিত দিয়ে, যি দলৰ জন্মৰ পৰাই জাতীয় আবেগৰ সৈতে জড়িত।

অগপৰ জন্ম হৈছিল অসম আন্দোলনৰ পৰিপ্ৰেক্ষিতত। ১৯৮৫ চনৰ ১৫ আগষ্টত স্বাক্ষৰিত অসম চুক্তিয়ে আন্দোলনৰ অন্ত ঘটাইছিল। দিল্লীত চুক্তিয়াৰ প্ৰধানমন্ত্ৰী ৰাজীব গান্ধীৰ সৈতে আছু নেতৃত্বই চুক্তিত স্বাক্ষৰ কৰিছিল। তাৰ পিছত, ১৯৮৫ চনৰ ১৩-১৪ অক্টোবৰত গোলাঘাটত অনুষ্ঠিত সমাৰৰ্তনত অগপ গঠন হৈছিল। আছুৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্তই অগপৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰিছিল। অসম জাতীয়তাবাদী দল আৰু পূৰ্বাঞ্চল লোক পৰিষদ যোগ হিছিল। ১৯৮৫ চনৰ ডিচেম্বৰ নিৰ্বাচনত ১২৬খন আসনৰ ভিতৰত ৬৭খন জয় কৰি চৰকাৰ গঠন কৰে। পুনৰ ১৯৯৬ত বিজেপিৰ সৈতে জোঁট চৰকাৰ গঠন কৰে। পৰবৰ্তী সময়ত ইউনাইটেড ফ্ৰন্টত বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মহিৱাম শইকীয়া কেন্দ্ৰীয় মন্ত্ৰী হৈছিল।

দলটোৱে অসমৰ বাইজৰ বহু প্ৰতিশ্ৰুতি দিছিল — বাংলাদেশী অনুপ্ৰবেশ বন্ধ, ঘিলঞ্জীয়া অধিকাৰ সুৰক্ষা। কিন্তু ক্ষমতাৰ ধকত দলটোৰ মাজত খোৱা-কামোৱা আৰু বিভাজন ঘটিল। প্ৰথম বিভাজন ১৯৯১ত, যেতিয়া বিভূতি কুমাৰ ফুকন আৰু দীনেশ গোস্বামীলে নতুন অসম গণ পৰিষদ গঠন কৰে। দ্বিতীয় বিভাজন ঘটে ১৯৯৬ত, যেতিয়া অতুল বৰা (জোষ্ঠ) আৰু পুলকেশ বৰুৱাই তৃণমূল গণ পৰিষদ গঠন কৰে। তৃতীয় বিভাজন ২০০৫ত, যেতিয়া প্ৰফুল্ল মহন্তক বৰ্ষাস্ত কৰি তেওঁ অগপ (প্ৰগতিশীল) গঠন কৰে। গুপ্তহত্যা, স্বজনপ্ৰীতি আৰু পৰিয়ালকেন্দ্ৰিক ৰাজনীতিৰ অভিযোগ উঠিছিল মহন্তৰ বিৰুদ্ধে। আৰু পৰবৰ্তী সময়ত ২০০৮ত পুনৰ একত্ৰিত হয়। সৰ্বানন্দ সোণোৱালেও ২০১১ত অগপ এৰি বিজেপিত যোগ দিয়ে।

৮৫ জন শ্ৰদ্ধেয় ত্যাগৰ সৈতে জড়িত অগপৰ বিজেপিৰ সৈতে সম্পৰ্ক এটা পৰ্যায়ত জোটৰ ৰূপ লৈছিল। ১৯৯৬ত প্ৰথম জোট, তাৰ পিছত ২০১৬ত এনডিএত যোগ দি বিজেপি-বিপিএফ-অগপ জোটে চৰকাৰ গঠন কৰে। অতুল বৰা আৰু কেশৰ মহন্ত মন্ত্ৰী হয়, আৰু পিছলৈ ফণীভূষণ চৌধুৰীও। কিন্তু নাগৰিকত্ব সংশোধনী বিধেয়ক (ক্য)ক লৈ ২০১৯ত জোট ভাঙে আৰু অগপই ৭ জানুৱাৰীত মিত্ৰতা ভংগ ঘোষণা কৰে লগতে মন্ত্ৰীসকলেও পদত্যাগ কৰে। কিন্তু নিৰ্বাচনৰ পূৰ্বে পুনৰ জোট গঠন কৰে, যিটোৱে তৃণমূল কমীঁৰ ক্ষোভ বঢ়াইছিল।

বৰ্তমান অগপৰ ভুলসমূহ পৰ্যবেক্ষণ কৰিলে দেখা যায় যে দলটোৱে আঞ্চলিকতাৰ আদর্শ ত্যাগ কৰি সুবিধাবাদী হৈ পৰিছে। বিজেপিৰ সৈতে জোট থকাৰ বাবে অগপৰ স্বতন্ত্ৰতা হেৰাই গৈছে, উদাহৰণ হৰ্ডিং ঘটনাই। '২৬ৰ নিৰ্বাচনৰ পূৰ্বেও অভ্যন্তৰীণ বিবাদ চলিছে — অতুল বৰাই কৈছে যে বিভেদ স্বাভাৱিক, কিন্তু তৃণমূল কমীসকলে '২৬ নিৰ্বাচনত আৰু আসনৰ দাবী কৰিছে। ২০২১ত ২৯খন আসনত প্ৰতিদ্বন্দ্বিতা কৰি ৯খন জয় কৰিছিল, কিন্তু এতিয়া বিজেপিৰ ছাঁত থকাৰ বাবে দলটোৰ অস্তিত্ব সংকটত। জনকল্যাণৰ আঁচনি নোহোৱাকৈ কেৱল বিজেপিৰ সৈতে জোটত মনোনিবেশ কৰিছে, যিটোৱে জনসাধাৰণৰ আস্থা হেৰুৱাইছে।

জনসাধাৰণৰ আস্থা হেৰুৱাৰ কাৰণ বহু। অগপৰ জন্মৰ সময়ত ঘিলঞ্জীয়া আৰু মধ্যবিত্তৰ অকুণ্ঠ সমৰ্থন আছিল — ১৯৮৫ নিৰ্বাচনত ৮০য়া ভোটদান হৈছিল। কিন্তু বিভাজন, নেতৃত্বৰ বিফলতা আৰু ক্ষমতাকেন্দ্ৰিকতাই এই আস্থা নাই কিয়া কৰিছে। দলটোৰে জনসমস্যা বিধানসভাত শক্তিশালীকৈ উত্থাপন কৰাত ব্যৰ্থ। ভোটবেংক বিভাজিত হৈছে, আৰু অসমীয়া মানুহৰ ভোটদানৰ আনিহই দলটোৰ পতনত ভূমিকা লৈছে।

তৃণমূল কমীঁৰ ক্ষোভ তীব্ৰ। 'কা'ৰ সময়ত প্ৰতিবাদ কৰিছিল, কিন্তু বিজেপিৰ সৈতে পুনৰ জোটে কমীসকলক ক্ষুব্ধ কৰিছে।' '২৬নিৰ্বাচনত আসন দাবী কৰাটো বাদেই কিছুবে প্ৰাৰ্থীও ঘোষণা কৰিবলেও আৰম্ভ কৰিছে। বিজেপিৰ সৈতে "family dispute" বুলি ডাউনপে- কৰা হৈছে, কিন্তু উজনি অসমত আভাস্তৰীণ অসন্তোষ স্পষ্টকৈ ফুটি উঠিছে। কমীসকলে দলৰ আদর্শ ত্যাগ বুলি অনুভৱ কৰিছে, যিটোৱে দলটোক ফাট মেলাৰ ভাবুকি দিছে।

শীর্ষ নেতাৰ বিলাসী জীৱনশৈলী (ৰাজ আতিথ্য জীৱন) অগপৰ অভ্যন্তৰীণ সমস্যাৰ অংশ। প্ৰফুল্ল মহন্তৰ সময়ত দুৰ্নীতি, গুপ্তহত্যা আৰু স্বজনপ্ৰীতিৰ অভিযোগ উঠিছিল, যিটোৱে দলটোৰ ইমেজ নষ্ট কৰিছিল। বৰ্তমান নেতাসকল যেনে অতুল বৰা আৰু কেশৰ মহন্ত মন্ত্ৰী হিচাপে থকাৰ বাবে ক্ষমতাৰ অপব্যহাৰৰ অভিযোগ বহু। ১৯৮৫তো অগপ চৰকাৰক দুৰ্নীতিগ্ৰস্ত বুলি কোৱা হৈছিল, যিটোৱে জনসাধাৰণৰ আস্থা হেৰুৱাইছিল। এই নেতাসকলে বিজেপিৰ সৈতে জোটত থকাৰ বাবে ব্যক্তিগত লাভৰ অভিযোগ উঠিছে, যিটোৱে তৃণমূল কমীঁৰ ক্ষোভ বঢ়াইছে।

অগপ এনে এটা দল যিয়ে আঞ্চলিক শক্তিক ৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ গৈছিল, কিন্তু নেতৃত্বৰ বিফলতাই ইয়াক দুৰ্বল কৰিছে। বৰ্তমান ভাবতৰ অন্য ৰাজ্যত আঞ্চলিক দলসমূহ শক্তিশালী হৈ উঠিছে, কিন্তু অগপৰ ছন্দপতন চিন্তনীয়। অসমৰ সমস্যাজৰ্জৰ সমাজত শক্তিশালী আঞ্চলিক দলৰ প্ৰয়োজন আছে, যাতে ৰাষ্ট্ৰীয় দলৰ সাম্প্ৰদায়িকতাৰ বিষবাষ্পৰ পৰা ৰক্ষা পোৱা যায়। কংগ্ৰেছৰ বিকল্প হিচাপে নতুন আঞ্চলিক দলৰ উত্থানৰ সম্ভাবনা আছে, কিন্তু অগপে যদি আত্মশুদ্ধি ঘটিব নাপায়ে, তেন্তে ইয়াৰ অস্তিত্ব যে সংকটত পৰিব সেইয়া নিশ্চিত।

বেশ্যা বৃত্তি আৰু আজিৰ শিক্ষিত সমাজ

নুৰল আমিন সৰকাৰ

যি সময়ত আমাৰ দেশৰ ছোৱালীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰি দেশ বিদেশৰ লগতে নাছাৰ দৰে বহু বৈজ্ঞানিক গৱেষণা কেন্দ্ৰত যোগদান কৰি হেজাৰ হেজাৰ তথ্য আৰিষ্কাৰৰ কৰি মহাকাশচাৰী দৰে সুনাম অৰ্জন কৰি বাতৰি কাকতৰ শিৰোনাম দখল কৰিবলৈ সক্ষম হৈছে তেনে ক্ষেত্ৰত নতুন নাম অসমত আৰিষ্কাৰ হ'ল- 'বেশ্যা'। অতি দুৰ্ভাগ্যজনক নাম য'ত কলেজিয়া ছাত্ৰীৰ নাম সাঙৰ খোৱা পৰিলক্ষিত হৈছে। আমাৰ অসমীয়া বা ভাৰতীয় সমাজত এটা অতি লজ্জা জনক নিকৃষ্ট নাম। ইয়াৰ অর্থ হ'ল - এক শ্ৰেণীৰ দুষ্কৃতিকাৰিয়ে কিছুমান ছোৱালীক টকা পইচাৰ প্ৰলোভন দি টকাৰ বিনিময়ত দেহ ব্যবসায় বা বেশ্যা বৃত্তিত জড়িত কৰি অবৈধ ভাবে অইন পুৰুষৰ লগত যৌন কার্যত লিপ্ত কৰা এক ঘৃণনীয় কার্য্য। কিছুমান হোটেল মালিকে সহজ উপায়েৰে টকা উপার্জন কৰা নিমিত্ত অসামাজিক কাম বা ব্যবসায়। ইয়াৰ ফলত আমাৰ সমাজত কু-প্ৰভাৱৰ লগতে মাৰাত্মক ৰোগৰ সংক্ৰমক ৰোগৰে ইজনৰ পৰা আন জনৰ দেহলৈ বিয়পাই বহু মানুহক মৃত্যুৰ মুখত ঠেলি দিয়ে এইসকল দেহ ব্যবসায়িকে। এই ক্ষেত্ৰত দেহ ব্যবসায়িক ছোৱালী জনীও নিজেও এজন সংক্ৰমণকৃত পুৰুষৰ লগত অসুৰক্ষিত যৌন কার্যত লিপ্ত হৈ ছোৱালী জনীও বেমাৰত আক্ৰান্ত হৈ মৃত্যুৰ মুখত পৰে। এক কথাত কবলৈ গলে এইটো এটা হত্যা। এই কাম কেৱল অসামাজিক কামেই নহয় এইটো এটা আইনত দণ্ডনীয় অপৰাধ ইয়াৰ বিৰুদ্ধে বিভিন্ন দ'ল সংগঠনসকলেৰে একগোট হৈ প্ৰশাসনৰ জৰিয়তে এই নিষিদ্ধ বেশ্যা বৃত্তিৰ বিৰুদ্ধে প্ৰতিবাদ কৰা উচিত। নহ'লে উঠি অহা যুব চামৰ উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত দেহ ব্যবসায়িক সকলে চৰম ভাবুকিৰ সৃষ্টি কৰিব।

মুছলমান সমাজত মহিলাৰ স্থান - এই বেশ্যা বৃত্তিৰ লগত জড়িত মহিলা সকলক আৰু ধর্ষণ কার্যৰ লগত জড়িত পুৰুষ মহিলাক কিছুমান ইছলামীক দেশত ফাঁচি দি হত্যা কৰা দেখা যায়। আগৰ দিনত আমাৰ গাঁৱলীয়া সমাজত ল'ৰা ছোৱালীক অকলে বজাৰ বন্দৰ উৎসৱ পাৰ্বণ আদিত অকলে যাঁলৈ দিয়া নাছিল। বিশেষকৈ মুছলমান সমাজত মহিলা সকলোক বজাৰ বন্দৰতো দুৰৈ কথা স্কুল কলেজতো পঢ়া-শুনা কৰা নিষেধ কৰিছিল। এনেকি ঘৰৰ বাহিৰত গলেও মহিলা বা ছোৱালী সকলে মুৰত কাপোৰ, হিজাব নাইবা বোৰ্খা লৈ যাব লাগিছিল। কাৰণ তেওঁলোকৰ বিশ্বাস অইন পুৰুষে মুখ মণ্ডল দেখিলে পাপ হ'ব। এনেকি মুৰৰ চুলিও যাতে আনে চাব নোৱাৰে তাৰ বাবে অভিভাবক সকলে আতি কঠোৰ আছিল। ফলত মুছলমান সমাজৰ মহিলা সকলে হাজাৰ বছৰ উচ্চ শিক্ষা লোৱাটো দুৰৰ কথা নিজৰ নামটো লিখিব পৰা নাছিল। কাৰণ এটাই, ছোৱালী বোৰে স্কুল কলেজত গ'লে অসামাজিক কাম হোৱাৰ ভয়। ফলত সমাজত কু-প্ৰভাৱ পেলাব। কিন্তু অতি দুখ আৰু অনুতাপৰ বিষয় আজি কিছু দিন ধৰি আমাৰ অসমত কিছুমান "কল ৰিকডিং" কিছু সংখ্যক সাংবাদিকে ভাইৰাল কৰি বৃহৎ সংখ্যক স্কুল কলেজৰ ছাত্ৰীৰ নাম উল্লেখ নকৰি যি হাৰে সামাজিক মাধ্যমত প্ৰচাৰ চলাবলৈ আৰম্ভ কৰিছে সেই বাতৰিয়ে, হেজাৰ হেজাৰ নিৰ্দোষ ছাত্ৰীৰ শৈক্ষিক জীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। কাৰণ এই ধৰণৰ কলৰিকডিং বা ভিডিঅ' ভাইৰালে কিছু সংখ্যক অভিভাৱকক নিজৰ ছোৱালীক উচ্চ শিক্ষা দিয়াত সন্দেহৰ সৃষ্টি কৰিব আৰু বহু অভিভাৱকে হোষ্টেলত থৈ ছোৱালীক পঢ়া শুনা কৰিবলৈ অনিশ্চা প্ৰকাশ কৰিব। ফলত বহু মেধাৱী ছাত্ৰীয়ে উচ্চ শিক্ষাৰ পৰা বঞ্চিত হব। এনেকি যিসকল ছাত্ৰীয়ে ইতিমধ্যে ৰাজ্য খনৰ ভিতৰত বা বাহিৰত কোনো হোষ্টেলত থাকি পঢ়া-শুনা শেষ কৰিলে বা বিষকলে ইতিমধ্যে হোষ্টেলত পঢ়ি আছে সিহঁতৰো জীৱনলৈ এই সাংবাদিক সকলৰ কলৰিকডিং ভিডিঅ'ই উচ্চ শিক্ষাৰ ক্ষেত্ৰত ভাবুকিৰ সৃষ্টি কৰিলে। মুঠতে এই বিলাক ভাইৰাল ভিডিঅ' বা কল ৰিকডিংয়ে অভিভাৱক সকল লৈ নিজৰ ছোৱালীৰ প্ৰতি এটা ডৰ অবিশ্বাস্যৰ সৃষ্টি কৰিলে।

মোৰ লিখাৰ উদ্দেশ্য সাংবাদিক সকলৰ কলমক বাধা দিয়া বা অবৰকাৰী নিউজ বুলি আখা দিয়া নহয়। সাংবাদিক সকলে নিউজ কৰক কিন্তু যি হাৰে সামাজিক মাধ্যমত কলেজিয়া ছাত্ৰীৰ বিৰুদ্ধে অভিযোগ আনা হৈছে সেয়া অশোভনীয় আৰু মহিলা সকলৰ শৈক্ষিক ক্ষেত্ৰত ভাবুকিৰ স্বৰূপ। কাৰণ সকলো কলেজিয়া ছাত্ৰীয়ে দেহ ব্যবসায়িৰ সৈতে জড়িত নহয়। যদি দুই এজনে এনে অসামাজিক কামত লিপ্ত হৈছে সিহঁতৰ বিৰুদ্ধে অভিযোগ দাখিল কৰি আইনীভাবে শাস্তি দিলে বহিৰে বেয়াৰ বিপৰীতে ভালেহে পাব লগতে নিৰ্দোষ কলেজিয়া ছাত্ৰীসকলে সগৌৰবে পঢ়া শুনা কৰি দেশৰ উন্নয়নৰ লগতে অসমৰ নাম উজলাই তুলিবলৈ সক্ষম হব আৰু পিতৃ মাতৃ সকলেও ছোৱালী সকলোক উচ্চশিক্ষাৰ বাবে বাহিৰত পঠাবলৈ সংকোচ নকৰিব ফলত আমাৰ দেশত মহিলা শিক্ষা পূৰ্বৰ তুলনাত বহু গুনে বৃদ্ধি পাব। সচৌ শেষত এই খাটনাৰ বাবে অসমৰ মাননিয় মুখ্যমন্ত্ৰী মহোদয়ে হোটেল বিলাকত এটা তদন্ত চলাই এনে অনৈতিক কার্যাৰ লগত জড়িত সকলোক শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰি এক সুন্দৰ আৰু সুস্থিৰ বৰ অসম গঢ়ি তোলাত এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব বুলি অনুৰোধ জনালোঁ। জয় আই অসম।

অসমীয়া ভাষাৰ স্বকীয়তাৰ প্ৰতি হিন্দীৰ প্ৰভাৱ

যুৱপ্ৰজন্মৰ ভূমিকা আৰু ভৱিষ্যতৰ প্ৰত্যাহ্বান

চন্দন কুমাৰ নাথ

অসমীয়া ভাষা, যি আমাৰ পৰিচয়ৰ এক গুৰুত্বপূৰ্ণ অংশ, সহস্ৰাব্দৰ ইতিহাসেৰে গঢ়ি উঠা এটা সমৃদ্ধ ভাষা। এই ভাষাৰ মাধ্যমেৰে আমাৰ পূৰ্বপুৰুষসকলে নিজৰ চিন্তা-চর্চা, সংস্কৃতি, আৰু জীৱন দৰ্শনৰ প্ৰকাশ ঘটাইছিল। কিন্তু বৰ্তমানৰ দ্ৰুততাতিয়ে সলনি হোৱা বিশ্বায়নৰ যুগত অসমীয়া ভাষাৰ প্ৰতি আমাৰ নতুন প্ৰজন্মৰ দৃষ্টিভংগী সলনি হৈছে। বিশেষকৈ যুৱপ্ৰজন্মৰ মাজত হিন্দী ভাষাৰ ব্যৱহাৰৰ প্ৰভাৱ ক্ৰমশঃ বৃদ্ধি পাইছে, যিয়ে অসমীয়া ভাষা আৰু সংস্কৃতিৰ ওপৰত এক প্ৰকাৰৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। এই পৰিঘটনাই অসমীয়া ভাষাৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে নেকি, নে এয়া কেৱল ভাষিক পৰিবৰ্তনৰ এক স্বাভাৱিক প্ৰক্ৰিয়া? এই প্ৰশ্নই আজি অসমীয়া সমাজৰ মাজত এক তীব্ৰ বিতৰ্কৰ বিষয় হৈ পৰিছে।

অসমীয়া ভাষা কেৱল এক যোগাযোগৰ মাধ্যম নহয়; ই আমাৰ সংস্কৃতি, ঐতিহ্য আৰু ইতিহাসৰ এক জীৱন্ত দলিল। শঙ্কৰদেৱ, মাধবদেৱৰ দিনৰ পৰা আৰম্ভ কৰি জ্যোতিপ্ৰসাদ আগৰবালা, লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে মহান সাহিত্যিকসকলে এই ভাষাক সমৃদ্ধ কৰি তুলিছে। অসমীয়া ভাষাৰ সাহিত্য, গীত, নাটক, আৰু লোককথাৰ মাধ্যমেৰে আমি সমাজৰ সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক জীৱনৰ প্ৰতিফলন ঘটোঁ। এই ভাষাৰ মাধ্যমেৰে আমি আমাৰ পৰিচয়, আমাৰ মূল্যবোধ আৰু আমাৰ জীৱনৰ সৌন্দর্যক বিশ্বৰ আগত তুলি ধৰোঁ। কিন্তু আজিৰ যুবপ্ৰজন্মৰ মাজত এই ভাষাৰ প্ৰতি আগ্ৰহ হ্ৰাস পোৱাৰ লগতে হিন্দী আৰু অন্য ভাষাৰ শব্দৰ ব্যৱহাৰে অসমীয়া ভাষাৰ বিশুদ্ধতাৰ ওপৰত প্ৰভাৱ পেলাইছে। বিশ্বায়ন আৰু ডিজিটেল মাধ্যমৰ প্ৰভাৱত হিন্দী ভাষাৰ ব্যৱহাৰ অসমৰ যুৱ সমাজৰ মাজত ক্ৰমশঃ বৃদ্ধি পাইছে। হিন্দী চিনেমা, গীত, টেলিভিছল ধাৰাবাহিক, আৰু ছঁয়িয়ল মিডিয়াৰ জৰিয়তে হিন্দী শব্দ আৰু পৰিভাষা আমাৰ দৈনন্দিন কথোপকথনৰ অংশ হৈ পৰিছে। উদাহৰণস্বৰূপে, "ঠিক হৈ", "চলো", "যাৱ", "দোস্ত" আদি হিন্দী শব্দ এতিয়া অসমীয়া যুবক-যুবতীৰ মুখত সঘনাই শুনা যায়। এই শব্দবোৰৰ অসমীয়া সমাৰ্থক শব্দ যেনে "ঠিক আছে", "যাওঁ", "বন্ধু" আদিৰ ব্যৱহাৰ ক্ৰমশঃ হ্ৰাস পাইছে। অসমৰ দুখনমান জনপ্ৰিয় IAS Coaching Academy যেনে- SPM IAS Academy আৰু Career Class ত শিক্ষকে বহুতো ভুল অসমীয়া ভাষাৰ প্ৰয়োগ কৰাটো পৰিলক্ষিত হৈছে। অভিযেক লস্কৰ আৰু পুনম গাঁগৈ তেওঁলোকে লাইভ সম্প্ৰচাৰত "লাগ" শব্দটো বৰকৈ ব্যবহাৰ কৰে, যাৰ শুদ্ধ অসমীয়া হল- "কাৰ্যকৰী কৰা" বা "জাৰি কৰা।" যদি এওঁলোকেই ভুল অসমীয়া ভাষাৰ প্ৰয়োগ কৰে তেনেহ'লে তেওঁলোকৰ অন্তৰ্গত ছাত্ৰ-ছাত্ৰীসকলে অসম লোকসেৱা আয়োগৰ মেইনচ পৰীক্ষাত ভুল অসমীয়া লিখিলে তাৰ বাবে জগৰীয়া কোন হ'ব সেয়া কোটি টকীয়া প্ৰশ্ন। ইয়াৰ উপৰিও শিক্ষাৰ ক্ষেত্ৰতো হিন্দী মাধ্যমৰ স্কুলৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। অভিভাৱকসকলৰ মাজত এনে এক ধাৰণা গঢ়ি উঠিছে যে হিন্দী বা ই ংৰাজী মাধ্যমৰ শিক্ষাই সন্তানৰ ভৱিষ্যতৰ বাবে অধিক উপযোগী। ফলত অসমীয়া মাধ্যমৰ স্কুলৰ সংখ্যা হ্ৰাস পাইছে, আৰু নতুন প্ৰজন্মৰ মাজত অসমীয়া ভাষাৰ পঢ়া-শুনাৰ প্ৰতি আগ্ৰহ কমি গৈছে। এই পৰিস্থিতিয়ে অসমীয়া ভাষাৰ শিক্ষাগত ব্যাবহাৰৰ ক্ষেত্ৰতো এক ধৰণৰ সংকটৰ সৃষ্টি কৰিছে।

হিন্দী ভাষাৰ শব্দৰ ব্যাবহাৰৰ পিছৰ কাৰণসমূহৰ ভিতৰত মিডিয়াৰ প্ৰভাৱ অন্যতম। বলিউডৰ চিনেমা আৰু হিন্দী গীতৰ জনপ্ৰিয়তাই যুবক-যুবতীৰ মনত হিন্দী শব্দৰ প্ৰতি এক ধৰণৰ আকর্ষণৰ সৃষ্টি কৰিছে। ইয়াৰ উপৰিও ছঁয়িয়ল মিডিয়াৰ যুগত ইউটিউব, ইনষ্টাগ্ৰাম, আৰু টিকটকৰ দৰে প্লে-ফৰ্মত হিন্দী ভাষাৰ বিষয়বস্তুৰ প্ৰাধান্যই যুবপ্ৰজন্মৰ মাজত এই ভাষাৰ ব্যাবহাৰক উৎসাহিত কৰিছে। হিন্দী ভাষাৰ সৰলতা আৰু সৰ্বজনীন গ্ৰহণযোগ্যতাও ইয়াৰ জনপ্ৰিয়তাৰ অন্যতম কাৰণ। আন এটা গুৰুত্বপূৰ্ণ কাৰণ হ'ল অৰ্থনৈতিক আৰু সামাজিক পৰিবৰ্তন। অসমৰ যুবক-যুবতীসকলে কেৰিয়াৰ গঢ়িবলৈ দেশৰ বিভিন্ন ঠাইলৈ যাত্ৰা কৰিছে। বেংগালুৰু, দিল্লী, মুম্বাইৰ দৰে মহানগৰত হিন্দী ভাষাৰ ব্যাবহাৰ অধিক। ফলত তেওঁলোকে এই ভাষাৰ শব্দৰ সৈতে অধিক পৰিচিত হৈ পৰে আৰু সেইবোৰক নিজৰ কথোপকথনৰ অংশ হিচাপে গ্ৰহণ কৰে। ইয়াৰ উপৰিও অসমৰ ভিতৰতো হিন্দীভাষী জনগোষ্ঠীৰ সংখ্যা বৃদ্ধি পোৱাৰ ফলত অসমীয়া ভাষাৰ সৈতে হিন্দী শব্দৰ মিশ্ৰণ ঘটিছে। হিন্দী শব্দৰ ব্যাবহাৰে অসমীয়া ভাষাৰ বিশুদ্ধতাৰ ওপৰত প্ৰভাৱ পেলোৱাৰ কথা অস্বীকাৰ কৰিব নোৱাৰি।

অসমীয়া ভাষাৰ নিজা শব্দভাণ্ডাৰ অতি সমৃদ্ধ, কিন্তু হিন্দী শব্দৰ অত্যধিক ব্যাবহাৰৰ ফলত এই শব্দভাণ্ডাৰৰ ব্যাবহাৰ হ্ৰাস পাইছে। উদাহৰণস্বৰূপে, "পৰিয়াল"

▪ আপুৰুগীয়া সাংস্কৃতিক সম্পদেৰে সু-সজ্জিত যুৱকজনৰ বাসগৃহ
▪ নিজ গৃহতে গীত-ৰেকৰ্ডৰ সংগ্ৰহালয় স্থাপন মুকালমুৱাৰ পুতুল আহমেদৰ

ৰৰক্ষেত্ৰীৰ এজন যুৱকৰ ব্যতিক্ৰমী প্ৰয়াসক লৈ বৃহত্তৰ অঞ্চলটোত সৰৱ চৰ্চা

অসম বার্ত্তা, ৰৰক্ষেত্ৰী, ২৮ আগষ্ট
প্ৰযুক্তিনিৰ্ভৰ আধুনিক যান্ত্ৰিক সমাজখনক ইণ্টাৰনেটে সেৱাই সৰ্বাধিক সমৃদ্ধ কৰি যান্ত্ৰিক কৰি তুলিছে। ইউটিউব, ইনষ্টাগ্ৰাম, ফেচবুক, ৰাটচআপ, অনলাইন গেম আদিৰ প্ৰভাৱত শিশু-যুৱক-ডেকা আনকি আবাল বৃদ্ধ বনিতাও সোমাই পৰিছে। কিন্তু তাত মাজতো যেন ব্যতিক্ৰম একাংশ লোক। নলবাৰী জিলাৰ বৰক্ষেত্ৰীত দেখা গ'ল এক ব্যতিক্ৰমী পৰিবেশ। ইতিহাসক ধৰি ৰখাৰ আপ্ৰাণ চেষ্টাত এজন সাধাৰণ যুৱকৰ। এই যুৱকজনে পূৰ্ব মাটি কাঁহী ৰেকর্ড, প্লাষ্টিক কাঁহী ৰেকর্ড, ই.পি. কেছেট, চিডি আদিৰে সমৃদ্ধ কৰি তুলিছে তেওঁৰ ব্যক্তিগত প্ৰচেষ্টাৰে নিজ গৃহতে গড়ি তোলা সংগ্ৰহালয়টো। নিজৰ একক প্ৰচেষ্টাৰে এই আপুৰুগীয়া সমলসমূহ সংগ্ৰহ কৰি নিজে ঘৰতে এক সংগ্ৰহালয় গড়ি তুলিছে নলবাৰীৰ মুকালমুৱাৰ এই যুৱকজনে।

পেচাত মেকানিক হিচাপে কৰ্মৰত যুৱকজন হৈছে ৪৮ বছৰীয়া পুতুল আহমেদ। অতি ব্যস্ততাপূৰ্ণ জীৱন সংগ্ৰামৰ মাজতো এই উদাসী যুৱকজনে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা আনি নিজ গৃহতে সংৰক্ষণ কৰি ৰাখিছে বিভিন্ন ধৰণৰ পুৰণি গীতৰ ৰেকর্ডসমূহ কেছেট আৰু চিডিসমূহ। আনহে নালাগে যুৱকজনে আজিও গীত শুনে পুৰণি ৰেকর্ডৰত। যুৱকজনৰ মুখতে থাকে পুৰণি গীতৰ কথা, সুৰ, শিল্পী আদিৰ ৰেকর্ডৰ পৰ্যন্ত। প্ৰচাৰ বিমুখ যুৱকজনে জানিবলৈ দিয়া অনুসৰি ১৯৯৪-৯৫ চনৰ পৰা তেওঁ এনেধৰণেৰে সংৰক্ষণৰ কামলৈ কৰি আছিছে। যুৱকজনৰ নিজ গৃহত স্থাপনা কৰা সংগ্ৰহালয়টোত আছে পুৰণি হিন্দী গীতকে ধৰি বঙালী গীত, কথাছবিৰ গীত, লোকগীত, নগেন বৰ্মন- হবিবৰ ৰহমানৰ সেই আঠিয়া কল এটাৰ হাতীৰ সমান দাম শীৰ্ষক ৯০ ৰ দশকৰ জনপ্ৰিয় গীতসমূহো। গুহেচিক আৰু কেথানো নাথাওঁ, গুহেচিক নাম্ভাৰ, দেহবিচাৰৰ গীত, দেশভক্তি গীত আদিকে ধৰি ১৫০০-২০০০ গীতৰ ৰেকর্ড, কেছেট আৰু চিডিসমূহ। পুতুলৰ যিসমূহ সংগ্ৰহ সেয়া বৈজ্ঞানিক ব্যৱস্থাৰে ৰাখিবলৈ সক্ষম নহয় পুতুল। জীৱন জীৱিকাৰ তাগিদাত পৰি সময় আৰু অৰ্থৰ অভাৱত অসহায় যুৱকজন। ফলত পুতুলৰ এই সংগ্ৰহসমূহ কিন্তু হোৱাৰ উৰ্ধ্বক্ৰম হৈ পৰিছে। পুতুল আহমেদৰ ভাষ্য অনুসৰি সকৰে পৰাই তেওঁৰ গীত শুনাৰ প্ৰবল বাউতি আছিল। সেয়েহে, প্ৰথমে তেওঁ এটা ৰেডিঅ' কিনিছিল। তাৰ পাছত এটা কাঁহী ৰেকর্ড প্লেয়াৰ, চেপ, টিডি প্লেয়াৰ আদি সংগ্ৰহ কৰিছিল। কাঁহী ৰেকর্ড প্লেয়াৰত একেবাৰে শুদ্ধ আৰু প্ৰকৃতকপত পুৰণি গীতসমূহ শুনিব পাৰি আনন্দিত হৈছিল যুৱকজন। যুৱকজনৰ আৰ্থিক অৱস্থা কেৱল কোনোমতে ঘৰখন চলাই থাকিব পৰা বিধৰহে। সেয়েহে, চৰকাৰে বৈজ্ঞানিক পদ্ধতিৰে সংগ্ৰহসমূহ ৰখাৰ ব্যৱস্থা কৰি দিলে সহায় হ'লহেঁতেন বুলিও মন্তব্য কৰে যুৱকজনে। যুৱকজনে পুৰণি গীত শুনা বা অধ্যয়ন কৰিব খোজা লোকক তেওঁৰ এই সংগ্ৰহালয়টোলৈ আহি অধ্যয়ন কৰাৰ বাবেও আহ্বান জনাইছে।

বিভাগীয় অনুমতি নোলোৱাকৈ বিদ্যালয়ৰ সম্পত্তি বিক্ৰী কৰিলে বামুণগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকে

অসম বার্ত্তা, অভয়াপুৰী, ২৮ আগষ্ট
ঃ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত এখন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকে শিক্ষা বিভাগৰ উৰ্ধতম মহলৰ কোনো ধৰণৰ অনুমতি নোলোৱাকৈ বিদ্যালয়ৰ সা-সামগ্ৰী বিক্ৰী কৰাৰ বাতৰি পোৱা গৈছে। প্ৰাপ্ত বাতৰি মতে বঙইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত বড়িগাঁও মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত ৭৪৪ নং বামুণগাঁও প্ৰাথমিক বিদ্যালয় গৃহৰ টিনপাত সমূহ নষ্ট হৈ যোৱাত বড়িগাঁও গাঁও পঞ্চায়তৰ তৰফৰ পৰা আঠে লাখ টকীয়া এখন ৰাহি হাতত লয়। সেই আঁচনিৰ ধনৰে বিদ্যালয়খনৰ টিনপাত সমূহ সলনি কৰে। কিন্তু বিদ্যালয়খনৰ উক্ত গৃহটোৰ পূৰ্বলৈ টিনপাত সমূহৰ ভিতৰত কিছু টিনপাত নষ্ট হৈ যোৱা নাছিল আৰু কিছু কাঠ ব্যৱহাৰ যোগ্য হৈ আছিল। সেই বাবে সেই টিনপাত আৰু কাঠ সমূহ প্ৰধান শিক্ষক গৰাকীয়ে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সঁতে আলোচনা কৰা দেখুৱাই লক্ষাধিক টকাৰ সামগ্ৰী ৫০ হাজাৰ টকাত বিক্ৰী কৰি দিয়ে। বিদ্যালয় পৰিচালনা সমিতিৰ কাৰ্য বিৱৰণী বহীত এক প্ৰস্তাৱ লয় যদিও একাংশ বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যই এই সামগ্ৰী বিক্ৰী কৰাৰ কথা অৱগত নোহোৱাকৈ স্বাক্ষৰ কৰা বুলিও অভিযোগ উঠিছে। চৰকাৰী বিদ্যালয় খনৰ সামগ্ৰী বিক্ৰীৰ পূৰ্বে লোৱা নাছিল শিক্ষা বিভাগৰ উৰ্ধ্বতন কৰ্তৃপক্ষৰ অনুমতি। নিয়ম মতে চৰকাৰী এক টকাৰ সম্পত্তি বিক্ৰী কৰিবৰ বাবে হ'লেও বিভাগীয় অনুমতি লৈ ল'ব লাগে। কিন্তু সেই অনুমতি কিয় লোৱা নহ'ল সেয়া ৰহস্যময় বিষয়। তেওঁৰ এই কাৰ্যৰ বিষয়ে জানিব পাৰি সৃজনগ্ৰাম শিক্ষা খণ্ডৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৰজিত বায়নে যোৱা ৭ আগষ্টত প্ৰধান শিক্ষক জনৰ এই উদ্ধতালিৰ বিষয়ে বি ই ই অ/এছ আৰ জে/ই এছ টি/০১/৪৩৩৫ নং এক পত্ৰৰ যোগেদি জিলা শিক্ষা বিষয়াক ঘটনাটো অৱগত কৰে। ইপিনে প্ৰধান শিক্ষক গৰাকীয়ে উক্ত ৫০ হাজাৰ টকা গাঁও পঞ্চায়তে হাতত লোৱা আঠুৰ লাখ টকীয়া আঁচনিত যোগ দিছে বুলি নাঈত-নাঈত কথাবে নিজৰ গা বচাবলৈ চেষ্টা কৰিছে। মনকৰিবলগীয়া এই যে যিকোনো চৰকাৰী আঁচনি ধাৰ্য কৰাৰ সময়ত চৰকাৰী অভিষ্টাৰ দ্বাৰা প্ৰাক কলন প্ৰস্তুত কৰি সেইটো পুনৰ আন এগৰাকী চৰকাৰী অভিষ্টাৰৰ দ্বাৰা টেকনিকেল চেচ্চন কৰোৱা হয়। তাৰপাছত হে আঁচনিখন ৰূপায়ণ কৰাৰ অনুমতি প্ৰদান কৰা হয়। কিন্তু বড়িগাঁও গাঁও পঞ্চায়তে নিজাবাবীয়াকৈ সেই আচনিখনৰ প্ৰাককলন সলনি কৰাৰ অধিকাৰ ক'ত পালে নো এয়া প্ৰধান শিক্ষক গৰাকীৰ অপপ্ৰচাৰ ইয়াক লৈ একাংশ ৰাইজে তুলিছে প্ৰশ্ন। ইফালে পঞ্চায়ত সভাপতি বসন্ত ৰায়েও চৰকাৰী আচনিত সালসলনি কৰিবৰ বাবে চৰকাৰী অনুমতি লোৱাৰ প্ৰয়োজন আছে বুলি সদৰী কৰে। অৰ্থাৎ তেওঁ সেই পঞ্চায়ত হাজাৰ টকীয়া উক্ত আঠুৰ লাখ টকীয়া আঁচনিত সংযোগ নকৰাটো প্ৰাকে প্ৰকাৰে স্বীকাৰ কৰে। একাংশ ৰাইজৰ মতে সেই ৫০ হাজাৰ টকা বিদ্যালয়ৰ প্ৰধান শিক্ষক গৰাকীয়ে আত্মসাৎ কৰাৰ ফন্দি কৰিছে বুলি অভিযোগ তুলিছে। একাংশ অভিভাৱক আৰু স্থানীয় ৰাইজে অভিযোগ কৰা মতে বিদ্যালয়খনৰ প্ৰধান শিক্ষক গৰাকীয়ে এই যে গ্ৰেড পোৱা হেতুকে লাভ কৰা ধনবো সং ব্যৱহাৰ কৰা নাই। আনহাতে আন্তঃ গাঁথনিৰ ধন, ক্ৰীড়া সামগ্ৰীৰ ধন, ইকু' ক্লাৱৰ বাবে অহা ধনৰ অধিকাংশ অকল ভাউচাৰতে সীমাবদ্ধ থকাবো অভিযোগ উঠিছে। মন্যাহ ভোজনৰ ধনৰ ক্ষেত্ৰতো 'শিক্ষাসেতু' ত থকা ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আৰু প্ৰকৃত উপস্থিতিৰে বহুৎ ব্যবধান থকা বুলিও অভিযোগ পোৱা গৈছে। এক গুৰুত্বপূৰ্ণ অভিযোগ মৰ্মে এই গৰাকী প্ৰধান শিক্ষকে কিছুমাহ পৰে অভয়াপুৰী চহৰৰ ব্যক্তিগত খণ্ডত অধ্যয়ন কৰা সুস্থ জীয়েকক নিজৰ বিদ্যালয় অধ্যয়নৰত "বিশেষভাবে সক্ষম" ছাত্ৰী হিচাপে দেখুওৱা কাৰ্য বিভাগৰ দৃষ্টিগোচৰ হৈছিল। কিন্তু সেই সময়ত সৃজনগ্ৰাম শিক্ষাখণ্ডৰ সেই সময়ৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াগৰাকী অতি ঘনিষ্ঠ হোৱা বাবে প্ৰধান শিক্ষক গৰাকীৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাবো অভিযোগ আছে। আনহাতে ৭৪৪ নং বামুণগাঁও প্ৰাথমিক বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ অধিকাংশৰেই শৈক্ষিক দিশত বিশেষ পাৰদৰ্শিতা নথকাকৈ কেনেকৈ প্ৰতি বছৰে গুণোৎসৱত এ প্লাছ পাই আহিছে তদন্ত কৰিলেই ওলাই পৰিব উৰহিৰ ওৰ।

উজনী মাজুলী খেৰকটীয়া কলেজৰ উদ্যোগত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ত নামভর্তিৰ সজাগতা সভা

অসম বার্ত্তা, উজনী মাজুলী, ২৮ আগষ্ট ঃ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় উজনী মাজুলী খেৰকটীয়া মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত উজনী মাজুলীৰ হালধিৰাবী আৰু চাউবেকীয়াত ২৬ তাৰিখে আৰু উজনি লাছা-বালিগাঁও অঞ্চলত ২৭ তাৰিখে দুখনকৈ নামভক্তি সজাগতা সভা অনুষ্ঠিত হয়। অধ্যয়ন কেন্দ্ৰটোৰ তৰফৰ পৰা তত্ত্বাবধায়ক তথা মহাবিদ্যালয়খনৰ অধ্যক্ষ ড' জাহৰী লহকৰ বৰুৱা, সমন্বয়ক জয়ন্ত বৈশ্যগী, মহাবিদ্যালয়খনৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক ড' উৎপল বৰাই উক্ত দুয়োদিনৰ সজাগতা সভাত উপস্থিত থাকে। সভাত উপস্থিত থকা স্থানীয় লোকসকলক উদ্দেশ্যি আটাইকেইজনে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ বিষয়ে আৰু অধ্যয়ন কেন্দ্ৰটিৰ বিষয়ে বহুতো আগবঢ়ায়। অধ্যয়ন কেন্দ্ৰটিত উপলব্ধ বিভিন্ন ষ্ট্ৰাতকোত্তৰ, স্নাতক, ডিপ্লমা আৰু চাৰ্টিফিকেট পাঠ্যক্ৰমত নামভর্তি কৰিবলৈ সকলোকে আহ্বান জনোৱাৰ লগতে স্থানীয় লোকসকলক সৈতে মত বিনিময় কৰে। সজাগতা সভাত উপস্থিত লোকসকলেও উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অধ্যয়ন কেন্দ্ৰটিক (KKHSOU) শক্তিশালী কৰি গঢ়ি তোলাত সৰ্বতোপ্ৰকাৰে সহযোগিতা কৰাৰ আশ্বাস প্ৰদান কৰে।

বিভিএফচিএল অসম ভেলী ফার্টিলাইজাৰ কোম্পানী লিমিটেডৰ উচ্চস্তৰীয় বৈঠক সম্পন্ন

অসম বার্ত্তা, নামৰূপ, ২৮ আগষ্ট ঃ অসম ভেলী ফার্টিলাই জাৰ কেমিকেল কোম্পানী লিমিটেড (এভিএফচিএল) ৰ নতুন প্ৰকল্প স্থাপনক লৈ কালি নামৰূপস্থিত ৰত্নপুত্ৰ ভেলী ফার্টিলাই জাৰ কৰ্পোৰেশন লিমিটেড (বিভিএফচিএল) ৰ পৰিসৰত এক উচ্চস্তৰীয় চৰকাৰী, প্ৰশাসনিক আৰু উদ্যোগপতিৰ দলে পৰিদৰ্শন কৰে। এই দলৰ নেতৃত্ব বহন কৰে এভিএফচিচিএলৰ অধ্যক্ষ আই. এ. এছ, ডাঃ জে.বি. এক্কাই। তেওঁলোকৰ সৈতে নাহৰকটীয়া বিধানসভা সমষ্টিৰ বিধায়ক তৰণ গগৈ, ডিব্ৰুগড় জিলাৰ আয়ুক্ত আই.এ. এছ. বিক্ৰম কেবী, এভিএফচিচিএলৰ এম.ডি. এছ.পি. মহান্তি, নাহৰকটীয়া সমজিলাৰ সহকাৰী আয়ুক্ত বিৰাজ বৰুৱা, এইচ ইউ আৰ এলৰ উচ্চ পদস্থ কৰ্মচাৰী, প্ৰশাসনিক আৰু উদ্যোগপতিৰ দলে ডেভেলপমেণ্ট ইণ্ডিয়া লিমিটেড (পিডিআইএল) ৰ বিশেষজ্ঞসকল উপস্থিত আছিল। বিভিএফচিএলৰ কনফাৰেন্স হ'লত আয়োজিত বৈঠকত পিডিআইএলৰ ইউনিট হেড প্ৰবীণ কুমাৰে প্ৰকল্প সম্পৰ্কীয় বিস্তৃত প্ৰেজেণ্টেশ্যন আগবঢ়ায়। এই বৈঠকত বিভিএফচিএলৰ অধ্যক্ষ আৰু পৰিচালক সঞ্চালক মোহন ৰাজ শেখী, ডাইৰেক্টৰ (ফাইনেন্স) শুভাষ চন্দ্ৰ দাস আৰু বিভিএফচিএলৰ উচ্চ পদস্থ বিষয়াসকলো উপস্থিত আছিল। সভাত বিভিএফচিএলৰ অধ্যক্ষ আৰু পৰিচালক সঞ্চালকে সকলো অতিথিক স্বাগতম জনাই এভিএফচিচিএলৰ প্ৰকল্পৰ বাবে বিভিএফচিএলৰ পূৰ্ণ সহায়ৰে এক প্ৰকৃত জনমুখী উদ্যোগ ৰূপায়ণ হ'ব বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে, নতুন অসম ভেলী ফার্টি লাই জাৰ কেমিকেল কোম্পানী লিমিটেড চমুকৈ এভিএফচিচিএল উদ্যোগটো হৈছে অসমৰ ৰাজ্যিক চৰকাৰ, নেচেলল ফার্টিলাই জাৰ লিমিটেড, অইল ই ণ্ডিয়া লিমিটেড, হিন্দুস্তান উৰ্বৰক আৰু ৰসায়ন লিমিটেড আৰু বিভিএফচিএলৰ যৌথ উদ্যোগ। অসমৰ চৰকাৰে এই উদ্যোগত ৪০ শতাংশ অংশীদাৰীত্বৰে সৰ্বাধিক গোটটো দখল কৰিছে। সভাত নাহৰকটীয়াৰ বিধায়ক তৰণ গগৈয়ে ৰাজ্য চৰকাৰে এই প্ৰকল্পক সফল কৰিবলৈ পূৰ্ণ সমর্থন আগবঢ়াব বুলি পুনৰায় নিশ্চিত কৰে। ডাঃ জে.বি. এক্কাই সময়মতে প্ৰকল্প সম্পূৰ্ণ কৰাৰ কথা ব্যক্ত কৰে। বৈঠকত এভিএফচিএলৰ এম.ডি এছ.পি. মহান্তিয়ে কয় যে প্ৰতিবছৰ ১২.৭ লক্ষ মেট্ৰিক টন ক্ষমতাসম্পন্ন এই নতুন উদ্যোগটোৱে নাম্ভাৰ সামাজিক আৰু অৰ্থনৈতিক পৰিবেশত এক বিপ্লবী পৰিবৰ্তন আনিব। সভাৰ বিশেষ আকৰ্ষণ আছিল এভিএফচিচিএলৰ নতুন ল'গ' উন্মোচন। এই ল'গ'টো উন্মোচন কৰে বিধায়ক তৰণ গগৈয়ে। বিভিএফচিএলৰ কৰ্মচাৰী আচলম খানে ডিজাইন কৰা এই ল'গ'টোৱে অসমীয়াৰ সাংস্কৃতিক গৌৰৱ - জাপি, ধান আৰু চাহপাতৰ প্ৰতিফলন ঘটাইছে। সভাত বিভিএফচিএলৰ পৰিচালন মণ্ডলী আৰু ইউনিয়নৰ দ্বাৰা অতিথিসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৮ আগষ্ট
ঃ উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথমখন চিকিৎসা বিজ্ঞানৰ প্ৰতিষ্ঠান ডিব্ৰুগড়ৰ ৰববাৰীস্থিত অসম চিকিৎসা মহাবিদ্যালয় বিৰল ৰোগৰ চিকিৎসা সৰ্বোৎকৃষ্ট কেন্দ্ৰ স্বীকৃতি প্ৰদান কৰিছে চৰকাৰৰ স্বাস্থ্য আৰু পৰিষাল কল্যাণ মন্ত্ৰনালয়ে। এতিহ্যমণ্ডিত অসম চিকিৎসা মহাবিদ্যালয় বিৰল ৰোগৰ চিকিৎসাৰ সৰ্বোৎকৃষ্ট কেন্দ্ৰৰূপে স্বীকৃতি প্ৰদান কৰি সমগ্ৰ দেশৰ চিকিৎসা ক্ষেত্ৰখনত নিজৰ নাম পুনৰ উজ্জ্বলী তুলিবলৈ সক্ষম হৈছে। চিকিৎসা মহাবিদ্যালয় আৰু হস্পিটেলখনত বিৰল জটিল ৰোগৰ চিনাক্তকৰণ আৰু চিকিৎসাৰ ক্ষেত্ৰত ই এক গুৰুত্বপূৰ্ণ পদক্ষেপ ৰূপে চিহ্নিত হ'ব। অসম চিকিৎসা মহাবিদ্যালয় ৰাজ্যখনৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথম আৰু ভাৰতবৰ্ষৰ ১৫খন উৎকৃষ্ট কেন্দ্ৰৰ ভিতৰত এখন ৰূপে পৰিগণিত হোৱাত লগতে ই চিকিৎসা সেৱা আৰু গবেষণাৰ ক্ষেত্ৰখনক এক নতুন মাত্ৰা প্ৰদান কৰিলে। এনে বিৰল সাফল্যৰ বাবে অসম চিকিৎসা মহাবিদ্যালয় অধ্যক্ষ ডাঃ সঞ্জীব কাকতি, অধীক্ষক ডাঃ ধ্ৰুবজ্যোতি ভূঞাকে ধৰি সকলো অধ্যাপক অধ্যাপিকা, কর্মচাৰীয়ে আনন্দ প্ৰকাশ কৰিছে। অধ্যক্ষ ডাঃ সঞ্জীব কাকতিয়ে এই সফলতাৰ বাবে মহাবিদ্যালয় খনৰ প্ৰতিগৰাকী সদস্যৰ বাবে সম্ভব সকলোকে ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

লোহিত খাবলুত মৃতদেহ উদ্ধাৰ

অসম বার্ত্তা, উজনী মাজুলী, ২৮ আগষ্ট ঃ মাজুলী জিলাৰ লোহিত খাবলুৰ পাৰিবিচুক ১ নং দলঙৰ তলত আজি এজন প্ৰাপ্তবয়স্ক মানুহৰ মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো উজনি দিশৰপৰা টেঁটি আহি পাৰিবিচুক দলঙৰ নিৰ্মীয়মান খুটাৰ বদত লাগি ধৰে। আজি বিয়লি পৰিচালন বজাত উক্ত মৃতদেহটো পাৰিবিচুকৰ স্থানীয় ৰাইজে দেখি গড়মুৰ আৰক্ষী থানাত খবৰ দিয়ে। সন্ধিয়া গড়মুৰ আৰক্ষী আগত মৃতদেহটো মাজুলীৰ জিলা চিকিৎসালয়ৰ মৰ্গলৈ লৈ যায়। পাছত আৰক্ষীয়ে অনুসন্ধান কৰি উক্ত, মৃতদেহটো লখিমপুৰ জিলাৰ ঢকুৰাখনাৰ মাজ জালভাৰী গাঁৱৰ মাণিক শর্মাৰ বুলি চিনাক্ত কৰিছে। মাজ জালভাৰী গাঁৱৰ প্ৰয়াত গোলাপ শর্মাৰ পুত্ৰ মাণিক শর্মা কেইদিনমান সন্ধান হীন হৈ আছিল। পাছত মাজুলীৰ আৰক্ষীয়ে ঢকুৰাখনা আৰক্ষী প্ৰশাসনৰ লগত যোগাযোগ কৰি মৃতদেহ পৰিয়ালৰ হাতত চমজাই দিয়া সিদ্ধান্ত গ্ৰহণ কৰিছে।

ঢকুৰাখনাৰ মাজ জালভাৰীৰ মাণিক শর্মা বুলি চিনাক্ত

১৩ ছেপ্টেম্বৰত ৰাষ্ট্ৰীয় লোক আদালত

অসম বার্ত্তা, নগাঁও, ২৮ আগষ্ট ঃ অহা ১৩ ছেপ্টেম্বৰত শনিবাৰে ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰীৰ সৌজন্যত সমগ্ৰ দেশতে অনুষ্ঠিত হব লগা ৰাষ্ট্ৰীয় লোক আদালতৰ অংশৰূপে নগাঁও জিলা ন্যায়িক আদালত প্ৰাংগনতো পুৱা ১০ বজাৰ পৰা নগাঁও জিলা আইন সেৱা প্ৰাধিকাৰীৰ অধীনত ৰাষ্ট্ৰীয় আদালত অনুষ্ঠিত কৰিব যাঁত আদালতত চলি থকা বিভিন্ন ধৰণৰ গোচৰৰ যেনে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩২৩/ ৩৪১/ ৩৪২/ ৪৪৮/ ৫০৬/৫২২ ইত্যাদিৰ লগতে পাৰিবাৰিক কন্দলজনিত গোচৰ, দেৱানী গোচৰ, মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণৰ গোচৰ, চেক বাউন্স গোচৰ, মটৰ যান-বাহনৰ গোচৰ ইত্যাদি এজন ন্যায়িক বিষয়া আৰু এজন বা ততোধিক মধ্যস্থতাকাৰীৰে গঠিত লোক আদালত বিচাৰপীঠে পক্ষসমূহৰ সন্মতি ক্ৰমে সৌহাৰ্দ্যপূৰ্ণ ভাবে আপোচ মীমাংসা কৰিব। বৰ্তমান আদালতত চলি থকা গোচৰ সমূহৰ উক্ত লোক আদালতত মীমাংসা হ'লে গোচৰৰ কোৰ্টফী ঘুৰাই দিয়া হ'ব। উক্ত লোক আদালততে উপস্থাপন হ'বলগীয়া গোচৰৰ পক্ষসমূহক উল্লিখিত তাৰিখ, সময় আৰু স্থানত উপস্থিত থাকিবলৈ ইতিমধ্যে জানানী প্ৰেৰণ কৰা হৈছে আৰু চলি আছে। সেয়েহে নগাঁও জিলা আইন সেৱা প্ৰাধিকাৰীৰ তৰফৰ পৰা ইচ্ছুক ব্যক্তি সকলক নিস্পত্তি কৰিব বিচৰা অমীমাংসিত গোচৰ সমূহৰ যাৰতীয় নথি-পত্ৰসহ উক্ত দিনা নগাঁও আদালত চৌহদত নিজে উপস্থিত থাকিবলৈ অনুৰোধ জনাই ছে জিলা আইন সেৱা প্ৰাধিকাৰীয়ে। অধিক তথ্যৰ বাবে নগাঁও জিলা আইন সেৱা প্ৰাধিকাৰীৰ নতুন বিল্ডিং, চতুৰ্থ মহলাৰ কার্যালয় যোগাযোগ কৰিব পাৰিব বুলি জানিব দিছে।

চৰাইদেউ ৰৰহাটত অনলাইন লটাৰীৰ নামত বৃহৎ জাল কুখ্যাত দুষ্টচক্ৰৰ

অসম বার্ত্তা, ৰৰহাট, ২৮ আগষ্ট ঃ যোৱা কিছু দিন ধৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত চলিছে উশহাল কুপন লটাৰীৰ অনলাইন খেলৰ দপদপনি। ৰাজ্যত সকলো ধৰণৰ লটাৰী চৰকাৰে বন্ধ কৰি থোৱাৰ সময়তে অনলাইন উশহাল কুপন লটাৰী খেল অনুষ্ঠিত কৰাৰ সম্পর্কত বিভিন্ন ভিডিঅ' প্ৰস্তুত কৰি সামাজিক মাধ্যমত প্ৰচাৰ কৰাত সিদ্ধহস্ত দুষ্ট চক্ৰটোৱে 'অল লাকী গিফট কুপন' শীৰ্ষক একাউণ্টটোৰ জৰিয়তে কোটি টকা আৰু বিলাসী গাড়ী পলোভন দেখুৱাই জোৰদাৰ প্ৰচাৰ চলাই সৰ্বসাধাৰণ ৰাইজৰ জালত পেলাই কোটি কোটি টকাৰ অনলাইন লটাৰী ব্যবসায় কৰি আছে।

এই দুষ্ট লটাৰী চক্ৰটোৰে অনলাইনত টিকত কাটিব বাবে সুবিধা হোৱাকৈ ছয় সাতটা ফোন নম্বৰ ৰাজ্যৰ বাকৈ আৰু উক্ত ফোন নম্বৰ কেইটাৰ যোগেদি গ্ৰাহকৰ লগত কথা পাতে। বৰহাট অঞ্চলৰ চৰাই পুঙৰ ঐতিহাসিক লাহেদি গড়ৰৰ গাতে লগি থকা লাহেদি শংকৰজ্যোতি প্ৰাথমিক শাখা নাম গৃহৰ নামত এটা দুষ্ট চক্ৰই উশহাল কুপন লটাৰী খেল অনুষ্ঠিত কৰি কোটি কোটি টকা তুলি নিয়াৰ তথ্য পোৱৰেলে আহিছে। চৰাইদেউ জিলাৰ অসম অঞ্চলৰ সীমান্তৱৰ্তী ঐতিহাসিক লাহেদি গড়ৰৰ গাতে লগি থকা এক নং চৰাইপুঙৰ গাঁৱত অৱস্থিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চৰাইদেউ জিলা শাখাৰ অন্তৰ্ভুক্ত লাহেদি শংকৰজ্যোতি প্ৰাথমিক শাখাৰ নামগৃহৰ নামত ডি শর্মা, সভাপতি পদত পৰিচালনা সমিতি, ভোগেশ্বৰ দাস, সম্পাদক, খেল পৰিচালনা সমিতি, নিমল নাথ, সভাপতি মন্দিৰ পৰিচালনা সমিতি আৰু অৰুণ বৰা, সম্পাদক, মন্দিৰ পৰিচালনা সমিতি নামেৰে লাহেদি শংকৰজ্যোতি প্ৰাথমিক শাখা নামঘৰ সাহায্যাৰ্থে উপাহাৰ কুপন খেলখন বৰহাট চৰাইপুঙৰ বিমলাপুৰ বাগিছা খেল পথাৰত অনুষ্ঠিত কৰা হৈছে বুলি বহুল ভাবে প্ৰচাৰ কৰি থকা পুৰস্কাৰ এক পাকীছহী আকৰ্ষণীয় উপহাৰ সামগ্ৰীৰ মাধ্যমত ব্যাপক হাৰত প্ৰচাৰ চলাই। অৱশ্যে যোৱা ইংৰাজী ৩ আগষ্ট দিনা চৰাইদেউ জিলাৰ চৰাই পুং আৰক্ষী থানাৰ অন্তৰ্গত বিমলাপুৰ বাগিছা খেল পথাৰত কোনো ধৰণৰ খেল অনুষ্ঠিত টকা লুটি লৈ যোৱাৰ পাছত সোণাৰি শিৰ মন্দিৰ পৰিচালনা সমিতিয়ে তেওঁ লোকৰ মন্দিৰৰ নাম লৈ এনে দুষ্কাৰ্য কৰা চক্ৰটোৰ বিৰুদ্ধে সোণাৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰা নাটা দিনাৰ অতিক্ৰম নৌহৰ্ওতেই পুনৰ অনলাইন লটাৰীৰ দুষ্ট চক্ৰ টোৱে চৰাইদেউ জিলাতে আন এখন খেল অনুষ্ঠিত কৰি কোটি টকা তুলি নিয়াৰ তথ্য পোৱৰেলে আহিছে। চৰাইদেউ জিলাৰ অসম অঞ্চলৰ সীমান্তৱৰ্তী ঐতিহাসিক লাহেদি গড়ৰৰ গাতে লগি থকা এক নং চৰাইপুঙৰ গাঁৱত অৱস্থিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চৰাইদেউ জিলা শাখাৰ অন্তৰ্ভুক্ত লাহেদি শংকৰজ্যোতি প্ৰাথমিক শাখাৰ নামগৃহৰ নামত ডি শর্মা, সভাপতি পদত পৰিচালনা সমিতি, ভোগেশ্বৰ দাস, সম্পাদক, খেল পৰিচালনা সমিতি, নিমল নাথ, সভাপতি মন্দিৰ পৰিচালনা সমিতি আৰু অৰুণ বৰা, সম্পাদক, মন্দিৰ পৰিচালনা সমিতি নামেৰে লাহেদি শংকৰজ্যোতি প্ৰাথমিক শাখা নামঘৰ সাহায্যাৰ্থে উপাহাৰ কুপন খেলখন বৰহাট চৰাইপুঙৰ বিমলাপুৰ বাগিছা খেল পথাৰত অনুষ্ঠিত কৰা হৈছে বুলি বহুল ভাবে প্ৰচাৰ কৰি থকা পুৰস্কাৰ এক পাকীছহী আকৰ্ষণীয় উপহাৰ সামগ্ৰীৰ মাধ্যমত ব্যাপক হাৰত প্ৰচাৰ চলাই। অৱশ্যে যোৱা ইংৰাজী ৩ আগষ্ট দিনা চৰাইদেউ জিলাৰ চৰাই পুং আৰক্ষী থানাৰ অন্তৰ্গত বিমলাপুৰ বাগিছা খেল পথাৰত কোনো ধৰণৰ খেল অনুষ্ঠিত হোৱা নাছিল। লাহেদি শংকৰজ্যোতি প্ৰাথমিক শাখাৰ ভক্তপ্ৰাণ ৰাইজ আৰু নামগৃহৰ পৰিচালনা সমিতিয়ে আগন্তুক অক্টোবৰ মাহত তেও

পঞ্চায়ত প্রতিনিধি আৰু

তেওঁলোকৰ চিকিৎসাৰ সম্পূর্ণ ব্যয় বাজ্য চৰকাৰে বহন কৰিব। এই ঘোষণা মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই শুক্রবাৰে গুৱাহাটীৰ খানাপাৰাত কেন্দ্রীয় গৃহমন্ত্রী অমিত শাহৰ উপস্থিতিত আয়োজিত এন ডি এ এৰ পঞ্চায়ত প্রতিনিধি সম্মিলনত কয়। এই বিশাল সম্মিলনত মুখ্যমন্ত্রী শর্মাই পঞ্চায়ত প্রতিনিধিসকলক সম্বোধন কৰি কয় যে অসমৰ জনসাধাৰণৰ আশীর্বাদত এন ডি এ মিত্রজোঁটে পঞ্চায়ত নির্বাচনত অভূতপূর্ব সাফল্য অর্জন কৰিছে। তেওঁ উল্লেখ কৰে যে ৩৯৭খন আঞ্চলিক পঞ্চায়তৰ ভিতৰত ৩০১খনত, ২১৮৮খন পঞ্চায়তৰ ভিতৰত ১৪৪৫খনত, আৰু ২১৯২খন বার্ড মেম্বাৰৰ আসনত জয়লাভ কৰিছে এন ডি এ। এই অভূতপূর্ব বিজয়ৰ বাবে তেওঁ অসমৰ জনতাৰ প্রতি কৃতজ্ঞতা প্রকাশ কৰে আৰু প্রতিশ্রুতি দিয়ে যে চৰকাৰে অসমৰ কল্যাণ আৰু জাতি-মাটি-ভেটিৰ সুৰক্ষাৰ বাবে কাম কৰি যাব। তেওঁ কয় যে প্রধানমন্ত্রী নৰেন্দ্র মোদী আৰু গৃহমন্ত্রী অমিত শাহৰ মার্গদর্শনত এই কাম সম্পন্ন হৈছে। মুখ্যমন্ত্রীয়ে পঞ্চায়ত প্রতিনিধিসকলক আহ্বান জনাই কয় যে আগন্তুক পাঁচ বছৰ তেওঁলোকে দল, জাতি আৰু দেশৰ সম্মান বাবে কাম কৰিব লাগিব। তেওঁ ঘোষণা কৰে যে পঞ্চায়ত প্রতিনিধি আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে চিকিৎসা সেৱা সম্পূর্ণ বিনামূলীয়া কৰাব লগাতে বাজ্য চৰকাৰে এই ব্যয় বহন কৰিব। তেওঁৰ মতে, দুর্নীতিমুক্ত পঞ্চায়ত ব্যৱস্থা গড়ি তোলাব লক্ষ্যৰে কাম কৰা হ'ব। ২০২৬ৰ বিধানসভা নির্বাচনত বিজেপিক পুনৰ বিহুপ্লব ক্ষমতালৈ আনিবলৈ তেওঁ সকলোকে সংকল্প গ্রহণৰ আহ্বান জনায়। জাতি, মাটি আৰু ভেটিৰ সুৰক্ষাৰ প্রসংগত মুখ্যমন্ত্রীয়ে কয় যে ২০১৬ পৰা এই সংকল্পৰ বাবে চৰকাৰে কাম কৰি আহিছে। তেওঁ উল্লেখ কৰে যে প্রধানমন্ত্রী মোদীয়ে পাকিস্তানক উচিত শিক্ষা দিয়াৰ দৰে অসম চৰকাৰেও জাতি, মাটি আৰু ভেটিৰ সুৰক্ষাৰ বাবে অবিচল। তেওঁ ঘোষণা কৰে যে বন্দাবনী বস্ত্রক অসমলৈ অনাৰ ব্যবস্থা কৰা হ'ব যাতে অসমৰ জনতাই ইয়াক চাব পাৰে। মোদীৰ নেতৃত্বত বিকাশৰ নতুন সপোন বাস্তবায়িত হৈছে বুলি তেওঁ দাবী কৰে। মুখ্যমন্ত্রীয়ে জম্মিয়ত মাদানী আৰু বাজল গান্ধীৰ ধর্মকিয় প্রতি কটাক্ষ কৰি কয় যে যিমানেই ধমকি দিয়া হ'ব, অসমৰ জনতাই লাচিত বৰফুকনৰ হেংকাৰ তুলি লৈ যুঁজিব। তেওঁ দৃঢ়তাৰে কয় যে "চিনাকি" লোকসকলক মাটি দিয়া হ'ব, কিন্তু "অচিনাকি"ৰ পৰা শেষ ইঞ্চি মাটিও কাঢ়ি লোৱা হ'ব। তেওঁ মাদানী আৰু বাঙ্গলাদেশৰ প্রত্যাহ্বান জনাই কয় যে সাহস থাকিলে যুঁজি চাবলৈ। তেওঁৰ মতে, অসমীয়া জনতা জাগ্রত হৈছে আৰু শেষলৈকে যুঁজি জয়ী হ'ব। অসমী আৰু ভাৰতীয় সংস্কৃতিৰ সুৰক্ষাৰ বাবে তেওঁ সংকল্প গ্রহণৰ আহ্বান জনায়। সম্মিলনত কেন্দ্রীয় মন্ত্রী সর্বানন্দ সোণোৱালে কয় যে ২০১৪ চনৰ পৰা প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ নেতৃত্বত অসমৰ জনতাই আন্তৰিক সহযোগিতা আগবঢ়াই আহিছে। তেওঁৰ মতে, মোদীয়ে উত্তৰ-পূর্বাঞ্চলক অষ্টলক্ষ্মী হিচাপে আখ্যা দি শক্তিশালী ৰূপত আগবঢ়াই নিছে। তেওঁ প্রশ্ন তুলি কয় যে কংগ্রেছে ৫৫ বছৰত যি কৰিব নোৱাৰিলে, মোদী চৰকাৰে ১১ বছৰত কেনেকৈ সম্পন্ন কৰিলে, এই প্রশ্ন বাজল গান্ধী আৰু গৌৰব গগৈকে কৰা উচিত। তেওঁ দাবী কৰে যে ভাৰতে বিশ্বৰ বুকুত সুকীয়া স্থান অর্জন কৰিছে, আৰু হিমন্ত বিশ্ব শর্মাৰ নেতৃত্বত অসমত বিগৰী বিনিয়োগ আৰু কর্মসংস্থাপনৰ সুযোগ সৃষ্টি হৈছে। তেওঁ কয় যে কংগ্রেছৰ শাসনকালত অসমত অবহেলা, সন্ত্রাসবাদ আৰু অশান্তিয়ে পৰিবেশ আছিল, কিন্তু বিজেপিয়ে এই অন্ধকাৰ দূৰ কৰি শান্তি আৰু বিকাশৰ পথ মুকলি কৰিছে। তেওঁৰ মতে, কংগ্রেছৰ প্রশ্ন উত্থাপনৰ কোনো অধিকাৰ নাই, কাৰণ বিজেপিয়ে অসমৰ বিকাশৰ বাবে যি কাম কৰিছে, তাৰ পাঁচ শতাংশও কংগ্রেছে কৰিব পৰা নাছিল। অগপৰ সভাপতি অতুল বৰাই সম্মিলনত কয় যে পঞ্চায়ত নির্বাচন এটা অগ্নিপৰীক্ষা আছিল, যাত এন ডি এ সফল হৈছে। তেওঁ পঞ্চায়ত প্রতিনিধিসকলক গ্রামাঞ্চলৰ সৈনিক হিচাপে কাম কৰি বিকাশৰ যাত্রাত অগ্রগতি লাভ কৰাত আহ্বান জনায়। তেওঁৰ মতে, কংগ্রেছৰ শাসনকালত মৌলবাদৰ উত্থান হৈছিল, কিন্তু এন ডি এৰ শাসনত স্থায়ী শান্তি পৰিবেশ গঢ়ি উঠিছে। হিমন্ত বিশ্ব শর্মাৰ নেতৃত্বত অসমে অভূতপূর্ব উন্নয়ন পথত আগবাঢ়িছে। তেওঁ পঞ্চায়ত প্রতিনিধিসকল চৰকাৰী আঁচনিৰ সফল ৰূপায়ণ গুৰুত্বপূর্ণ ভূমিকা পালন কৰিবলৈ আহ্বান জনাই কয় যে ২০২৬ত কমেও ১০০খন আসনত জয়ৰ লক্ষ্যৰে কাম কৰিব লাগিব। এই সম্মিলনত এন ডি এৰ শক্তিশালী ঐক্য আৰু ২০২৬ নির্বাচনৰ বাবে তেওঁলোকৰ প্রস্তুতিৰ এক স্পষ্ট ছবি প্রকাশ পাইছে। পঞ্চায়ত প্রতিনিধিসকলে বাবে বিনামূলীয়া চিকিৎসা সুবিধাৰ ঘোষণাই বাজ্যৰ গ্রামাঞ্চলৰ জনপ্রতিনিধিসকলৰ কল্যাণৰ প্রতি চৰকাৰৰ প্রতিশ্রুতিৰ প্রমাণ দিয়ে।

নগাঁৱৰ কাৰাগাৰত নিষিদ্ধ

প্রতিক্রিয়াৰ সৃষ্টি হৈছে। আজি নগাঁও জিলা আয়ুক্ত দেবাশিস শর্মাই জিলা আৰক্ষী অধীক্ষক স্থণালীন ডেকাক লগত লৈ নগাঁও কেন্দ্রীয় কাৰাগাৰ আকস্মিক ভাবে পৰিদর্শন কৰাব সময়ত এই ভয়ংকৰ কথা উন্মোচিত হয়। কেন্দ্রীয় কাৰাগাৰৰ ভিতৰত ড্রাগছৰ মুকলি বেহা প্রত্যক্ষ কৰি জিলা আয়ুক্ত গৰাকী হতভম্ব হৈ পৰে। আয়ুক্ত গৰাকীৰ উপস্থিতিত নগাঁও আৰক্ষীয়ে কাৰাগাৰখনৰ ভিতৰত থকা কেণ্টিন আৰু বেষ্টুবেণ্টত পৰা জব্দ কৰে দুহাৰ পৰিমাণৰ নিষিদ্ধ ড্রাগছ শীতল পানীয়, এনার্জি ড্রিংকছ সহ খাদ্য সামগ্রী। কাৰাগাৰখনৰ ভিতৰত থকা কেণ্টিন আৰু বেষ্টুবেণ্টত নীতিবিহর্ভূত ভাবে দীর্ঘদিন ধৰি চলি আহিছিল এই সামগ্রী সমূহৰ মুকলি বেহা। কাৰাগাৰখনৰ কর্তৃপক্ষৰ জ্ঞাত সাৰেই কাৰাগাৰৰ কয়দী সকলৰ মাজত চলি আহিছে ড্রাগছৰ মুকলি বেহা। অভিযোগ অনুসৰি কাৰাগাৰখনৰ আধীক্ষক আৰু জেইলাৰৰ পৃষ্ঠপোষকতাত এই বেহা চলি আছে। কাৰাগাৰখনৰ পটংগীয়া আৰু হাজৰিকা নামৰ দুজন কর্মচাৰীয়ে বাহিৰৰ পৰা এই কেণ্টিনলৈ ড্রাগছ সৰবৰাহ কৰে বুলি অভিযোগ উত্থাপন হৈছে। ইপিনে সংবাদ মাধ্যমৰ আগত আয়ুক্ত গৰাকীয়ে কয় যে আমি আগতীয়া খবৰ পি আহিলে তেওঁলোকে আমাক স্বাগতম কৰে। সেয়ে আমি হঠাৎ আহি পৰিদর্শন কৰি দেখিলো কেন্দ্রীয় কাৰাগাৰক ড্রাগছৰ ব্যবসায় চলি আছে। পটংগীয়া আৰু হাজৰিকা নামৰ লোকে বাহিৰৰ পৰা কাৰাগাৰ খনলৈ ড্রাগছ সৰবৰাহ কৰে। কাৰাগাৰৰ চাৰিমি উদ্দিন নামৰ লোকজনৰ হাতত ড্রাগছ সমূহ দিয়ে আৰু তেওঁ ভিতৰলৈ লৈ যায়। কেতিয়াবা কোনোবা অহাৰ গম পালে এই সামগ্রী সমূহ লুকুবাই দিয়ে। ভিতৰত টকা দিলে কয়দীসকলে ড্রাগছ, গাঞ্জা আদি পায়। কাৰাগাৰৰ ভিতৰত টিভিনৰ কেণ্টিন চলি আছে। ইয়াত মাছ, মাংস আদি পোৱা যায়। শীতল পানীয়ও বিক্রী হয়। ভাং খোৱাব পিছত খোৱা ষ্টিং নামৰ ড্রিংকো পিয়াই। কাৰাগাৰখনত এক বিলাসী কাৰবাৰ চলি আছে। কাৰাগাৰাখনৰ অধীক্ষকক সুধিলত তেওঁ কাৰাগাৰাখন চলাবলৈ গইচা লাগে বুলি কৈ তেওঁ চৰকাৰৰ বিপক্ষে কথা কৈছে। কাৰাগাৰাখনত এনে নিকৃষ্ট কাম চলি থকাৰ কথা উল্লেখ কৰি আয়ুক্ত গৰাকীয়ে কয় যে এই সন্দর্ভত কাৰাগাৰ মহাপৰিদর্শকক অৱগত কৰা হ'ব। তদুপৰি কাৰাগাৰক অধীক্ষক আৰু জেইলাৰৰ বিৰুদ্ধে ব্যৱস্থা লবৰ বাবে গৃহ বিভাগলৈ পত্র প্রেৰণ কৰা হৈছে। তেওঁ লগতে কয় যে অধীক্ষক আৰু জেইলাৰৰ চকুৰ প্রচাৰত এই কাম চলি আছে। কাৰাগাৰ চলাবলৈ চৰকাৰে পয়চা দিছে। তাৰ পিছতো ইয়াত ড্রাগছ, মাছ, মাংসৰ ব্যবসায় চলি আছে। এইবোৰ হবলৈ দিয়া নহব বুলি আয়ুক্ত গৰাকীয়ে মন্তব্য কৰে। কাৰাগাৰ খনলৈ ড্রাগছ সৰবৰাহ সন্দর্ভত নগাঁও আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। আন এক অভিযোগ অনুসৰি কাৰাগাৰ খনত কয়দীক চাৰলৈ আহা পৰিয়ালৰ লোকে কয়দীৰ বাবে দিয়া ধনৰ এটা অংশ কাৰাগাৰৰ কর্মচাৰীয়ে বাখি থয়।

অভয়াপুৰীত বনাঞ্চল ধ্বংস

কৰি একাংশ বাংলাদেশী মুলৰ লোকে ঘৰ-দুৱাৰ সাজি বসতি কৰি থকাৰ পিছত বন বিভাগে উচ্ছেদ কাৰে বুলি জানী জাৰি কৰাত ধ্বাদুবা লাগিছে বেদখলকাৰীৰ মাজত। জানিব পৰা মতে অভয়াপুৰী আঞ্চলিক বন বিষয়াৰ কার্যালয়ে কার্যালয়টোৰ অন্তর্গত তিনিখন সংৰক্ষিত বনাঞ্চলত জৰীপ চলায়। সেইমতে যোগীঘোপা অঞ্চলৰ ভৈৰবচুড়া সংৰক্ষিত বনাঞ্চলত শতাধিক পৰিয়ালে বনাঞ্চলৰ ভূমি বেদখল কৰি থকা জনাত লগতে কাকৈজানা সংৰক্ষিত বনাঞ্চলত ৮ টা, বাথালঠাকুৰ সংৰক্ষিত বনাঞ্চলত ১১ পৰিয়ালে বনাঞ্চলৰ ভূমি বেদখল কৰি ঘৰ-দুৱাৰ সাজি বসতি কৰি আছে। সংৰক্ষিত বনাঞ্চল কেইখন ১০ হেক্টৰতকৈ অধিক ভূমি বেদখল কৰি থকাৰ পাছতে আই উপত্যকা বন সংমণ্ডলৰ প্রাধিকাৰীৰ কার্যালয়ৰ পৰা যোৱা ২২ আগষ্টত জানানী জাৰী কৰে। আৰু১৫ দিনৰ ভিতৰত ভৈৰবচুড়া বাহিৰৰ বনাঞ্চল ত্যাগ কৰিবলৈ নির্দেশ দিছে। জানিব পৰা মতে ২৭ আগষ্টত উক্ত জাননী বন বিভাগে ঘৰে ঘৰে আঁবি দি উক্ত জাননী পোৱাৰ পিছতো বেদখলকাৰীয়ে উক্ত স্থান ত্যাগ নকৰিলে উচ্ছেদ চলাবলৈ বাধ্য হ'ব বুলি জাননীত স্পষ্ট কৈ উল্লেখ কৰে। এনে জাননী লাভ কৰাৰ পিছতে বেদখলকাৰীৰ মাজত ধ্বাদুবাৰ ভাঙি অইন স্থানলৈ যোৱা বুলি জানিব পৰা গৈছে।

অসম চুক্তিক নস্যাৎ কৰাৰ

শ্বাহৰ অসম ভ্রমণক লৈ এক গুৰুত্বপূর্ণ মন্তব্য প্রকাশ কৰিছে। তেওঁ আশা প্রকাশ কৰিছে যে অমিত শ্বাহে অসমলৈ আহি কংগ্রেছ দলক সমালোচনা কৰিব পাৰে যদিও বাজাৰ সাৰ্বভৌম জনসাধাৰণৰ কল্যাণৰ বাবে ইতিহাসক চিন্তা-চর্চা কৰিব। ইয়াৰ উপৰিও, বানপানী সমস্যা সমাধানৰ ক্ষেত্রত পূর্বতে দিয়া পৰামর্শসমূহ কার্যকৰী কৰা হৈছে নে নাই সেই বিষয়ে জানিবলৈ আগ্রহ প্রকাশ কৰিছে গগৈয়ে। শাসকীয় দল বিজেপিৰ সমান্তৰালভাবে বিৰোধী কংগ্রেছ দলেও ২০২৬ চনৰ বিধানসভা নির্বাচনৰ বাবে তীব্র প্রস্তুতি চলাইছে। দলটোৱে সাংগঠনিক কাম-কাজৰ লগতে জিলা পর্যায়ত ব্রক লেভেল এজেন্ট (বি এল এ) সকলৰ প্রশিক্ষণ কার্যসূচী অনুষ্ঠিত কৰি আহিছে। শনিবাৰে চৰাইদেউ জিলা কংগ্রেছ কমিটিৰ অধীনত সোণাৰি আৰু মাহমৰা বিধানসভা সমষ্টিৰ বি এল এ সকলৰ প্রশিক্ষণ অনুষ্ঠিত হয়। এই অনুষ্ঠানত অংশগ্রহণ কৰি প্রদেশ কংগ্রেছৰ সভাপতি গৌৰব গগৈয়ে অমিত শ্বাহৰ অসম ভ্রমণ আৰু অন্যান্য বিষয়ক লৈ এক সংবাদলে অনুষ্ঠিত কৰে। সংবাদলেত গগৈয়ে কয় যে গুৱহাটীৰ অসমলৈ আগমনৰ সময়ত কৃত্রিম বানপানীৰ ফলত বাইজে যথেষ্ট কষ্ট ভুগিবলগীয়া হৈছে। তেওঁ স্মৰণ কৰাই যে এটা সময়ত অমিত শ্বাহে উত্তৰ-পূর্বাঞ্চলৰ বানপানী সমস্যা দূৰ কৰিবলৈ ডাঙৰ ডাঙৰ পুখুৰী খনন কৰাৰ পৰামর্শ দিছিল। কিন্তু এই পৰামর্শক ক'ত আৰু কেনেকৈ কার্যকৰী কৰা হৈছে সেই বিষয়ে স্পষ্ট তথ্য জানিব বিচাৰিছে গগৈয়ে। তেওঁৰ মতে, এনে পৰামর্শসমূহ যদি সঠিকভাবে অনুসৰণ কৰা হ'লহেঁতেন তেন্তে বানপানীৰ সমস্যা যথেষ্ট হ্রাস পালেহেঁতেন। অমিত শ্বাহৰ পৰা স্পষ্টীকৰণ দাবী কৰি গগৈয়ে আৰু কয় যে অন্যান্য বাজ্যৰ দৰে অসমৰ দুর্যোগৰ সময়ত পর্যাপ্ত অনুদান মুকলি কৰা দেখা নগৈছে। বাজ্য চৰকাৰে সহায় বিচাৰিলেও কেন্দ্রই সম্পূর্ণ সহযোগিতা নকৰে বুলি তেওঁ অভিযোগ কৰে। এই প্রসংগত অমিত শ্বাহে নিজৰ স্থিতি স্পষ্ট কৰি দিব লাগিব বুলি দাবী কৰিছে গগৈয়ে। তেওঁৰ মতে, বানপানী আৰু গৰাখহীয়াক বাষ্ট্রীয় সমস্যা হিচাপে স্বীকৃতি দিয়া উচিত। অসমৰ প্রকৃতি আৰু পৰিবেশক গুৰুত্ব দি উন্নয়ন কৰা নহয়, বৰং টিকাদাৰকেন্দ্রিক উন্নয়নহে চলি আছে। ডাঙৰ টিকাদাৰসকলৰ স্বার্থত কাম হৈছে, কিন্তু অসমৰ প্রাকৃতিক সম্পদ্যা আৰু দৰিদ্র জনসাধাৰণৰ দুর্দশাৰ অৱহেলা কৰা হৈছে। গগৈয়ে আৰু কয় যে অমিত শ্বাহে অসমলৈ আহি কংগ্রেছক চাপ সৃষ্টি কৰিব পাৰিলেও অসমৰ জনসাধাৰণৰ ভালৰ বাবে ইতিহাসক পদক্ষেপ লব। উচ্ছেদৰ বিষয়ক সৈয়ো গৌৰব গগৈয়ে তীব্র সমালোচনা কৰিছে। তেওঁ কয় যে ২০১৮ চনত এন আৰ চি চূড়ান্ত কৰোঁতে ৪০ লাখ মানুহ বঞ্চিত হোৱাত বিজেপিয়ে যথেষ্ট সন্তোষ প্রকাশ কৰিছিল আৰু তেওঁলোকে এইসকল অসমৰ পৰা বাহিৰ কৰি দিয়াৰ কথা ভাবিছিল। কিন্তু কংগ্রেছ দলে সেইসকল লোকৰ কথা চিন্তা কৰিছিল আৰু তেওঁলোকৰ অধিকাৰৰ বাবে যুঁজিছে। গগৈয়ে গৃহমন্ত্রীক স্মৰণ কৰাই যে অসমৰ বহু গোৰ্খা সম্প্রদায়ৰ লোক এন আৰ চিৰ পৰা বঞ্চিত হৈছে বুলি তেওঁলোকক ন্যায় দিয়া উচিত। আজি চি এ এ (নাগৰিকত্ব সংশোধনী আইন)ৰ বাবে অসমৰ বাওহ সমাজক এক সন্দেহজনক অৱস্থালৈ ঠেলি দিয়া হৈছে। বিজেপি চৰকাৰৰ বিফলতাৰ বাবে অসমৰ বাঙালীসকলে নিজকে বাংলাদেশী বুলি প্রমাণ কৰিবলগীয়া হৈছে, যিটো এক দুর্ভাগ্যজনক পৰিস্থিতি। এনে আইন আৰু নীতিয়ে ভাষিক সংখ্যালঘুসকলক অস্থিৰতাত ঠেলি দিছে বুলি অভিযোগ কৰিছে গগৈয়ে। বিজেপি চৰকাৰৰ উচ্ছেদ নীতিক লৈ গগৈয়ে কয় যে এই চৰকাৰে জাতি-মাটিৰ কথা কৈ উচ্ছেদ অভিযান চলাই আহিছে, কিন্তু হিয়াৰ লঙ্কা হৈছে বিলঞ্জীয়া লোক, ভাষিক সংখ্যালঘু আৰু চাহ শ্রমিকসকল। কোনো এজনকো বাদ দিয়া নহয়। উচ্ছেদৰ মূল কাৰণ দুটা বুলি তেওঁ উল্লেখ কৰিছে। এটা হৈছে আদানী আৰু আম্বানীৰ দৰে ডাঙৰ ব্যবসায়ীসকলক মাটি প্রদান কৰা, আৰু আনটো হৈছে নেতাসকলে নিজৰ নাম্ভত বাগান খুলি ধনক বগা কৰাব চেষ্টা। গগৈয়ে কয় যে পূর্বতে প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে ক'লা ধনৰ বিৰোধিতা কৰিছিল, কিন্তু এতিয়া এই বিষয়ে কোনো আপত্তি নাই বুলি পৰিবর্তন হৈছে। এয়াই বিজেপিৰ স্থিতিৰ সলনি হোৱাৰ মূল কাৰণ বুলি তেওঁ উল্লেখ কৰিছে। বিজেপিয়ে সদায় নিজৰ মতামত সলনি কৰি যায় বুলি অভিযোগ উত্থাপন কৰি গগৈয়ে কয় যে এনে নীতিয়ে অসমৰ জনসাধাৰণৰ কোনো লাভ নকৰে। এই সংবাদলেত গৌৰব গগৈয়ে অসমৰ বর্তমান পৰিস্থিতিৰ ওপৰত বিস্তৃত আলোচনা কৰি কংগ্রেছ দলৰ স্থিতি স্পষ্ট কৰিছে। দলটোৱে নির্বাচনৰ বাবে প্রস্তুতি লগতে জনসাধাৰণৰ সমস্যাসমূহক লৈ সক্রিয় হৈ উঠিছে বুলি জানিব পৰা গৈছে।

হাতত হেংদাং লৈ '২৬ৰ

পাছত কংগ্রেছ দলৰ অন্তিত্ব বিচাৰি পোৱা কঠিন হৈ পৰিছে। তেওঁ উল্লেখ কৰে যে বিগত ১১ বছৰত প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ নেতৃত্বত উত্তৰ-পূর্বাঞ্চলত শান্তিৰ এক নতুন যুগৰ সূচনা হৈছে। এই অঞ্চলৰ ভাষা, সংস্কৃতি আৰু কলাৰ প্রতি সম্মান প্রদর্শন কৰা হৈছে, যাৰ ফলত অসমত দুবাৰ এন ডি এ চৰকাৰ গঠিত হৈছে। তেওঁৰ মতে, পঞ্চায়ৰৰ পৰা সংসদীয়ে বিজেপিৰ বিজয়ধ্বজা উৰি আহিছে। মোদী চৰকাৰৰ বিকাশৰ যুগক মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই অসমৰ প্রতিফল গাঁৱলৈ টেন যৈছে, যাৰ ফলত বিজেপি বাৰে বাৰে জয়ী হৈছে। বিজেপিৰ চৰকাৰে অসমক বিকাশৰ নতুন শিখৰলৈ টেন গৈছে বুলি দাবী কৰি শ্বাহে কয় যে তেওঁলোকৰ চৰকাৰে মহাবীৰ লাচিত বৰফুকনক বাষ্ট্রীয় ভৰত সম্মান জনাইছে। দিল্লীত লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জয়ন্তীয়ে উদযাপনৰ লগতে ২৩টা ভাষাত তেওঁৰ জীৱনী প্রকাশ কৰা হৈছে। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ সত্রসমূহক বেখলমুক্ত কৰি সুৰক্ষিত কৰা হৈছে। বিষ্ণু দেৱ-বিদেশত নতুন পৰিচয় দিয়া হৈছে, আৰু মাজুলী তথা কাজিৰঙহি বিশ্বৰ দুটি আকাৰী কৰিছে। তেওঁ দাবী কৰে যে কংগ্রেছে অসমক গিৰ্হ পৰি থকা অৱস্থাত এৰি থৈ গৈছিল, কিন্তু বিজেপি চৰকাৰে ইয়াক বিকাশৰ নতুন গতি প্রদান কৰিছে। শান্তি চুক্তিৰ জৰিয়তে ১০ হাজাৰবো অধিক যুৱকক মূলস্রোতলৈ ঘুৰাই আনা হৈছে, যাৰ ফলত উত্তৰ-পূর্বাঞ্চলত শান্তিৰ পৰিবেশ গঢ়ি উঠিছে। ব্রহ্মপুত্র নদৰ ওপৰত ওখন নতুন দলং নির্মাণ কৰা হৈছে। 'এডভান্টেজ অসম'ৰ জৰিয়তে ৫.১৪ লাখ কোটি টকাৰ বিনিয়োগ আকর্ষণ কৰা হৈছে, যাৰ ১.৪০ লাখ কোটি টকা ইতিমধ্যে বাস্তৱায়িত হৈছে। শ্বাহে জানিবলৈ দিয়ে যে চৰকাৰে এক লাখ নিযুক্তিৰ প্রতিশ্রুতিৰ বিপৰীতে ১.৩১ লাখ নিযুক্তি প্রদান কৰিছে, আৰু সম্পূর্ণ স্বচ্ছ প্রক্রিয়াৰ জৰিয়তে এই কাম সম্পন্ন হৈছে। আগন্তুক নির্বাচনৰ পূর্বে ডেৰ লাখ নিযুক্তি প্রদানৰ লক্ষ্যৰ প্রতি তেওঁ আশাবাদী। অনুপ্রৱেশ আৰু বাল্যবিবাহৰ প্রসংগত অমিত শ্বাহে কয় যে হিমন্ত বিশ্ব শর্মাৰ চৰকাৰে বাল্যবিবাহ বোধৰ বাবে কঠোৰ ব্যবস্থা গ্রহণ কৰি জড়িত ব্যক্তিসকলক কাৰাগাৰলৈ পঠিয়াইছে। এই সমস্যাৰ সমাধানৰ বাবে শিক্ষাৰ সুবিধা প্রদানৰ বাবে বিভিন্ন আঁচনি প্রবর্তন কৰা হৈছে। তদুপৰি, লক্ষাধিক একৰ ভূমি বেখলমুক্ত কৰা হৈছে, যাৰ ভিতৰত ৮৭ একৰ বনভূমি আৰু ২৬ একৰ চৰকাৰী ভূমিকে ধৰি মুঠ ১,১৯,৫৪৮ একৰ ভূমি উদ্ধাৰ কৰা হৈছে। গগৈৰ গগৈয়ে এই উচ্ছেদৰ বিৰোধিতা কৰিছে যদিও শ্বাহে দৃঢ়তাৰে কয় যে প্রতি ইঞ্চি ভূমি বেদখলমুক্ত কৰি ঘুৰকসকলৰ হাতলৈ তুলি দিয়া হ'ব। তেওঁ আৰু কয় যে কংগ্রেছৰ শাসনকালত দখল হে যোৱা সত্রৰ ভূমি উদ্ধাৰ কৰি শংকৰদেৱ আৰু মাধৱদেৱৰ সন্মান বক্ষা কৰা হৈছে। শ্বাহে দাবী কৰে যে মোদী চৰকাৰৰ ১১ বছৰৰ শাসনকালত উত্তৰ-পূর্বাঞ্চলত শান্তি আৰু বিকাশৰ জৰিয়তে এক বিশ্বাসৰ পৰিবেশ গঢ়ি তোলা হৈছে। কেৱল উত্তৰ-পূর্ব নহয়, সমগ্র দেশতে শান্তি প্রতিষ্ঠাৰ কৃতিত্ব মোদী চৰকাৰৰ। তেওঁ উল্লেখ কৰে যে পহলগাঁমৰ ঘটনাৰ প্রতিশোধ হিচাপে 'অপাৰেশান সিন্দুৰ'ৰ জৰিয়তে সন্ত্রাসবাদীৰ ঘাটি ধ্বংস কৰা হৈছে আৰু মূল মুৰব্বীক নিহত কৰা হৈছে। এনেদৰে 'অপাৰেশান মহাদেৱ'ৰ জৰিয়তে তিনিজন হত্যাকাৰী সন্ত্রাসবাদীক নিহত কৰা হৈছে। অমিত শ্বাহে ঘোষণা কৰে যে অসমত তৃতীয়বাৰৰ বাবে বিজেপিৰ নেতৃত্বত এন ডি এৰ চৰকাৰ গঠিত হ'ব। তেওঁৰ মতে, কংগ্রেছ সদায় শেষ হৈছে আৰু অনুপ্রৱেশক প্রশ্রয় দিয়াৰ দিন উকলি গৈছে। তেওঁ কটাক্ষ কৰি কয় যে পাকিস্তানলৈ বাৰে বাৰে যোৱা নেতা বা খন্টাঘৰীয়ে অসমৰ নেতৃত্ব দিব নোৱাৰে। হিমন্ত বিশ্ব শর্মাৰ নেতৃত্বত অসম বিকাশৰ নতুন যুগলৈ আগবাঢ়িব, আৰু আগন্তুক নির্বাচনত এন ডি এ জয়ী হৈ দ্বিতীয় তেওঁ কংগ্রেছক প্রতিনিধিসকলক এই লক্ষ্যত উৎসর্গিত হৈ সংকল্প গ্রহণ কৰিবলৈ আহ্বান জনায়। এই সম্মিলনত অমিত শ্বাহক অসমৰ স্বাভিমান আৰু সংস্কৃতিৰ প্রতীক হেংদাং আৰু তোৱতাল প্রদান কৰা হয়। বাজিক বিজেপি আৰু অগপৰ তৰফৰ পৰা তেওঁক উদ্যু আদৰণি জনোৱা হয়। শ্বাহে তিনিখন গ্রন্থৰ উন্মোচনো কৰে। সম্মিলনত বিজেপিৰ বাজিক সভাপতি দিলীপ শইকীয়াই আদৰণী ভাষণ প্রদান কৰে। এই বিধান সম্মিলনত মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মা, কেন্দ্রীয় মন্ত্রী সর্বানন্দ সোণোৱাল, অগপৰ সভাপতি অতুল বৰা, কার্যকৰী সভাপতি কেশৰ মহন্ত্ৰ্ব প্রমুখে মন্ত্রী, বিধায়ক আৰু এন ডি এৰ বিভিন্ন দলৰ নেতৃত্ব উপস্থিত থাকে। বিজেপিৰ ১৬ হাজাৰবো অধিক পঞ্চায়ত প্রতিনিধি, অগপৰ ১৫০০বো অধিক প্রতিনিধি লগতে কার্বি স্বায়ত্তশাসিত পৰিষদ, ডিমাছা স্বায়ত্তশাসিত পৰিষদৰ নির্বাচিত প্রতিনিধিসকলে এই অনুষ্ঠানত অংশগ্রহণ কৰে। দুদিনীয়া কার্যসূচীৰে বৃহস্পতিবাৰে সন্ধিয়া গুৱাহাটীত উপস্থিত হোৱা অমিত শ্বাহে বিজেপিৰ বাজিক কার্যালয়ত প্রদেশ বিজেপিৰ কর্ণধাৰ কমিটীৰ বৈঠকত অংশ গ্রহ। শুক্রবাৰে পুৱা তেওঁ কাইনাথৰ বাজিক অতিথিশালাত থাকি নবনির্মিত বাজভবনৰ নতুন গৃহ উদ্বোধন কৰে। ইয়াৰ পিছত তেওঁ খানাপাৰাত এন ডি এৰ পঞ্চায়ত প্রতিনিধি সম্মিলনক ভাষণ প্রদান কৰে। এই সম্মিলনৰ জৰিয়তে বিজেপিৰ নেতৃত্বত এন ডি এ শক্তিশালী ঐক্য আৰু ২০২৬ নির্বাচনৰ বাবে তেওঁলোকৰ প্রস্তুতিৰ স্পষ্ট ছবি প্রকাশ পাইছে।

শিক্ষানুষ্ঠানৰ ব্যৱহাৰিকতাত

পিতৃ-মাতৃ আৰু পৰিয়ালৰ নিকটতম আত্মীয়সকলৰ কোলাই বোকোচাই উঠি মাত মাতিব পাৰা, খোজ-কাটল কাঢ়িব পাৰা আৰু মনৰ অনুভৱ-অনুভূতি প্রকাশ কৰিব পাৰা হোৱাৰে পৰা মাক-দেউতাক আৰু অভিভাবকসকলে বিদ্যা শিক্ষা লভিবৰ বাবে বিদ্যালয় বা শিক্ষানুষ্ঠান পঠোৱাটো এটা গতানুগতিক বিধি বা নিয়ম। প্রাৰম্ভিক স্তৰৰ শিশুটিক কেনেকুৱা বিদ্যালয়লৈ পঠাব, কি মাধ্যমত পঢ়ুওৱাব আৰু কেনেদৰে শিক্ষা জ্ঞান লাভৰ বাবে কৰাব এই লেখ কবাব এই লৈ আমাৰ অভিভাবক সকলৰ অনেক জল্পনা-কল্পনা আৰু ন ন ভাব-চিন্তা - এইবোৰ আমাৰ জনসাজৰ কেতবোৰ পৰম্পৰাগত চিন্তা-পৰিকল্পনা। মানৰ সম্পদ গড়ি তোলাৰ ক্ষেত্রত আমাৰ সমাজৰ বহুবোৰ শিক্ষা সচেতন নাগৰিক ধৰণৰ ন ন আদর্শ অনুগত শিক্ষানুষ্ঠান গড়ি তোলাত অগ্রণী আৰু সক্রিয় ভূমিকা লোৱা দেখা পোৱা যায়। যাৰ যেনেকুৱা ৰুচি-আভীৰুচি আৰু আশা অনুৰাগ সেই সকলোবোৰ বিষয়ক লৈ বিভিন্ন ব্যবসায়িক কৰলত পৰি বিদ্যালয় খোলা দেখা পোৱা যায়। যাৰ ফলত বহু সুবিধাজনক ঠাইত শিক্ষানুষ্ঠান

হালোৱাটিং আৰক্ষী থানাৰ অধীনস্থ লাহদৈগড়ত উদ্ধাৰ হ'ল সোণাপুৰত অপহৃত হোৱা বৃহৎ পৰিমাণৰ টিনপাত

অসম বাৰ্তা, আমগুৰি, ২৮ আগষ্ট ঃ আমগুৰিৰ হালোৱাটিং লাদৈগড় সাত নং খেলপথাৰৰ কাষত যোৱা ২৫ আগষ্টৰ নিশা জিন্দাল কোম্পানীৰ নীলা আৰু সেউজীয়া বঙৰ বৃহৎ পৰিমাণৰ চুৰি টিনপাত উদ্ধাৰ হয়। সাত নম্বৰ লাইনৰ খেলপথাৰৰ কাষত পৰি থকা অবস্থাত স্থানীয় গাঁওবাসী বাহিনীয়ে টিনখিনি প্ৰত্যক্ষ কৰি হালোৱাটিং আৰক্ষীক খবৰ দিয়াত আমগুৰি আৰক্ষী থানাৰ চক্ৰ পৰিদৰ্শক আৰু হালোৱাটিং আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসহ এটা আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ ৫৬খন কৈ নীলা বঙৰ টিনপাত উদ্ধাৰ কৰি জব্দ কৰে। উল্লেখ্য যে যোৱা ১৪ আগষ্ট তাৰিখে এ এছ ০১ জে চি ৪৫৫৭ নম্বৰৰ এখন ১৬ চকীয়া ট্ৰাকে প্ৰায় এক কোটি মূল্যৰ টকাৰ জিন্দাল কোম্পানীৰ টিনপাত আৰু অন্যান্য সামগ্ৰী লৈ শিলচৰলৈ ৰাওনা হোৱাৰ পথত নিশাকৈ হেছিল। যোৱা ২০ আগষ্ট তাৰিখে শিবসাগৰ জিলাৰ চেৰেকণাথ আৰক্ষীয়ে শিবসাগৰত ট্ৰাকখন উদ্ধাৰ কৰাৰ পাছতেই সমগ্ৰ ঘটনা পোহৰলৈ আহে। সোণাপুৰ আৰক্ষীয়ে অপহৃত গাড়ী আৰু সামগ্ৰীৰ ১৩০/২৫ আৰু ভাৰতীয় ন্যায় সংহিতাৰ অধীনত ৩০৩/৩১৭(২)/৩১৮(৪)/৬১(২) ধাৰা কজো কৰে। আৰক্ষী সুত্ৰত প্ৰকাশ যে ট্ৰাকখনৰ চালক উৎপল দাসে ট্ৰাকখন শিলচৰলৈ নিয়াৰ পৰিবৰ্তে শিবসাগৰলৈ আনি ট্ৰাকখনত মজুত থকা সামগ্ৰী বিভিন্ন ঠাইত বিক্ৰী কৰে। চুৰি হোৱা সামগ্ৰীসমূহ একাংশ হালোৱাটিং আৰক্ষী থানাৰ অন্তৰ্গত বৰচিলাৰ হাজৰিকা আৰু দে উপাধিৰ দুজন লোকৰ ঘৰত মজুত ৰাখিছিল বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। সোণাপুৰ আৰক্ষীয়ে গোচৰৰ ভিত্তি কৰি শিবসাগৰ জিলাৰ হালোৱাটিং আৰু বৰচিলাৰ তিনিজনকৈ লোক ক্ৰমে ভাস্কৰ চেতিয়া, নাৰায়ণ ছহুৱীন আৰু মেহতাজ খানক সোধাপোচাৰ কৰে আটক কৰিছিল যদিও নাৰাজ ছহুৱীন আৰু আৰু মেহতাজ খানক হালোৱাটিং আৰক্ষীয়ে সোধাপোচা কৰি যাবলৈ দিয়ে। ভাস্কৰ চেতিয়াক সোণাপুৰ আৰক্ষীয়ে আটক কৰি জেললৈ প্ৰেৰণ কৰে। ট্ৰাকখনৰ চালক উৎপল দাসকো জেললৈ প্ৰেৰণ কৰে। আনহাতে উক্ত টিনপাত উদ্ধাৰ কৰি দিম বুলি ৰবচিলাৰ জনৈক বাজে টিনৰ মালিকবপৰা প্ৰায় ৮০ হেজাৰ টকা লয় যদিও এই কথা গম পাই হালোৱাটিং আৰক্ষীয়ে ৰাজক ধৰি আনি উক্ত টকা উদ্ধাৰ কৰে বুলিও জনা গৈছে। ই তিমধ্যে হালোৱাটিঃৰ বিভিন্ন স্থানত এই টিনপাত উদ্ধাৰ হোৱা বুলি জানিব পৰা গৈছে। এই ঘটনাৰ সৈতে জড়িতৰ সন্দেহ কৰা ব্যক্তিজোতিক হাজৰিকা এতিয়াও পলাতক। উদ্ধাৰ হোৱা টিনপাত খিনিৰ সম্পৰ্কত উচ্চ পৰ্যায়ৰ তদন্ত হ'লেই জোলোঙাৰ মেকুৰী ওলাই পৰাৰ সম্ভাবনা আছে। উল্লেখ্য যে টিনপাত অপহৰণৰ এই কাণ্ডৰ সৈতে ৰাজনৈতিক দলৰ বিয়াগোম নেতাক সম্পৰ্কীয়ও জড়িত বুলি বিশেষ সূত্ৰত প্ৰকাশ।

জিলা আয়ুক্তক অভিযোগ আঠটা চুবুৰীৰ বাসিন্দাৰ

ৰামদিয়াৰ বংশীগোপাল সত্ৰৰ নাম সলনিক লৈ প্ৰতিক্ৰিয়া

অসম বাৰ্তা, হাজো, ২৮ আগষ্ট ঃ কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত সত্ৰ নগৰী ৰামদিয়াৰ এখন সত্ৰৰ নাম সলনি কৰাক লৈ তীব্ৰ বিতৰ্কৰ সৃষ্টিপ্ৰাপ্ত ঘটিছে অঞ্চলটোৰ লোকসকলৰ মাজত। জনিব পৰা মতে সত্ৰ নগৰী ৰামদিয়াৰ শ্ৰীশ্ৰী বংশীগোপাল সত্ৰৰ নাম সলনি কৰি শ্ৰীশ্ৰী বংশীগোপাল ঢাকুৰপাৰা সত্ৰ কৰাক লৈ জাঙুৰ খাই উঠিছে সত্ৰ খনৰ অন্তৰ্গত আঠটাকৈ চুবুৰীৰ ৰাইজ। উল্লেখযোগ্য যে অতীজৰে পৰা শ্ৰীশ্ৰী বংশীগোপাল সত্ৰ নামেৰে চলি অহা ঐতিহ্যসিক সত্ৰখনক হঠাৎ এটা চুবুৰীৰ ৰাইজে গ্ৰাস কৰি নিজৰ চুবুৰীৰ নাম সংলগ্ন কৰাত জাঙুৰ খাই উঠিছে সত্ৰখনৰ লগত জড়িত বাপ-বাহুৰ সকল। সত্ৰৰ পুৰণি কলীয়া ৰচিঘৰ লগতে আন আন বহু তথ্যত পোৱা মতে পূৰ্বৰে পৰাই শ্ৰীশ্ৰী বংশীগোপাল সত্ৰ নামেৰে জনাজাত এই ঐতিহ্যসিক সত্ৰখনক নাম সলনিক কেন্দ্ৰ কৰি সত্ৰ খনৰ ভকত বৈষ্ণৱৰ মাজত সৃষ্টি হৈছে ব্যাপক প্ৰতিক্ৰিয়াৰ। আনকি শংকৰদেৱ ওৰু জনাব তিথিও বেলেগ বেলেগকৈ দুখনকৈ অনুষ্ঠিত কৰিছে সত্ৰখনৰ অন্তৰ্গত বাইজে। ইয়াকে চৰম অস্তিত্ব পৰিছে সত্ৰখনৰ অধীনত আটাইকেই চুবুৰীৰ বাইজ গয়বহ। আনকি এই ঘটনা সন্দৰ্ভত কামৰূপ জিলা আয়ুক্ত আৰু হাজো চক্ৰ বিষয়াকো লিখিত অভিযোগ দাখিল কৰিছে আটাইকৈ চুবুৰীৰ বাইজে। কিন্তু প্ৰশাসনৰ ফালৰ পৰা কোনো ধৰণৰ সঁহাৰি নোপোৱাত বিমোৰত পৰিছে ভকত বৈষ্ণৱসকল। সেয়েহে প্ৰশাসনে অতি শীঘ্ৰেই এক সুস্থিৰ সিদ্ধান্ত গ্ৰহণ কৰি সত্ৰখনৰ লগত জড়িত আঠটাকৈ চুবুৰীৰ বাইজক ন্যায় দিবলৈ আহ্বান জনাইছে স্থানীয় লোকসকলে।

বাক্সাৰ উত্তৰকুছিত বন্যহস্তীৰ আক্ৰমণত এজন নিহত

অসম বাৰ্তা, বাগানপাৰা, ২৮ আগষ্ট ঃ বাক্সা জিলাৰ ভাৰত চুটীয়া সীমান্তবৰ্তী উত্তৰকুছিত চৌকিত বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হৈছে। উত্তৰকুছি গাঁৱৰ গাঁওবুঢ়া সদানন্দ দাসে জানিবলৈ দিয়ে যে, কালি নিশা প্ৰায় বাৰমান বজাত সংঘটিত হৈছে ঘটনাটো। দিনৰ ভাগত এজন মানসিক বিকাশগ্ৰস্ত লোক সুবণথাটী বনাঞ্চললৈ হাতত যোৱা ৰাইজে প্ৰত্যক্ষ কৰে আৰু নিশা অহা বনৰীয়া হাতীৰ আক্ৰমণত লোক জনৰ মৃত্যু হয়। লোকজনৰ বয়স আনুমানিক বিশ/ পচিশ বছৰ হ'ব। মৃত ব্যক্তি জনৰ পৰিচয় এতিয়াও জানিব পৰা হোৱা নাই। স্থানীয় আৰক্ষীক ঘটনা সম্পৰ্কে অৱগত কৰোৱাৰ পিছত মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ নিমিত্ত হয় যদিও বাতৰি লিখা পৰলৈকে মৃত ব্যক্তি জনৰ পৰিচয় এতিয়াও জানিব পৰা হোৱা নাই। উল্লেখ্য যে, বাক্সা অঞ্চলত বহুবছৰৰ পৰাই বনৰীয়া হাতীয়ে উপদ্ৰব চলাই আহিছে। হাতীৰ আক্ৰমণত এই অঞ্চলত পাঁচজন লোকৰ মৃত্যু হৈছে।

কৃত্ৰিম বানত জলমগ্ন শতাধিক পৰিয়াল

জাঁজীত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় পথ নিৰ্মাণত অবিবেচক কাণ্ড

জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ জিলা আয়ুক্তলৈ স্মাৰক পত্ৰ

অসম বাৰ্তা, জাঁজী, ২৮ আগষ্ট ঃ বৰ্তমান ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ফলেৰ নিৰ্মাণৰ কাম পূৰ্ণ গতিত চলি আছে। বৃহত্তৰ শিবসাগৰ জিলাৰ জাঁজী অঞ্চলটোৰ মাজেৰে পাৰ হৈ যোৱা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটোৰ সম্প্ৰসাৰণৰ দায়িত্বত থকা ৰিঞ্চণা প্ৰাইভেট লিমিটেড নামৰ প্ৰতিষ্ঠানটোৰ কিছু অপৰিকল্পিত নিৰ্মাণ কাৰ্যৰ ফলত পথটিৰ দুয়ো কাষৰ কেইবাখনো গাঁও তথা স্থানীয় বিদ্যালয় আৰু চৰকাৰী প্ৰতিষ্ঠান বৰ্তমান সময়ত কৃত্ৰিম বানত সম্পূৰ্ণ জলমগ্ন। যাৰ ফলত ৰাইজে জীয়াটো ভুগিব লগা হৈছে। লগতে ৰাষ্ট্ৰীয় ঘাইপথটিৰ লগত সংলগ্ন হৈ থকা মুখ্য উপপথ সমূহৰ সমুখৰ অংশ সমূহ সুচল আৰু পৰিকল্পিত ভাবে নিৰ্মাণ কৰি নিদিয়াৰ ফলত ৰাইজৰ চলাচলৰ ক্ষেত্ৰত বহুবিধি অসুবিধাৰ সৃষ্টি হৈছে। মূলতঃ এই সমস্যা দুটাৰ এটা স্থায়ী সমাধান বিচাৰি জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নিপজোতি বড়া আৰু সাধাৰণ সম্পাদক উজ্জ্বল দত্তৰ স্বাক্ষৰ কৰি বহুতো আঞ্চলিক পত্ৰ কৰি শিবসাগৰ জিলাৰ আয়ুক্তৰ হাতত অৰ্পণ কৰে। উল্লেখ্য যে স্মাৰক পত্ৰত লিখিত অনুসৰি জাঁজী গড়ুমুখ তিনি আলিৰ পৰা গোৰীসাগৰলৈকে এই পথ চোৱাব এটা কাষতে ঐতিহাসিক ৰঙাজান প্ৰবাহিত হৈ আছে। ইয়াবোপৰি এই ৰঙা জানে সমগ্ৰ অঞ্চল তোৰ এটা বৃহৎ জলৰাশিৰ ধাৰণ ক্ষমতা বহন কৰি আহিছে। কিন্তু বৰ্তমান সময়ত অতি পৰিতাপৰ বিষয় এই ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথটিৰ সম্প্ৰসাৰণৰ বাবে এই ৰঙা জানৰ এটা অংশ সম্পূৰ্ণকৈ পুতি পেলোৱাৰ ফলত এজাক বৰষুণৰ ফলতেই জলবাহিনী সুচল ৰূপে বৈ যাব নোৱাৰাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় পথটোৰ দুয়ো কাষৰ জনবসতি পূৰ্ণ অঞ্চল সমূহ কৃত্ৰিম বানৰ কবলত পৰিছে। যাৰ ফলত ৰাষ্ট্ৰীয় ঘাই পথৰ কাষৰ কেইবাখনো গাঁও তথা বিদ্যালয় চৌহদত পানী জমা হৈ ছাত্ৰ ছাত্ৰীসকলে নিয়মীয়া শিক্ষা গ্ৰহণত ক্ষতি সাধন হৈছে। সমাম্বৰাল ভাবে পথ সম্প্ৰসাৰণৰ ক্ষেত্ৰত পথৰ দুয়ো কাষৰ বহুৰ পৰিমাণৰ পানী বোৱাই নিয়াৰ ক্ষেত্ৰত নিৰ্মাণৰ দায়িত্বত থকা প্ৰতিষ্ঠান টোৱে কোনো ধৰণৰ পৰিকল্পিত অথবা বিজ্ঞান সন্মত পদ্ধতি ব্যবহাৰ হোৱা নাই বুলি অভিযোগ উঠিছে বিভিন্ন মহলৰ পৰা। বিশেষকৈ জাঁজী, জামুগুৰি, ফুলপানিছিগা সৈকে ৰাষ্ট্ৰীয় ঘাইপথটোৰ লগত সংগলগ্ন হৈ থকা মুখ্য উপ পথ সমূহৰ সমুখ ভাগ সুপৰিকল্পিত ভাবেৰাইজৰ সুবিধা হোৱাকৈ সুচল কৰি নিদিয়ায় ফলত বহুখিনি অসুবিধাৰ সন্মুখীন হোৱা দেখা গৈছে। আনহাতে স্মাৰক পত্ৰ প্ৰদান কৰোঁতে জাঁজী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধি হিচাপে সন্থাৰ উপদেষ্টা বৃটম দত্ত, উপ সভাপতি অবিনাশ ৰাভা আৰু সাধাৰণ সম্পাদক উজ্জ্বল দত্ত উপস্থিত থাকে। ইতিমধ্যে জিলা আয়ুক্ত গৰাকীয়ে আতি সোনকালেই ইয়াৰ ওপৰত পৰিকল্পিত ব্যবস্থা গ্ৰহণ কৰিব বুলি আশ্বাস প্ৰদান কৰে।

কণ-কণ শিক্ষাৰ্থী অহা যোৱা কৰা অঞ্চলটোত যিকোনো মুহূৰ্ততে ঘটিব পাৰে অঘটন

বৰক্ষেত্ৰীত ডিজিটেল ইণ্ডিয়াৰ ফোঁপোলা স্বৰূপ

মৰণফান্দ সদৃশ জৰাজীৰ্ণ বাঁহৰ সাঁকোৰে বহুৰ-বহুৰ ধৰি যাতায়ত স্থানীয় লোকৰ

অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৮ আগষ্ট ঃ নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত মুকালমুহোৰাৰ ৩নং ভেলামাৰীত জৰাজীৰ্ণ বাঁহৰ সাঁকোৱে দীৰ্ঘদিন ধৰি যাতায়াত অব্যাহত ৰাখিছে পথচাৰীয়ে। উল্লেখ্য যে অতি বিপদজনক অৱস্থাত থকা জৰাজীৰ্ণ বাঁহৰ সাঁকোৱে নিতৌ অঞ্চলটোৰ শ শ লোকে আহ যাহ কৰাৰ উপৰিও স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলেও মৰণত শৰণ দি অহা যাবা কৰিবলগা হৈছে। মৰণফান্দ সদৃশ এই বাঁহৰ সাঁকোৰ ওপৰেৰে অহা যোৱা কৰা অৱস্থাই ডিজিটেল ইণ্ডিয়াৰ ফেঁপোলা স্বৰূপ উন্মোচিত কৰিছে। অঞ্চলটোৰ বাইজে প্ৰতি বছৰে গাঁঠিৰ ধন ভাঙি বাঁহৰ সাঁকো নিৰ্মাণ কৰে যদিও কোনো দুষ্টচক্ৰই এইবাৰ এই বাঁহৰ সাঁকোখন ভাঙি দিয়ায়। যাৰ ফলত এতিয়া তৰ বাৰিষাত পানী ভাঙি আহিব লগা হৈছে ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় লোক সকলে। উল্লেখ্য যে বৰক্ষেত্ৰীৰ ভেলামাৰী পৰা বিভিন্ন প্ৰান্তৰ স্কুল -কলেজৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় লোকেও এই জৰাজীৰ্ণ বাঁহৰ সাঁকোৰে নিতৌ যাতায়ত অব্যাহত ৰাখিছিল। কিন্তু ই ৰায় পিছতো দীৰ্ঘদিনীয়া সমস্যাটো সমাধানৰ কথাবিলে যেন আহৰি নাই চৰকাৰ কিম্বা বিভাগীয় কৰ্তৃ পক্ষৰ। বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত ৩নং ভেলামৰীৰ এই অঞ্চলটো এনেকৈ বহুবৰ পিছত বহুৰ ধৰি অবহেলিত হৈ অহাত ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰো সৃষ্টি হৈছে। অঞ্চলটো সংখ্যালঘু অঞ্চল হোৱা হেতুকেই উন্নয়ন ক্ষেত্ৰত পিঠি দিছে নেকি বুলিও ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। ৰাইজে দাবী কৰিছে অনতিপলমে যাতে এই বাঁহৰ সাঁকোখন পকীকৰণ কৰি দি শিক্ষাৰ্থীসকলৰ লগতে বৃহত্তৰ চৰাঞ্চলবাসী ৰাইজৰ বৃহৎ উপকাৰ সাধন কৰে।

উত্তৰ কমলাবাৰী সত্ৰৰ তিনি গৰাকী নৃত্যশিল্পীলৈ প্ৰচাৰ ভাৰতীৰ 'বি গ্ৰেড'

অসম বাৰ্তা, উজনী মাজুলী, ২৮ আগষ্ট ঃ প্ৰচাৰ ভাৰতী গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ সদা ঘোষিত উত্তৰ কমলাবাৰী সত্ৰৰ তিনি গৰাকী নৃত্য শিল্পী নিৰঞ্জন ৰবৰাযন, দীপক বৰুৱা, ভাস্কৰ শইকীয়া লে সত্ৰীয়া নৃত্যৰ "বি গ্ৰেড" শিল্পী হিচাপে স্বীকৃতি প্ৰদান কৰিছে। তিনিও গৰাকী নৃত্য শিল্পীয়ে উত্তৰ কমলাবাৰী সত্ৰলৈ তথা মাজুলী জিলে গৌৰৱ কঢ়িয়াই আনিছে। শ্ৰী শ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দ্দন দেব গোস্বামী, পদ্মশ্ৰী গোপিনাথ ৰবগোহাঁই, সংগীত নাটক অকাডেমী বঁটা প্ৰাপক ভবেন ৰবৰাযন, অধ্যাপক ড° ভবানন্দ ৰবৰাযন, অধ্যাপক উপেন কৰগোঁয়াই আদি বিসমিল্লাহ খান যুব বঁটা প্ৰাপক মুকুন্দ ৰবৰাযন, ড° যাদব চন্দ্ৰ ৰবা, তীৰ্থ ভূঞা ৰবাগোহাঁই লগতে বেলৰ বুন্দই আন্তৰিক অভিনন্দন জনাইছে। উত্তৰ কমলাবাৰী সত্ৰৰ তিনিও গৰাকী নৃত্য শিল্পীয়ে ৭ বছৰ বয়সতে সত্ৰ লৈ আহি মহাপুৰুষ গুৰু দুজনাৰ নৃত্য, গীত, বাদ্য, অংকীয়া নাট, সত্ৰীয়া ওজাপালি আদি অধ্যাপক সকলৰ ওচৰত শিক্ষা গ্ৰহণ কৰি অসমৰ লগতে ভাৰতবৰ্ষৰ মুম্বাই, নতুন দিল্লী, বেংগালুৰু, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, কলকাতা, গোৱা, পঞ্জাব, পণ্ডিচেৰীত গুৰু দুজনাৰ কলা সংস্কৃতি প্ৰদৰ্শন কৰি আছিল। ইয়াৰ উপৰিও নিৰঞ্জন ৰবৰাযন আৰু দীপক বৰুৱা আন্তৰ্জাতীয় পৰ্যায়ত ক্ৰমে - ফ্ৰান্স, চ্ৰীজাবলেণ্ড, জাৰ্মানী পৰ্তুগালত সত্ৰীয়া নৃত্য, গায়ন-বায়ন, ওজাপালি, অংকীয়া নাট প্ৰদৰ্শন কৰি গৌৰৱ কঢ়িয়াই আনিছে। উক্ত তিনিও গৰাকী শিল্পী ভবত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনস্থ চি.চি. আৰ.টি. ত তৰফৰ পৰাও 'যুব শিল্পী' হিচাপে পৰিচিত হৈ আছে। সংগীত নাটক অকাডেমী আৰু ৰাষ্ট্ৰীয় নাট্য বিদ্যালয় দিল্লী, চিকিমকে আয়োজীত অনুষ্ঠান সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰাৰ লগতে অসমৰ বিভিন্ন ঠাইত প্ৰশিক্ষণ প্ৰদান কৰি আছিল।

বিভিন্ন দল-সংগঠনৰ সম্বৰ্ধনা জ্ঞাপন

জুইয়ে পোৰা সোণ হৈ উজলিল গৰৈমাৰীৰ নাজিবুল হাচান

অসম বাৰ্তা, জনীয়া, ২৮ আগষ্ট ঃ জুইয়ে পোৰা সোণ হৈ উজলিল বৰপেটা জিলাৰ গৰৈমাৰী গাঁৱৰ মেধাৰী ছাত্ৰ নাজিবুল হাচান। সৰ্বভাৰতীয় নীট পৰীক্ষাত ৪৮৮ নম্বৰ লাভ কৰি সফলতাৰে উত্তীৰ্ণ হৈ বৃহত্তৰ গৰৈমাৰী অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আজি সদৌ অসম ইছলামিক দ্ভুত খাতনাকাৰী সম্ভাৱ সম্পত্তি লাল মিঞা আৰু সম্পাদক ৰফিকুল ইছলামৰ লগতে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ জিলা কাৰ্যকৰী সভাপতি ৰফিকুল ইছলামে নাজিবুল ইছলামৰ বাসগৃহত উপস্থিত হৈ এখনি ফোলাম গামোছা, জাপি আৰু কলমলৈ সম্বৰ্ধনা জ্ঞাপন কৰে। সৰু-সুবা ব্যাবসায় কৰি কোনোমতে পৰিয়াল পোহপাল দিয়া পিতৃ হিকমত আলীৰ সন্তানৰ পঢ়াৰ খৰচ বহন কৰাৰ সমৰ্থ নাছিল। বাতি থাকিবলৈ এখন উপযুক্ত বাসগৃহৰ অভাৱ। এনে এক কষ্টকৰ পৰিবেশৰ মাজেৰে প্ৰথম শ্ৰেনীৰ পৰা দশম শ্ৰেণীলৈ গৰৈমাৰী হাইস্কুলত অধ্যয় কৰে। একাদশ আৰু দ্বাদশ শ্ৰেণী এটিমছ চিনিয়ৰ চেকেণ্ডাৰী স্কুলত অধ্যায়ন কৰি নীট পৰীক্ষাত ৪৮৮ নম্বৰ লাভ কৰি লক্ষিয়ুপৰ মেডিকেল কলেজত নামভৰ্তিৰ সুযোগ পাই নাজিবুল হাচানৰ ডক্টৰ হোৱাৰ সপোন বাস্তবায়িত হোৱাৰ দিশে। সৰুৰে পৰা নাজিবুল হাচানৰ সপোন আছিল ডক্টৰ হোৱাৰ, লগতো পিতৃৰো সপোন আছিল সন্তানক ড°ৰ বনোৱাৰ। অৰ্থৰ অভাৱত টিউচন দিব পৰা নাছিল যদিও, দিনে ৰাতিয়ে অশেষ কষ্ট কৰি নীট পৰীক্ষাত ৪৮৮ নম্বৰ লাভ কৰি লক্ষিয়ুপৰ মেডিকেল কলেজত নাম ভৰ্তিৰ সুযোগ পাই আনন্দত আত্মহাৰা পৰিয়ালৰ লোক। সন্তানক এনে ফলাফলেৰে পিতৃ-মাতৃয়ে আনন্দ প্ৰকাশ কৰাৰ লগতে অঞ্চলত এক উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছে।

পূব বাঘমাৰা চৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নুৰ হুছাইনৰ আনুষ্ঠানিকভাৱে অৱসৰ গ্ৰহণ

অসম বাৰ্তা, শিমলীতোলা, ২৮ আগষ্ট ঃ চেঙা সমষ্টিৰ মন্দিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত ১৩৯১ নং পূব বাঘমাৰা চৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নুৰ হুছাইন আনুষ্ঠানিকভাৱে অৱসৰ গ্ৰহণ। আলোপতি মণ্ডল সমল কেন্দ্ৰ পৰিচালনা সমিতিৰ সভাপতি মহিদুল ই ছলামৰ সভাপতিত্বত অনুষ্ঠিত বিদায়ী সম্বৰ্ধনা সভাত অৱসৰপ্ৰাপ্ত শিক্ষক নুৰ হুছাইনক বিদ্যালয় পৰিচালনা সমিতি আৰু পূব বাঘমাৰা চৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সম্মিলন সমিতিৰ উদ্যোগত আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। ১৯৯৮ চনৰ ১৩ অক্টোবৰত প্ৰধান শিক্ষক হিচাপে যোগদান কৰি অবিৰতভাৱে ছাত্ৰ-ছাত্ৰীক শিক্ষাদানৰ যোগেদি সমাজখনত শিক্ষাৰ পোহৰ বিলাবলৈ চেষ্টা কৰা ত্ৰুটি নকৰা শিক্ষক নুৰ হুছাইন আছিল অমায়িক আৰু অত্যন্ত সৰল অন্তৰৰ মানুহ। সুদীৰ্ঘ সময় প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰা পিছত ২০২২ চনত তেওঁৰ সৈতে শাৰীবিক অসুস্থতাৰ বাবে সহঃ শিক্ষক আব্দুল জলিক স্ব-ইচ্ছাই প্ৰধান শিক্ষকৰ দায়িত্ব অৰ্পণ কৰে। তেতিয়াৰ পৰাই সহঃ শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি যোৱা ২০২৫ চনৰ ২৬ আগষ্ট তাৰিখে সহঃ শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। সুদীৰ্ঘ ২৭ বছৰ কাল বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে পূব বাঘমাৰা চৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষকতাৰ জৰিয়তে জ্ঞানৰ পোহৰ বিলোবা শিক্ষক নুৰ হুছাইন অঞ্চলস্থ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বিদ্যালয় পৰিচালনা সমিতি লগতে পূব বাঘমাৰা চৰ গাঁৱৰ সমাজ সচেতন ৰাইজ কৃতজ্ঞতা জনাই মানপত্ৰৰ সৈতে বিশেষভাৱে সম্বৰ্ধনা জনোৱা হৈছিল। সমাজখন শৈক্ষিকভাৱে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অৱসৰী শিক্ষক গৰাকীৰ অৱদান আছিল অতুলনীয় পাহৰিব নোৱাবা। অৱসৰী শিক্ষক নুৰ হুছেইনে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বিদ্যালয় পৰিচালনা সমিতি, শিক্ষক মণ্ডলীৰ লগতে সমাজৰ পৰা জনোৱা সম্মানত আপ্লুত হোৱাৰ উপৰিও কৰ্মজীৱনত জানি অজানিতে হোৱা ভুলৰ মাৰ্জনা বিচাৰি সকলৰে পৰা অৱসৰী সময় যাতে ভালদৰে কাটে তাৰে দোৱা বিচাৰে। শিক্ষক মণ্ডলী, বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীই লগতে বাইজে বিদায়ী শিক্ষক নুৰ হুছইনৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে প্ৰধান শিক্ষক ১৩৯১ নং পূব বাঘমাৰা চৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আব্দুল জলিল, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আব্দুল খালেক, ছইখ ৰবপেটা হাইস্কুলৰ প্ৰধান শিক্ষক আব্দুল বাৰিক মণ্ডল, অৱসৰপ্ৰাপ্ত শিক্ষক আজহাৰ ইউদুব আলী মণ্ডল, ১৩৯১ নং পূব বাঘমাৰা চৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সম্মিলন সমিতি সাধাৰণ সম্পাদক আব্দুৰ ৰহিমৰ লগতে বহুতো গণ্য-মান্য ব্যক্তি সকলে সভাত উপস্থিত থাকে।

ডিব্ৰুগড়ৰ মনোহাৰী দেৰী কানৈ মহিলা মহাবিদ্যালয়ত 'এই মাহৰ অতিথি' অনুষ্ঠানত উদ্যোগী যুৱক অবিনাশ বল্লভ, সিদ্ধাৰ্থ লালুঙৰ বিত্তীয় সাক্ষৰতা সম্পৰ্কীয় বক্তব্য

ষ্টাফ বিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ আগষ্ট ঃ উজনি অসমৰ নাৰী শিক্ষাৰ অগ্ৰণী অনুষ্ঠান মনোহাৰী দেৰী কানৈ মহিলা মহাবিদ্যালয়ত প্ৰতি মাহে নিয়মিতভাবে অনুষ্ঠিত 'এই মাহৰ অতিথি' শীৰ্ষক অনুষ্ঠান কাৰ্যসূচীত অতিথিৰূপে অংশ গ্ৰহণ কৰে উদ্যোগী যুৱকদ্বয় ক্ৰমে অবিনাশ বল্লভ আৰু সিদ্ধাৰ্থ লালুঙে। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুপ জ্যোতি ভৱালীয়ে আদৰণী ভাষণ প্ৰদান কৰে। নিজৰ ভাষণত তেওঁ কয় যে,'এই মাহৰ অতিথি'অনুষ্ঠানৰ যোগেদি ছাত্ৰীসকলে যাতে

হোৱাকৈ প্ৰতিটো মাহতে নিৰ্বাচিত বিশিষ্ট ব্যক্তিসকলক আমন্ত্ৰণ কৰি ছাত্ৰীসকলৰ বাবে পৰিচয় আৰু আৰ্তালাপ কৰাৰ সুবিধা সৃষ্টি কৰিব খোজা হৈছে আৰু ছাত্ৰীসকলে যাতে নিয়মিত শৈক্ষিক কাৰ্যকলাপৰ লগতে বৃত্তিমুখী মনোভাবেৰে ব্যবসায়-বাণিজ্যকো বৃত্তি কৰ্পে গ্ৰহণ কৰাৰ বাবে আগবাঢ়ি আহে, তাৰ বাবে ইতিহাস কৰ্মীৰ পৰিবেশ সৃষ্টি কৰা প্ৰয়োজন বুলি ভৱা হেতুকে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বিশেষ ভাবে, শেহতীয়াকৈ ষ্টক একচেঞ্জ, শ্বেয়াৰ বজাৰ, অনলাইন ট্ৰেডিং ই ত্যাদিত বৈধভাৱে ধন বিনিয়োগ কৰি ধন উপাৰ্জন কৰাৰ যি সুযোগ সৃষ্টি হৈছে, সেই বিষয়ে আমাৰ ছাত্ৰীসকলক অৱগত কৰা প্ৰয়োজন আৰু বিত্তীয় সাক্ষৰতাৰ জৰিয়তে এই ক্ষেত্ৰত থকা সম্ভাবনা আৰু আশংকাসমূহ মুকলিকৈ আলোচনা কৰা উচিত বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত উপস্থিত থকা দুয়োজন যুৱব্যবসায়ীয়ে আন ব্যবসায়ৰ লগতে এনে বৈধ ট্ৰেডিঙত লাভ কৰা সফলতা আমাৰ বাবে এক ইতিবাচক বাতৰি বুলি তেওঁ অভিহিত কৰে। অনুষ্ঠানত উদ্যোগী যুৱ ব্যবসায়ী তথা অনলাইন ট্ৰেডিং প্ৰক্ৰ

ডিব্রুগড়ত তিনি উপাচার্যৰ লগতে কেবাগৰাকীও বৌদ্ধিক সদস্যৰে অসম সাহিত্য সভাৰ শৈক্ষিক সমিতি

ষ্টাফ ৰিপৰ্টাৰ, ডিব্রুগড়, ২৯ আগষ্ট ঃ অসম সাহিত্য সভাই সাহিত্য, সংস্কৃতিৰ ভেটি শক্তিশালী আৰু সুদৃঢ় কৰাৰ লক্ষ্যৰে এক নতুন দিশ মুকলি কৰিছে। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰাই সম্প্ৰতি এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণৰে তিনিখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্যকলৈ উ পাচার্যকৈলে আলোচনাসত্ৰ, বিদ্যায়তনিক কার্যসূচী আৰু পৰামৰ্শ প্ৰদানৰ বাবে এখন সমিতি গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সম্পৰ্কত এগৰাকী বিশিষ্ট লেখক, সমাজ সংগঠক, ডিব্রুগড় হনুমানবক্স সুৰজমল কাঁনে মহাবিদ্যালয়ৰ অধ্যক্ষ (স্বায়ত্তশাসিত) অধ্যক্ষ কমৰ্চুৰ্য ড° শশীকান্ত শইকীয়াক আহ্বায়ক হিচাপে লৈ এখন শৈক্ষিক সমিতি গঠন কৰি দিছে। এই সমিতিখনে বিবিধ সমস্যা সম্পৰ্কত পৰামৰ্শ দিয়াৰ লগতে মূল অধিবেশনৰ আগতে বিভিন্ন শাখা সম্মিলন আয়োজন আৰু সম্মিলনৰ বিষয় নিৰ্বাচন কৰাত কাৰ্য সম্পাদন কৰিব। সমিতিখনত অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা বৰগোহাঁই বাজকোঁৱৰ, ডিব্রুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা আৰু মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচার্য ড° নিৰেণ বৰুৱাক উপদেষ্টা হিচাপে মনোনীত কৰা হৈছে। সদস্য হিচাপে মনোনীত কৰা হৈছে ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক ড° ৰাজীব সন্দিকৈ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ প্ৰাধ্যাপক, ড° যোগেন চন্দ্ৰ কলিতা, বিশিষ্ট লেখক তথা ৰবপেটা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিবিজিৎ কুমাৰ দাস, ডিব্রুগড়ৰ বিশিষ্ট উদ্যোগপতি, শিক্ষা সংগঠক জ্যোতি প্ৰসাদ কাঁনে আৰু অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰাক। এই সমিতিখনে অসমৰ উচ্চশিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ মাজত নিবিড় সম্পৰ্ক স্থাপন কৰি শিক্ষাৰ ক্ষেত্ৰখনত এক বৈপ্লবিক পৰিবৰ্তন আনিবলৈ চেষ্টা কৰিব। আলোচনাসত্ৰসমূহ বিশ্ববিদ্যালয়ৰ আৰু মহাবিদ্যালয়সমূহত অনুষ্ঠিত কৰা হ'ব। প্ৰস্তাবিত আলোচনাসত্ৰসমূহত শিক্ষাৰ মান উন্নয়ন, আঞ্চলিক ভাষা-সাহিত্যৰ উত্তৰণ, সংৰক্ষণ, গবেষণাৰ নতুন পথৰ সন্ধান আৰু বিশ্বমানৰ জ্ঞান, বিজ্ঞান, প্ৰযুক্তিৰ সঁতে অসমক সংযোগ কৰাৰ দিশত বিতং আলোচনা কৰিব। অসম সাহিত্য সভাৰ ইতিহাসত তিনিখন বিশ্ববিদ্যালয়ৰ তিনিজন উপাচার্যৰ অন্তর্ভুক্তিৰে এনেদৰে শক্তিশালী শৈক্ষিক সমিতি গঠন কৰি শিক্ষা, সাহিত্য, সাংবাদিকতাৰ উত্তৰণ কৰিবলৈ চেষ্টা চলোৱা এয়াই প্ৰথম। ই তিমধ্যে মনোনীত উ পাচার্যসকলকে ধৰি অন্যান্য সদস্যসকল এনে এখন উচ্চস্তৰীয় সমিতিৰ অংশীদাৰ হ'বলৈ পাই উৎসাহিত হৈছে বুলি জানিব পৰা গৈছে। সভাৰ এই পদক্ষেপে অসমৰ শিক্ষা, সাহিত্য, সংস্কৃতি, বিজ্ঞান, সাংবাদিকতাৰ উত্তৰণত এক নতুন দিশ উন্মোচন কৰিব বুলি আশা কৰা হৈছে। অসম সাহিত্য সভাৰ বিভিন্ন সম্মিলন, আলোচনাসত্ৰ আদিত দৰ্শক, শ্ৰোতাৰ সংখ্যা উপস্থিতিৰ পৰিপ্ৰেক্ষিতত অসম সাহিত্য সভাই বৌদ্ধিক দিশত সৰল পদক্ষেপ গ্ৰহণৰ যোগেদি এনেদৰে বিশ্ববিদ্যালয়, মহাবিদ্যালয়ত সম্মিলন আয়োজন কৰি মূল উদ্দেশ্য সফল হোৱাৰ আশাবে এনে শক্তিশালী শৈক্ষিক সমিতি গঠন কৰা বুলি জানিব পৰা গৈছে।

পূৰ্বৰ প্ৰতিশ্ৰুতি অনুসৰি লিডু বজাৰ হাইস্কুলত উপস্থিত সাংসদ গৰাকী

লিডুত উপস্থিত ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী

অসম বার্তা বিশেষ, জাগুন, ২৯ আগষ্ট ঃ ৮৩ নং মাৰ্ঘেৰিটা বিধান সভা সমষ্টিৰ লিডুত আজি উপস্থিত থাকে ৰাজ্য সভাৰ সাংসদ ৰামেশ্বৰ তেলী। পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি আজি দুপৰীয়া লিডু বজাৰ হাইস্কুলত উপস্থিত থকা বুলি ব্যক্ত কৰে সাংসদ গৰাকীয়ে। লিডু বজাৰ হাই স্কুল পৰিদৰ্শন কৰি সাংসদ গৰাকীয়ে "স্মাৰ্টক্লাছ" গঢ়াৰ লগতে আইপেড বিতৰণ কৰাৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰি আজি বিদ্যালয় খনত উপস্থিত থাকি পৰিস্থিতি অনুধাবন কৰাৰ উদ্দেশ্যে অহা বুলিও উল্লেখ কৰে। সিদ্ধান্ত অনুসৰি, বিদ্যালয় খনৰ নৱম শ্ৰেণীৰ ছাত্ৰ ছাত্ৰী সকলক মাজত একোটা কৈ আইপেড বিতৰণ কৰা সন্দৰ্ভত প্ৰাৰম্ভিক পৰিবেশ অধ্যয়ন কৰাৰ উদ্দেশ্যে আজি বিদ্যালয় খনত উপস্থিত হয় সাংসদ গৰাকী। তেখেতে জনায় যে বিদ্যালয় খনৰ নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অতি কম দিনৰ ভিতৰতে আইপেড বিতৰণ কৰা হ'ব বুলি জানিবলৈ দিয়ে সাংসদ গৰাকীয়ে। আজিৰ এই সময়ছোৱাত সাংসদ গৰাকীক সংগ দিয়ে তিনিচুকীয়া জিলা বিজেপিৰ কোষাধ্যক্ষ ধীৰাজ সোণোৱাল আৰু মাৰ্ঘেৰিটা টাউন মণ্ডলৰ সাধাৰণ সম্পাদক দীপক চেতিয়াই।

২০০৬ বিধানসভা নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী পদ্মলোচন নাৰ্জাৰীক আপৰ কোকৰাঝাৰ জিলাৰ নিৰ্বাচনী তত্ত্বাৱধায়কৰ দ্বায়িত্ব

বড়োলেণ্ড নিৰ্বাচনত কোকৰাঝাৰ জিলাৰ ২টা সমষ্টিৰ বাবে আপৰ প্ৰাৰ্থী ঘোষণা

কোকৰাঝাৰ, পিএনচি, ২৯ আগষ্ট ঃ বড়োলেণ্ডৰ ২০২৫ বৰ্ষৰ পৰিষদীয় নিৰ্বাচনত প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে আম আদমি পাৰ্টীয়ে। মনোনয়নপত্ৰ দাখিলৰ মাৰ্গো কিছু দিন পূৰ্বে আপ অসমৰ প্ৰথম প্ৰাৰ্থীৰ তালিকা প্ৰকাশ পাইছে। কোকৰাঝাৰ জিলাৰ আম আদমি পাৰ্টীৰ সভাপতি প্ৰদীপ কুমাৰ মুচাহাৰীক ২ নং গোমা পৰিষদীয় সমষ্টিৰ পৰা আৰু প্ৰান্তন আমছু নেতা ফীৰুছ আহমেদক ৭ নং ফকৰাডাঙ্গা পৰিষদীয় সমষ্টিৰ পৰা প্ৰক্ষেপ কৰা হৈছে। শুক্ৰবাৰে সংবাদমাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিত আম আদমি পাৰ্টী অসমৰ ৰাজ্যিক সম্পাদক অম্ভাজ্যোতি হাতীবৰুৱাই উল্লেখ কৰে যে বি টি চি নিৰ্বাচনত বাইজে আম আদমি পাৰ্টীক প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সুযোগ দিয়াটোৱেই দলটোৰ বাবে বৃহৎ সাফল্য। অসমৰ ভূমিপুত্ৰ, খিলঞ্জীয়াৰ মাজত আপৰ জনপ্ৰিয়তা দিনকদিনে বৃদ্ধি পাইছে। বাজ্যৰ প্ৰত্যেকটো সৰু বৰ নিৰ্বাচনত আম আদমি পাৰ্টীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই আহিছে আৰু বাইজৰ মমম বুজিলিবলৈ সক্ষম হৈছে। বড়োলেণ্ড নিৰ্বাচনৰ প্ৰাৰ্থীৰৰ বাবে ইতিমধ্যে বহু লোকে আবেদন কৰিছে যদিও আবেদনকাৰীৰ গণ ভিত্তি আৰু দলে ভালদৰে যুঁজ দিব পৰা সম্ভিত হে আপে প্ৰাৰ্থী নিৰ্ক্ষেপ কৰিব বুলি জনায় অম্ভাজ্যোতি হাতীবৰুৱাই। উল্লেখযোগ্য যে প্ৰাক্তন বিজেপি নেতা তথা ২০০৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী পদ্মলোচন নাৰ্জাৰীক আম আদমি পাৰ্টী, অসমে কোকৰাঝাৰ জিলাৰ "জিলা নিৰীক্ষী তত্ত্বাৱধায়ক" হিচাপে দায়িত্ব অৰ্পণ কৰিছে।

পাঠ্যক্ৰমৰ প্ৰমাণ পত্ৰ বিতৰণ ডাউন-টাউন চেৰিটাট্ৰাষ্টৰ

আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ ছাত্ৰীক জীৱিকামুখী

অসম বার্তা, উজনী মাজুলী, ২৯ আগষ্ট ঃ গুৱাহাটীৰ ডাউনটাউন বৈশ্বিক কেন্দ্ৰ "চেৰিটী ট্ৰাষ্ট"ক দক্ষতা বিকাশ যোজনাৰ অধীনত সমগ্ৰ শিক্ষা অভিযানে মাজুলীৰ তিনিখন বিদ্যালয়ত এলানি পাঠ্যক্ৰম আৰু প্ৰশিক্ষণৰ ব্যবস্থা কৰিছে। মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক, গড়মুৰ পীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক আৰু খাবজানপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় উক্ত আঁচনিৰ অন্তর্ভুক্ত কৰি অন্তত পৰীক্ষা অনুষ্ঠিত কৰা হয়। সেই উপলক্ষে আজি মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি মাজুলীৰ তিনিখন বিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত বৃত্তি মুখী পাঠ্যক্ৰমৰ প্ৰমাণ পত্ৰ বিতৰণৰ উদ্দেশ্যৰে বিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিয়লি ২ বজাৰ পৰা এখন সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ভিম্বেশ্বৰ ভূঞা ই আঙুৰ ধৰা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অমৃতেশ্বৰ চুতীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ডাউনটাউন বৈশ্বিক কেন্দ্ৰৰ সংযোজক বিশ্বজিৎ চাৰমাইয়ে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মাজুলী জিলা বিদ্যায়ৰ সমুহৰ পৰিদৰ্শক লিপিকা বৰগোহাঁইয়ে ছাত্ৰ-ছাত্ৰী সকলে পাঠ্যক্ৰমৰ শিক্ষা আহৰণৰ সমান্তৰালকৈ ভবিষ্যতে জীৱিকা নিৰ্বাহৰ সহায়ক হোৱাকৈ নিজকে গঢ়ি তোলাৰ লক্ষ্যে অধ্যয়ন কৰিবলৈ আহ্বান জনায়। সভাত উপস্থিত থাকি গড়মুৰ পীতাম্বৰ দেৱ গোস্বামী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কুমুদ গোস্বামীয়ে মাজুলী জিলা বিদ্যালয় সমুহত পোন প্ৰথমবাৰৰ বাবে আৰম্ভণি কৰা বৃত্তিমুখী পাঠ্যক্ৰমৰ যোগেদি দক্ষতা বিকাশৰ বা এনএছকিউ এফৰ অধীনত সমগ্ৰ শিক্ষা অভিযানে বিদ্যালয়সমূহত পাঠ্যক্ৰম আৰু প্ৰশিক্ষণৰ ব্যবস্থা কৰি এটা দীৰ্ঘদিনীয়া সমস্যা সমাধান কৰিলে বুলি উল্লেখ কৰে। সভাত মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জগত জ্যোতি সাতোটা, খাবজানপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰবীন চৰকাৰে বিদ্যায়তনৈ পাঠ্যক্ৰমৰ বাবে নিৰ্চিন কৰাৰ বাবে চেৰিটা ট্ৰাষ্ট আৰু সৰ্বশিক্ষা অভিযান মিচনক ধন্যবাদ জ্ঞাপন কৰে। সভাত উক্ত পাঠ্যক্ৰমৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকলক প্ৰমাণ পত্ৰ বিতৰণ কৰা হয়।

কংগ্ৰেছৰ নিকৃষ্ট ৰাজনীতি আখ্যা, ভুৱা ভিত্তিহীন বাতৰি প্ৰচাৰ

মাধৱপাৰা গাঁও পঞ্চায়ত প্ৰতিনিধিৰ সংবাদমেল

অসম বার্তা, কচুৱা, ২৯ আগষ্ট ঃ নগাঁও জিলাৰ বহা সমষ্টিৰ অন্তর্গত মাধৱপাৰা গাঁও পঞ্চায়তৰ প্ৰতিনিধিয়ে এক সংবাদমেলৰ আয়োজন কৰে। পঞ্চায়তখনৰ উপ-সভাপতি বাবুল ছহেইন আৰু বাৰ্ড সদস্যাৰ স্বামীয়ে সংবাদমেলৰ আয়োজন কৰে। দুয়োগৰাকী ব্যক্তিয়ে "কচুৱা বার্তা" নামৰ এটা চেনেলত পঞ্চায়ত উপ-সভাপতিসহ বার্ড সদস্যাৰ স্বামীয়ে কংগ্ৰেছ দলত যোগদান কৰা বুলি ভুৱা বাতৰি প্ৰকাশ পোৱাৰ পিছত আজি সংবাদ মেল যোগে কয় যে উক্ত বাতৰিটো সম্পূৰ্ণ ভুৱা, ভিত্তিহীন আৰু এটাম কংগ্ৰেছ কৰ্মীৰ ষড়যন্ত্ৰ বুলি মন্তব্য কৰে। সোমবাৰে অনুষ্ঠিত হোৱা এখন বাজহুৱা সভাত দুয়ো গৰাকী ব্যক্তিক নিমন্ত্ৰণ জনাইছিল যদিও সেই সভাত পঞ্চায়ত উপ-সভাপতি উপস্থিত হয় আৰু সেয়া কংগ্ৰেছ দলৰ সভা বুলি জানিব পাৰি দুয়োগৰাকীয়ে সেই সভা ত্যাগ কৰি উভতি আহে। কিন্তু সেই সভাত উপস্থিত হোৱাৰ বাবে কংগ্ৰেছ দলত যোগদান কৰা বুলি ভুৱা বাতৰি প্ৰচাৰ চলাই ৰাইজৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰে বুলি অভিযোগ এনে কাম নকৰিবলৈ সকীয়নী প্ৰদান কৰে সংবাদ মেলৰ জৰিয়তে।

কেঁচা চাহপাতৰ ন্যূনতম মূল্য নির্ধাৰণৰ বাবে চৰকাৰক আহ্বান

ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৯ আগষ্ট ঃ ৰাজ্যত আয়-সংস্থাপন আৰু নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰি থকা উৎপাদিত কেঁচা চাহপাতৰ মূল্য দিনক দিনে হ্ৰাস পই অহাত পানীত হাঁহ নচৰাৰ অৱস্থা হৈছে ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ। তাতে আকৌ ভুতৰ ওপৰত দানহ পৰাৰ দৰে বিদেশৰ পৰা অৰ্থাৎ কেনিয়াৰ পৰা ভাৰত চৰকাৰৰ পৃষ্ঠপোষকতাত বিনা শুল্কত আমদানি হৈ থকাত অসমৰ চাহৰ মূল্যৰ ওপৰত মাৰমাৰ শোধাইছে বুলি অভিযোগ তুলিছে ক্ষুদ্ৰ চাহ খেতিয়ক সমূহই। আজি তিনিচুকীয়া জিলা ক্ষুদ্ৰ চাহ সম্ভাৰ ডুমডুমাস্থিত কার্যালয়ত সভাপতি বাণা মৰাণৰ সভাপতিত্বত অনুষ্ঠিত এক সভাত ৰাজ্যত ক্ষুদ্ৰ চাহ খেতিয়কে কেঁচা চাহপাতৰ উচিত মূল্য নোপোৱাত গভীৰ উদ্বেগ প্ৰকাশ কৰে। সম্পাদক অজিত গগৈয়ে উদ্বেগ ব্যাখ্যা কৰা সভাত কেনিয়াৰ পৰা ৰাজ্যলৈ চাহৰ আমদানি সন্দর্ভত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্তবিশ্ব শৰ্মাৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰে ক্ষুদ্ৰ চাহ খেতিয়ক সম্ভাৰ নেতৃত্ব। উজনি আৰু উত্তৰ অসমৰ ৩৩ টাকৈ বিধানসভা সমষ্টিত সমাগত বিধানসভা নির্বাচনত বিজেপিৰ বিপক্ষে থাকিবলৈ বাধ্য হ'ব বুলি স্পষ্ট কৰি দিয়াৰ লগতে তেওঁ সোনকালে কেঁচা চাহপাতৰ উচিত মূল্যৰ দাবীত ধাৰাবাহিক গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব বুলি আজি সভাই সিদ্ধান্ত গ্ৰহণ কৰে। বর্তমান বটলিফ ফেক্টৰীসমূহে তিনিচুকীয়া জিলাত ১৩/১৪টকা কেঁচা চাহপাতৰ দাম দিয়াৰ বিপৰীতে প্ৰতি কেজি চাহপাত উৎপাদন কৰোতে প্ৰায় ২৪ টকাতকৈ অধিক খৰচ হয় বুলি চাহ খেতিয়ক সম্ভাৰ বিষয়বীয়াই ক্ষোভ প্ৰকাশ কৰে। লগতে অন্য বাজনৈতিক দল, দল-সংগঠন সকলোকে স্পষ্টকাতৰ বিষয়টোক লৈ মাত নমাতাৰ বাবে ক্ষুব্ধবাৰ সমালোচনা কৰে চাহ খেতিয়ক সম্ভাৰ নেতৃত্বই। সভাত সম্ভাৰ উ পদেষ্টা পুণ্য ৰাজখোৱা, হাইদল আলি, অকণ কুমাৰ বৰুৱাই ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাক অচিৰেই চাহ খেতিয়ক সকলক উচিত মূল্য নির্ধাৰণ কৰি সঁকাহ দিবলৈ আহ্বান জনাইছে।

ছৈখোৱা আঞ্চলিক ছাত্ৰ সম্ভাৰ তিনি কার্যকর্তাৰ পদত্যাগ

অসম বার্তা, ছৈখোৱা, ২৯ আগষ্ট ঃ সদৌ অসম ছাত্ৰ সম্ভাৰ তিনিচুকীয়া জিলা সমিতিৰ অন্তর্গত ছৈখোৱা আঞ্চলিক ছাত্ৰ সম্ভাৰ তিনি বিষয়বস্তীয়াই ছাত্ৰ সম্ভাৰ মঞ্চৰ পৰা অব্যাহতি লৈছে। ছৈখোৱা আঞ্চলিক ছাত্ৰ সম্ভাৰ উপদেষ্টা তথা তিনিচুকীয়া জিলা ছাত্ৰ সম্ভাৰ কার্যনির্বাহক সুনীল গোৱালা। ছৈখোৱা আঞ্চলিক ছাত্ৰ সম্ভাৰ উপ - সভাপতি তথা তিনিচুকীয়া জিলা ছাত্ৰ সম্ভাৰ কার্যনির্বাহক জীবন ৰয় লগতে আঞ্চলিক ছাত্ৰ সম্ভাৰ উপ-সভাপতি জীৱনজ্যোতি হাজৰিকাই একাস্ত ব্যক্তিগত কাৰণত সদৌ অসম ছাত্ৰ সম্ভাৰ পৰিত্ৰ মজিয়াৰ পৰা বিদায় লয়।

অসমৰ চাহ উদ্যোগক মাধমাৰৰ অভিযোগ

ডিব্রুগড়ৰ জিমখানা ক্লাবত ভাৰতীয় চাহ পৰিষদসহ সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সম্ভাৰ সংবাদমেল

ষ্টাফ ৰিপৰ্টাৰ, ডিব্রুগড়, ২৯ আগষ্ট ঃ অসমৰ চাহক অবহেলা কৰি কেনিয়া, শ্ৰীলঙ্কা, নেপাল আদি দেশৰ চাহক আদৰণি জনালে ভাৰতীয় টি বোৰ্ডে এই অভিযোগ ক্ষুদ্ৰ চাহ খেতিয়কৰ। বিশেষ ভাৰে কেনিয়াৰ চাহে ধৰংস কৰিছে ভাৰতীয় টি উদ্যোগ বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। শেহতীয়াকৈ ৰাজ্যৰ লগতে দেশৰ ভিন্ন স্থানত বহিঃ ৰাষ্ট্ৰীয় চাহে ভাৰতীয় টি বোৰ্ডৰ জৰিয়তে বঅধল দখল কৰা বাবে হাহাকাৰ লাগিছে বুলি মন্তব্য কৰে এই অভিযোগ কৰে। বর্তমান ৰাজ্যৰ ভিন্ন স্থানত বহু ফেক্টৰীত ১১ টকা দৰলৈ নামিছে কেঁচা পাতৰ মূল্য। ইফালে ৰাজ্য চৰকাৰে অসমৰ চাহ উদ্যোগক লৈ লোৱা ভূমিকা সন্তোষজনক নহয় বুলি মন্তব্য প্ৰকাশ কৰে এই সাংবাদ মেলত। সংবাদ মেলতে ৰাজ্য চৰকাৰে সুকীয়াকৈ চাহ উদ্যোগৰ বাবে মন্ত্ৰী পৰ্ষদ এটিৰ প্ৰয়োজন বুলি মত প্ৰকাশ কৰা সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সম্ভাই। আনহাতে ভাৰতীয় টি বোৰ্ডৰ জৰিয়তে মুক্ত অৰ্থনীতি ব্যবসায়ত বহিঃ ৰাষ্ট্ৰৰ পৰা আমদানি হোৱা চাহ পাতৰ কোনো হিচাপ দিব পৰা নাই ইণ্ডিয়ান টি বোৰ্ডে, যাৰ বাবে ৰাজ্যৰ দুই লাখ ক্ষুদ্ৰ চাহ খেতিয়কলৈ নামি আছিছে অন্ধকাৰ। বৈঠকৰ পাছতে সংবাদ মেল সম্বোধন কৰি এইদৰে অসমৰ চাহৰ নিঃশেষ হোৱা দিশসমূহ দাঙি ধৰে। চাহৰ লগত সদস্য সকলৰ উপস্থিতি অনুষ্ঠিত হোৱা যুটীয়া বৈঠকৰ পাছতে সংবাদ মেল সম্বোধন। ভাৰতীয় চাহ পৰিষদৰ নানা ধৰণৰ ভুল নীতিৰ বাবেই অসমৰ চাহ উদ্যোগত ভয়াবহ পৰিস্থিতি সমুখীন হোৱা অভিযোগ উত্থাপন কৰে। এই সংবাদ মেলত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সম্ভাৰ বর্তমান ভাৰতীয় টি বোৰ্ডৰ কিছু ভুল নীতিৰ বাবে ক্ৰমে নিম্ন হাৰত অসমৰ কেঁচা পাতৰ মূল্য হোৱা কথা অবগত কৰে এই সাংবাদ মেলত। বর্তমান ৰাজ্যৰ ভিন্ন স্থানত বহু ফেক্টৰীত ১১ টকা দৰলৈ নামিছে কেঁচা পাতৰ মূল্য। ইফালে ৰাজ্য চৰকাৰে অসমৰ চাহ উদ্যোগক লৈ লোৱা ভূমিকা সন্তোষজনক নহয় বুলি মন্তব্য প্ৰকাশ কৰে এই সাংবাদ মেলত। সংবাদ মেলতে ৰাজ্য চৰকাৰে সুকীয়াকৈ চাহ উদ্যোগৰ বাবে মন্ত্ৰী পৰ্ষদ এটিৰ প্ৰয়োজন বুলি মত প্ৰকাশ কৰা সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সম্ভাই। আনহাতে ভাৰতীয় টি বোৰ্ডৰ জৰিয়তে মুক্ত অৰ্থনীতি ব্যবসায়ত বহিঃ ৰাষ্ট্ৰৰ পৰা আমদানি হোৱা চাহ পাতৰ কোনো হিচাপ দিব পৰা নাই ইণ্ডিয়ান টি বোৰ্ডে, যাৰ বাবে ৰাজ্যৰ দুই লাখ ক্ষুদ্ৰ চাহ খেতিয়কলৈ নামি আছিছে অন্ধকাৰ।

কমনৱেলথ ভাৰোত্তোলনত উজলিল চৰাইদেউ

অসম বার্তা, সোণাৰি, ২৯ আগষ্ট ঃ গুজবাটৰ আহমেদাবাদৰ অনুষ্ঠিত হৈ থকা কমনৱেলথ ভাৰোত্তোলন প্ৰতিযোগিতাত চাৰিটা স্বৰ্ণ পদক লাভ কৰাত ভিলিকিৰা চৰাইদেউ। অভিনব গগৈ লৰাৰ যুব শাখাত ৭১ কিলোগ্ৰামত স্বৰ্ণ জয় কৰাৰ লগতে হেমন্ত দৈমাৰী যে জুনিয়ৰ শাখাৰ ৭১ কিলোগ্ৰামত স্বৰ্ণ জয় লাভ কৰে। অভিনব গগৈয়ে লৰাৰ যুব শাখাত ৭১ কিলোগ্ৰামত ৱেটচত ১২৩ কেজি ক্লীন এণ্ড জার্ক ১৫৫ কেজি মুঠ ২৭৮ কিলোগ্ৰাম উত্তোলন কৰিব সক্ষম হয়। হেমন্ত দৈমাৰী যে জুনিয়ৰ লৰাৰ শাখাত ৭১কিলোগ্ৰামত স্নেচচত ১১৮ কেজি ক্লীন এণ্ড জার্ক ১৪৬ কেজি মুঠ ২৬৪ কিলোগ্ৰাম উত্তোলন কৰি স্বৰ্ণ লাভ কৰে। উল্লেখযোগ্য যে ধৰ্মজ্যোতি দেউঘৰীয়ায়ে ৫৬ কিলোগ্ৰাম শাখাৰ মুঠ ২২৪ কেজি উত্তোলনৰে স্বৰ্ণ জয় লাভ কৰাৰ পাছত ভাৰনা গগৈ ৫৮ কেজি শাখাৰ মুঠ ১৮২ কেজি উত্তোলন কৰি স্বৰ্ণ পদক আনিবলৈ সক্ষম হয়। এই চাৰিটা স্বৰ্ণজয়ী হোৱাৰ বাবে ৰাজ্যৰ লগতে চৰাইদেউৰ আঞ্চলসাী জনগণে গৌৰৱ অনুভৱ কৰিছে।

হাটশিঙিমাৰী প্ৰেক্ষাগৃহত 'ভোট চোৰ চকী এৰক' সজাগতা সভা আৰু জিলা ভিত্তিক BLA প্ৰশিক্ষণ শিবিৰ

অসম বার্তা, হাটশিঙিমাৰী, ২৯ আগষ্ট ঃ দক্ষিণ শালমাৰা মানকাচৰ জিলা কংগ্ৰেছ কমিটিৰ উদ্যোগত আজি জিলাৰ সদৰ হাটশিঙিমাৰী প্ৰেক্ষাগৃহত উক্ত প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসম চৰকাৰে ভোটাৰ তালিকা সংশোধনৰ নামত কিছুমানৰ নথি পত্ৰ বিচাৰিব আৰু কি কি নথি পত্ৰ সমূহ বিচাৰিব এই বিষয়ে কংগ্ৰেছদলৰ কর্মী সকলক প্ৰশিক্ষণ ব্যবস্থা কৰে আৰু ভোটাৰ তালিকাৰ পৰা যাতে এই জিলা খনৰ বৈধ নাগৰিকৰ নাম বাদ নপৰে এই উদ্দেশ্যৰে আজি উক্ত হাটশিঙিমাৰী প্ৰেক্ষাগৃহত জিলা ভিত্তিক শিবিৰৰ আয়োজন কৰে। এই সন্দর্ভত ধুবুৰী সাংসদ ৰকিবুল হুছেইনে ভোটাৰ সকলক সতর্ক থাকিবলৈ আহ্বান জনায় আৰু তেখেতে কয় যে, কংগ্ৰেছদলে অসম জুৰি এনে ধৰণৰ সজাগতা সভা অনুষ্ঠিত কৰি ভোটাৰ সকলক সজাগতা কৰি আছে বুলি মন্তব্য কৰে। আজিৰ এই প্ৰশিক্ষণ শিবিৰত উপস্থিত থাকে মানকাচৰৰ প্ৰাক্তন বিধায়ক ড° মতিউৰ ৰহমান মণ্ডল; যুব নেতা মহিবুৰ ৰহমান (বাৱী) আদি কৰি কংগ্ৰেছ দলৰ নেতা কর্মী সকল।

সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ আমবাৰী বাবেগড় আঞ্চলিকৰ পাৰেৰচৰত বৃহৎ যোগদান কার্য্যসূচী

অসম বার্তা, লেংটিছিঙা, ২৯ আগষ্ট ঃ আজি অসম গণ পৰিষদ সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তর্গত আমবাৰী বাবেগড় আঞ্চলিকৰ পাৰেৰচৰত এখন যোগদান কার্যসূচীয়ে প্ৰাৰ্থীত্ব প্ৰত্যাশী ছাত্ৰিদুল ইছলাম উপস্থিত থাকি পাৰেৰচৰ ১১৩ নং বুথ কমিটিখন দলীয় কর্মকর্তা সকলৰ সহযোগত কমিটিখন পূৰ্ণাংগ ৰূপত গঠন কৰি দিয়া হয়। যুব নেতা ছাত্ৰিদুল হক নেতৃত্বত অসম গণ পৰিষদ দলত যোগদান প্ৰায় ৭২জন ব্যক্তিয়ে যোগদান কৰে। ছাত্ৰিদুল ই ছলাম আৰু দলীয় কর্মকর্তা সকলৰ নেতৃত্বত এই যোগদান কার্যসূচীয়ে কংগ্ৰেছ আৰু AIUDF শিবিৰত খলকনিৰ সৃষ্টি লগতে স্থানীয় ৰাজনীতিত নতুন ৰং যোগাইছে। কংগ্ৰেছ আৰু AIUDF শিবিৰত এই ঘটনাই বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। আগন্তুক দিনত এই পৰিবৰ্তনৰ স্থানীয় ৰাজনীতিত গতি-প্ৰকৃতিত কেনেদৰে প্ৰভাৱ পেলায়, সেয়া সময়ে ক'ব। উক্ত সভাত উপস্থিত থাকে সমষ্টি কমিটিৰ সাধাৰণ সম্পাদক আনিছুল চৌধুৰী, সমষ্টি কমিটিৰ সাংগঠনিক সম্পাদক ওমৰ আলী, সমষ্টি প্ৰতিনিধি আব্দুল মন্নাফ, মহাচিন আহমেদ, লুতফৰ ৰহমান, যুব পৰিষদৰ সমষ্টিৰ